জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# মণিকাঞ্চন

মাহেকীয়া বাৰ্তালোচনী-

❐ Tech/RNP/GH-105/2012-14
❐ Regd. No. 63480/95

অষ্টাদশ বছৰ ঃ অষ্টম সংখ্যা, ৫৬৪ শঙ্কৰাব্দ, আগষ্ট ২০১৩ চন, মূল্য ঃ ৫.০০ টকা, পঞ্জীয়ন নং ঃ ৬৩৪৮০/৯৫


**গুৰুবাণী**

সংসাৰৰ সুখ দুখ জানা সৱে মায়া।
তিলেকতে অন্তৰে মেঘৰ যেন ছায়া।।
হেন জানি বুদ্ধলোক এৰিয়া কুমতি।
একচিত্তে মাধৱৰ কৰিয়ো ভকতি।।
কোন দিনা যমে ধৰে তাৰ নাহি থিত।
আৰো কি মনুষ্য হুইবা ভাৰত ভূমিত।।
শঙ্কৰ বদতি এৰিয়োক আন কাম।
জনম সাম্ফল হৌক বোলা ৰাম ৰাম।।

— ভাগৱত

## মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয়ৰ চৰকাৰী অনুমোদন

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ গুৰুজনাক বিশ্বমানসত প্ৰতিষ্ঠা কৰাৰ মানসেৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই জন্মলগ্নৰে পৰাই বিভিন্ন আঁচনি গ্ৰহণ কৰি অহাৰ লগতে কেইবছৰমান আগৰে পৰাই গুৰুজনাৰ নামত **“মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়”** স্থাপন কৰাৰ এক সুপৰিকল্পিত আঁচনি গ্ৰহণ কৰি প্ৰাৰম্ভিক কাম-কাজসমূহ সম্পূৰ্ণ কৰাৰ পিছত শেহতীয়াকৈ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যনিৰ্বাহকে প্ৰধান সম্পাদক শ্ৰীযুত বাবুল বৰাবাপৰ নেতৃত্বত পূৰ্ণ উদ্যমে চলাই অহা পদক্ষেপৰ অন্তত যোৱা ১৮ জুলাই ২০১৩ তাৰিখে অসম বিধান সভাৰ গ্ৰীষ্মকালীন অধিৱেশনত অসম চৰকাৰে “মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়” বিষয়ক বিধেয়কখনত আনুষ্ঠানিক অনুমোদন জনায়। অসমৰ মাননীয় শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱে বিধেয়কখন উত্থাপন কৰাৰ লগে লগে অধিৱেশনত উপস্থিত থকা প্ৰতিটো ৰাজনৈতিক দলৰ লগতে সকলো মন্ত্ৰী বিধায়কে বিনা সংশোধনীৰে হৰ্ষোল্লাসে বিধেয়কখন অনুমোদনত সমৰ্থন জনায়। উল্লেখ্য যে উক্ত অধিৱেশনত উপস্থিত থকা সঙ্ঘৰ পদাধিকাৰ আৰু প্ৰধান সম্পাদকৰ সাক্ষাতত বিধেয়কখন গৃহিত হোৱাৰ লগে লগে অসম চৰকাৰৰ কেইবাগৰাকীও সন্মানীয় মন্ত্ৰী আৰু বিধায়কৰ লগতে বিভিন্ন দলৰ বিধায়কে তেখেতসকলৰ এমাহৰ বেতন শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় নিৰ্মাণ পুঁজিলৈ দান হিচাপে আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি উদাত্তকণ্ঠে ঘোষণা কৰে। এই বাতৰিযোগে, তেখেতসকলৰ বদন্যতাক শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। সেই একেদিনাই সন্ধিয়ালৈ পদাধিকাৰ শ্ৰীযুত ৰজনীকান্ত দত্ত আৰু প্ৰধান সম্পাদক শ্ৰীযুত বাবুল বৰাবাপদ্বয়ে অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈ আৰু শিক্ষামন্ত্ৰী মাননীয় ড° হিমন্ত বিশ্ব শৰ্মাক এখনি লিখিত পত্ৰৰে আনুষ্ঠানিকভাৱে কৃতজ্ঞতা জ্ঞাপন কৰে।

উল্লেখ্য যে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয় বিষয়ক (২ পৃষ্ঠাত চাওক)

## সাহিত্য শাখা সমিতিৰ উদ্যোগত পাঠ-সমীক্ষাৰ কৰ্মশালা



কৰ্মশালাত অংশগ্ৰহণকাৰীৰ একাংশ



ড° মালিনী গোস্বামী

প্ৰাচীন অসমীয়া সাঁচিপতীয়া পুথিসমূহৰ শুদ্ধ পাঠ নিৰ্ণয় কৰি প্ৰকাশ কৰাৰ আঁচনিৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাহিত্য শাখা সমিতিয়ে জুলাই মাহৰ ৭ তাৰিখৰ পৰা ১৩ তাৰিখলৈ ৪ দিনীয়াকৈ আয়োজন কৰা পাঠ-সমীক্ষাৰ কৰ্মশালা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰত অনুষ্ঠিত হয়। কৰ্মশালাখনিত অংশগ্ৰহণ কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাহিত্য শাখা সমিতি আৰু সাহিত্য গৱেষণা পৰিষদৰ সদস্য-সদস্যাসকল আৰু বিভিন্ন জিলা শাখাৰ পাঠ সমীক্ষা বিষয়ত আগ্ৰহী গৱেষকসকলে। কৰ্মশালাত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা বিশিষ্ট গৱেষিকা ড° মালিনী গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰৰ বিষয়া শ্ৰীধনজিৎ তালুকদাৰ আৰু ড° ভূপেন্দ্ৰনাথ গোস্বামী, বি. বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক বিশিষ্ট পণ্ডিত বিশ্বেশ্বৰ হাজৰিকাদেৱে।◆

## শঙ্কৰদেৱ ঃ অভিধা আৰু অভিব্যঞ্জনা

**জীৱকান্ত নাথ**

অসমীয়াত এটি গূঢ়াৰ্থ যোজনা আছে। যোজনাটি হ’ল— ‘নামে কি কৰিব, গুণেহে সংসাৰ তৰিব।’ ইয়াত এজন ব্যক্তিৰ বা এটা পদাৰ্থৰ নামটোতকৈও যে গুণ অথবা শক্তিটোৱেহে যে অধিক কাম কৰে, তাকে প্ৰকাশ কৰিছে। তথাপি নামবাচক শব্দ কিছুমানৰ যি অভিধা অৰ্থাৎ মুখ্যাৰ্থ, সেইটোৱেও এজন ব্যক্তিৰ বা এটা পদাৰ্থৰ মহিমা বাৰুকৈয়ে প্ৰকাশ কৰে। অভিধাটোৱেই ভাবুকজনৰ বা গুণীৰ গুণ বুজা লোকৰ মনত এনেদৰে অভিব্যঞ্জিত হৈ (২ পৃষ্ঠাত চাওক)

## ভাওনাৰ স্বৰূপ

**নবীন চন্দ্ৰ ভূঞা**

“... খ্ৰীং ... খ্ৰীং তাক ধিন তাচ তাওঁ”

বায়নৰ হাতৰ আঙুলিৰে খোলত দিয়া বুলনিত মূৰ্ত হৈ উঠা এই বাজনাখন শুনা মাত্ৰেই চাৰিওফালৰ দৰ্শক চাপখাই আহি নামঘৰ আৱৰি ধৰেহি। অস্বাভাৱিক নিস্তব্ধতা আহি পৰে। আঁৰ কাপোৰৰ আঁৰৰ পৰা ওলাই আহে সূত্ৰধাৰ। বাজনাৰ চেৱে চেৱে পদ্মমুদ্ৰা দি ভক্তি পদ্মৰ মধু আহৰণ কৰি ভ্ৰমৰমুদ্ৰাৰ দ্বাৰাই ভক্তি পদ্মৰ ৰেণু সমাজত বিতৰণ কৰি দিয়ে সূত্ৰধাৰে। প্ৰখৰ গতিত খোলত বায়নৰ আঙুলিৰ বুলনি উঠে— ৰগৰ “খিৰ ... খিৰ ... খিৰ।” বাজনা অনুযায়ী বিভিন্ন মুদ্ৰাৰ নৃত্য প্ৰদৰ্শন কৰি সূত্ৰধাৰে নাটকৰ বিষয়বস্তু দাঙি ধৰে সমাজৰ আগত। সঁচাকৈয়ে এটা স্মৃতিমধুৰ পৰিৱেশ। (২ পৃষ্ঠাত চাওক)

## বিশ্ববিদ্যালয়ৰ চৰকাৰী অনুমোদন

(১ পৃষ্ঠাৰ পৰা)

বিধেয়কখনে আনুষ্ঠানিকভাৱে চৰকাৰী অনুমোদন লাভ কৰাৰ পিছতেই যোৱা ২৭/৭/২০১৩ তাৰিখে শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটীত জৰুৰীভাৱে আহ্বান কৰা মূল কাৰ্যনিৰ্বাহক সভাত বিশ্ববিদ্যালয় স্থাপন আৰু আনুসাঙ্গিক কাম-কাজ সম্পৰ্কীয় বিষয়সমূহ বিস্তৃতভাৱে আলোচনা কৰা হয়। আলোচনাত পুঁজি সংগ্ৰহ বিষয়টোৱে গুৰুত্ব লাভ কৰাৰ লগতে সভাই সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰে যে সঙ্ঘৰ চাকৰিয়াল আৰু পেন্সনাৰ সঙ্গী বাপ-আইসকলে তেখেতসকলৰ এমাহৰ দৰমহা আৰু ব্যৱসায়ী তথা স্বাৱলম্বীসকলে এমাহৰ প্ৰকৃত আয় বিশ্ববিদ্যালয় নিৰ্মাণ পুঁজিলৈ প্ৰাৰম্ভিকভাৱে আগবঢ়াব। প্ৰাৰম্ভিকভাৱে ২৫৬ কোটিতকৈও অধিক টকা খৰছ হ'বলগীয়া বিশ্ববিদ্যালয় নিৰ্মাণ বিষয়ৰ ওপৰত সভাই লোৱা আন এক প্ৰস্তাৱ মৰ্মে জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে অসমত বাস কৰা সকলো শ্ৰেণীৰ লোককে তেখেতসকলৰ সাধ্যানুযায়ী শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয় নিৰ্মাণ পুঁজিলৈ দান, বৰঙণি আগবঢ়াবলৈ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ তৰফৰ পৰা আন্তৰিকতাৰে আহ্বান জনোৱা হয়।

২০০৬ চনতে ড° ৰাতুল চন্দ্ৰ বৰাবাপে গুৰুজনাৰ নামত বিশ্ববিদ্যালয় স্থাপনৰ বিষয়টো সঙ্ঘৰ মজিয়াত প্ৰথমবাৰ উপস্থাপন কৰাৰ পিছত সঙ্ঘৰ ৮২ বছৰীয়া ইতিহাসত বিষয়টোৱে বাস্তৱত ৰূপ পোৱাত সভাই সন্তোষ প্ৰকাশ কৰে আৰু সঙ্ঘৰ সকলো সঙ্গী বাপ-আই, যুৱক-যুৱতী তথা অসমৰ জনসাধাৰণক গুৰুজনাৰ নামত স্থাপন হ'বলগীয়া বিশ্ববিদ্যালয়খনৰ নিৰ্মাণ কাৰ্যত সক্ৰিয় সহায়-সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনায়।◆

## অভিধা আৰু অভিব্যঞ্জনা

(১ পৃষ্ঠাৰ পৰা)

পৰে যে তাৰ পৰাই তেওঁ বিমল আনন্দ লাভ আৰু জ্ঞান লাভ কৰিবলৈ সক্ষম হয়। উদাহৰণস্বৰূপে ক'ব পাৰি— 'কুকুৰ' বুলি ক'লে চাৰিঠেঙীয়া নেজ থকা পোহনীয়া জন্তু এটাৰ কথাই শ্ৰোতাৰ মনলৈ আহে। কিন্তু অভিধা অৰ্থ প্ৰকাশ কৰা এই শব্দটোৰ পৰাই যেতিয়া কাৰোবাক গালি পাৰিবৰ বাবে 'কুকুৰৰ জাত', 'কুকুৰৰ পোৱালি' আদি শব্দ প্ৰয়োগ কৰে, তেতিয়াই ই অভিধাৰ পৰা অভিব্যঞ্জিত হৈ শ্ৰোতাৰ মনত ব্যাপক ৰূপত অন্য এটি অৰ্থ প্ৰতিপাদিত হয়।

অভিধা অৰ্থাৎ নামবাচক শব্দবোৰ সাধাৰণতে গুণবাচক। ভগৱান কৃষ্ণৰ নামবোৰ গুণনামহে। ভক্তসকলে, আত্মীয়সকলে কৃষ্ণৰ গুণ অনুসৰি নাম দিওঁতে দিওঁতে তেওঁ সহস্ৰ নামৰ অধিকাৰী হ'ল। 'দামোদৰ' শব্দৰ অৰ্থ হ'ল পঘাৰে পেটত বান্ধি থোৱা কৃষ্ণ। 'দাম'ৰ অৰ্থ হ'ল পঘা আৰু 'উদৰ' মানে পেট। শিশুকালৰ দুষ্ট কৃষ্ণক মাতৃ যশোদাই পেটত পঘা লগাই বান্ধি থোৱাৰ বাবেই তেওঁৰ নাম হ'ল 'দামোদৰ'। এনেদৰেই অচ্যুত, নৰোত্তম, সদানন্দ, নিত্যানন্দ, পৰমানন্দ, বনমালী, কৃষ্ণ, ৰাম আদি সহস্ৰ নাম গুণনাম।

মহাপুৰুষ শঙ্কৰদেৱক আত্মীয়সকলে, ভক্তসকলে, অনুৰাগীসকলে যি গুণবাচক ভিন্ন অভিধাৰে সময়ে সময়ে প্ৰকাশ কৰিলে, সেইবোৰেই অৱশেষত অভিব্যঞ্জিত হৈ সমাজত তাৰাক মহত্ত্ব প্ৰদান কৰিলে। জন্মকালৰ পৰাই বৈকুণ্ঠী হোৱাৰ পৰৱৰ্তী কাললৈ তাৰাক অভিধা আৰু অভিব্যঞ্জনাৰে অনুৰাগীসকলে সন্মান প্ৰদৰ্শন কৰি আহিছে। শঙ্কৰদেৱৰ 'দশনাম' সম্পৰ্কত 'কথা গুৰুচৰিত'ত আছে— পাঁচদিনত সন্টৰা গৰ্গে গণিলে। বেদ, জ্যোতিষত চাই দেখে, পুৰ্ণে শক্তিধৰ ভগৱন্ত অৱতাৰ, তেহে কুসুমক বোলে তোমাৰ পুত্ৰ ঈশ্বৰ শক্তি। যত্নে শ্ৰদ্ধা কৰা, আন্তহন্তে বহুজীৱ নিস্তাৰ হ'ব, তোমাৰে কুশল সাৱধানে পালি ৰাখা। গণি চাই নাম দিলে কোটিত গঙ্গাধৰ, পিতৃদত্ত শঙ্কৰ দাতা বৰ দেখি শঙ্কৰ, বংশে থলে ডেকাগিৰি, ভক্তৰ একা আতা, বাপ, মহাপুৰুষ আতৈ, হৰি, গোপীনাথ, কিঙ্কৰ, এই গুপ্তে দশ অৰ্থে দশ নাম ধৰিলে।" (কথা গুৰুচৰিত, সম্পা ঃ উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, প্ৰকাশ ঃ হৰিনাৰায়ণ দত্তবৰুৱা, ১৯৫২, পৃ. ২০-২১ ) এই দহোটা গুণবাচক অভিধাৰ অভিব্যঞ্জিত ৰূপ অতি তাৎপৰ্যপূৰ্ণ।

কোষ্ঠীত শঙ্কৰদেৱৰ নাম আছিল গংগাধৰ। সংস্কৃত 'গংগা' শব্দ গম্ ধাতুৰ পৰা সিদ্ধ হৈছে। গম্ ধাতুৰ অৰ্থ গতি কৰা। 'গংগা'নৈ গিৰিবৰ হিমালয়ৰ পৰা নিম্ন ভূমিভাগলৈ গতি কৰিছে। হিন্দু ধৰ্মৰ লোকসকলৰ বিশ্বাস মতে মৰ্ত্যৰ লোকসকলক পৱিত্ৰ কৰিবৰ কাৰণে ব্ৰহ্মলোকৰ পৰা মৰ্ত্যলোকলৈ গংগাই গতি কৰিছে। এইখন গংগাক মহাদেৱে জঁটাত ধৰি ৰখাৰ বাবে শিৱৰ আন এটি নাম গংগাধৰ। শঙ্কৰদেৱে মৰ্ত্যৰ নৰলোকক নাম-ধৰ্মৰে পৱিত্ৰ কৰি গতি দিবৰ বাবে বৈকুণ্ঠৰ পৰা আহি নৰলোকত আৱিৰ্ভাৱ হৈছেহি। সেয়েহে তাৰাৰ জন্মকালত সন্টৰা জ্যোতিষীয়ে জ্যোতিষ গণনাৰে তাৰাৰ নাম ৰাখিলে 'গংগাধৰ'।

পিতৃ কুসুম্বৰে তাৰাৰ নাম থ'লে 'শঙ্কৰ'। শঙ্কৰ নাম থোৱাৰ কাৰণ চৰিতপুথিত পোৱা যায়। শিৱৰ আশীৰ্বাদত অপুত্ৰক কুসুম্বৰৰ পুত্ৰ লাভ হোৱাৰ বাবেই পিতৃদত্ত নাম হয় শঙ্কৰ। 'শঙ্কৰ' সংস্কৃত শব্দ। সংস্কৃতত 'শঙ্কৰ' শব্দৰ অৰ্থ শুভ ইচ্ছা বা শুভ শক্তি প্ৰদান কৰোঁতা। সংস্কৃতত 'শঙ্কৰ' শব্দই 'ষাঁড়গৰু'কো বুজায়। সেয়েহে সকলোৰে শুভ কৰোঁতা শঙ্কৰে অৰ্থাৎ সদাশিৱই 'শঙ্কৰ'ত অৰ্থাৎ বৃষভ নামৰ ষাঁড়টোক বাহনৰূপে লৈ জগতৰ মংগল কামনা কৰিছিল। মহাপুৰুষ শঙ্কৰদেৱেও প্ৰাণীজগতৰ কল্যাণ কামনা কৰিয়েই নামধৰ্ম প্ৰৱৰ্তন কৰিছিল। 'শিৱ' অভিধা- শক্তি শঙ্কৰদেৱে উমান পোৱাৰ বাবেই 'কেশৰ শিৱ শিৱ ঘুষিও সদায়। ৰামনাম বিনে বান্ধৱ নাই।।২৯।।' (প্ৰহ্লাদ চৰিত, ত্ৰয়োদশ কীৰ্ত্তন) বুলি কীৰ্ত্তন-ঘোষাত দৃঢ়তাৰে প্ৰকাশ কৰি গৈছে। পৰম মংগলময় শিৱ শক্তিৰ কৰুণাত নৰলোকত আৱিৰ্ভাৱ হৈ নিজে শঙ্কৰ নামেৰে ৰামনাম তথা শিৱ নামৰ মহিমা ব্যক্ত কৰি গ'ল। ইও কম অভিব্যঞ্জনা নহয়।

বংশৰ লোকসকলে তাৰাৰ নাম থ'লে ডেকাগিৰি অথবা ডেকাগিৰী। 'ডেকা' শব্দ সংস্কৃত 'ডিক্কৰ' শব্দৰ পৰা উৎপন্ন হৈছে, যাৰ অৰ্থ হ'ল কৈশোৰ কালৰ ওপৰ বয়সৰ লোক। ডেকা শব্দ সংযুক্ত হৈ অসমীয়া ভাষাত সৃষ্টি হোৱা কেইটামান শব্দ বা খণ্ডবাক্য হ'ল— ডেকা-কাল, ডেকা-গোসাঁই, ডেকা-চাং (জনজাতীয় লোকৰ সাংস্কৃতিক কেন্দ্ৰ), ডেকা-দেও (সম্বোধনাৰ্থে), ডেকা ধ্বনি লগা (যৌৱন কালৰ মনৰ চঞ্চলতা), ডেকা-ফুকন (উপাধি), ডেকা ৰজা (ৰাজকোঁৱৰ) ইত্যাদি। আকৌ 'গিৰি' মানে পৰ্বত, ব্যৱসায়, কাৰ্য বা পন্থা (কেৰাণীগিৰি, নেতাগিৰি, দাদাগিৰি) বা ধনী আদি। 'গিৰি'ৰ বিপৰতে 'গিৰী'ৰ অৰ্থ হ'ল— গৃহস্থ, গৰাকী, স্বামী আদি। শঙ্কৰদেৱক 'ডেকাগিৰি'য়েই বোলক বা 'ডেকাগিৰী'য়েই

(১৬ পৃষ্ঠাত চাওক)

# ভাওনাৰ স্বৰূপ

(১ পৃষ্ঠাৰ পৰা)

**ভাওনাৰ উদ্দেশ্য ঃ**

"পৰম অমূল্য ৰত্ন হৰিৰ নামৰ পেৰা
অতি গুপ্ত স্বৰূপে আছিল।
লোকক কৃপায়ে হৰি শঙ্কৰ স্বৰূপে আসি
মুদ্ৰ ভাঙ্গি সমস্তকে দিল।।"

— নাম-ঘোষা

লুপ্তপ্ৰায় হৈ থকা নাম-ধৰ্ম ব্যক্ত কৰি জীৱ উদ্ধাৰ কৰিবৰ বাবে ধৰ্ম প্ৰচাৰত দুজনা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ-মাধৱে বহুতো আহিলাৰ আশ্ৰয় লৈছিল। তাৰ ভিতৰত ভাওনা অন্যতম। এই ভাওনাৰ উদ্দেশ্য আছিল তিনিটা লোক-সংগ্ৰহ, লোকৰঞ্জন আৰু লোক স্থিতি। খোল-তালৰ বাদ্যৰ অৰ্থাৎ গায়নৰ দ্বাৰাই লোক সমাজক সংগ্ৰহ কৰি একত্ৰিত কৰা হয়। আজিকালি কথাছবি আৰম্ভ হোৱাৰ আগত মাইকৰ দ্বাৰা সঙ্গীত পৰিৱেশন কৰি দৰ্শক সংগ্ৰহ কৰাৰ দৰে ভাওৰীয়াৰ অঙ্গী-ভঙ্গী মুদ্ৰা, পোছাক-পৰিচ্ছদ, সাজ-সজ্জা বচন কথাৰে লোকসকলক আনন্দ হৃদয় ৰঞ্জন কৰা হয়। শেষ পৰ্যায়ত ভাওনাৰ কাহিনীৰ মূল কেন্দ্ৰস্থল হৰিভক্তিৰ বাবে দৰ্শকৰ মন ধাবিত হয়। আৰু সেয়ে 'হৰি মূৰ্ত্তি স্ফুৰ্ত্তি আতি হোন্ত হৃদয়ত।' এয়ে হ'ল লোক স্থিতি।

**সূত্ৰধাৰ ঃ** সূত্ৰধাৰ ভাওনাৰ অত্যাৱশ্যকীয় অঙ্গ বিশেষ। হৈ যোৱা আৰু আৰম্ভ হ'ব লগা দৃশ্যসমূহৰ সন্ধি কৰি নাটৰ আদিৰ পৰা অন্তলৈকে এডাল সুতাৰে প্ৰতিপাহ ফুল গাঁথি মালা তৈয়াৰ কৰাৰ দৰে দৃশ্যসমূহ গাঁথি নিয়ে। যেনে সূত্ৰধাৰে কয় 'ঐচন প্ৰকাৰে দৈত্যেন্দ্ৰৰ আদেশ বাণী শুনি মাহুতগণে প্ৰহ্লাদক শাস্তি কৰিবাক লাগি দন্তাল হাতীৰ দান্ত ভিৰাৱল। দন্ত সৱ ভাগি গেল। তথাপি প্ৰহ্লাদৰ কিছু অনিষ্ট নভলৈ দৈত্যেন্দ্ৰে বিষ ভক্ষনৰ দ্বাৰা পুত্ৰৰ নিধন হৌক ভাবি ধাত্ৰীক যে আদেশ কয়ল তাক দেখহ শুনহ নিৰন্তৰে হৰিবোল হৰি।।" নাটৰ বিষয়বস্তুৰ নিৰ্দেশ দিলে। এহাতে, আৰু আনহাতে দৰ্শকক দৃশ্যৰ কথা বুজাই দি হৰিনাম ল'বলৈ সোঁৱৰালে। সূত্ৰ অৰ্থাৎ সূতা ধাৰ ধাৰণ কৰোঁতাজনেই সূত্ৰধাৰ। সূত্ৰধাৰজনে ভাওৰীয়া আৰু দৰ্শকৰ মধ্যস্থতাও কৰে। সূত্ৰধাৰজনৰ পোছাকে উভয়লিঙ্গকে সূচায় অৰ্থাৎ প্ৰকৃতি পুৰুষৰ তথা জড় চৈতন্যৰ সমাহাৰ বুজায়। অঙ্কীয়া নাটত সূত্ৰধাৰ আদিৰ পৰা অন্তলৈকে অবিচ্ছেদ্যভাৱে জড়িত।

**বাদ্যযন্ত্ৰৰ সংযোজন ঃ** খোল-তালেই ভাওনাৰ একমাত্ৰ বাদ্য। খোলৰ প্ৰতিটো চাপৰেই একোটা কৃষ্ণ স্তৱ। তাৰ প্ৰমাণ সূত্ৰধাৰে প্ৰথমে দিয়া ৰাগটো— 'আ ... তা ... না ... না ... ।' অৰ্থাৎ 'আত্মাৰ নাশ নাই...।' আৰু গায়নে আৰম্ভ কৰে—

"যেযাং শ্ৰীমদ্ যশোদা সুত পদ কমলে
নাস্তি ভক্তি নৰানাম।
যেযামাভিৰ কন্যা প্ৰিয় গুণ কথনে
নানুৰক্তাৰসজ্ঞা।
যেযাং শ্ৰীকৃষ্ণ লীলা ললিত নিশমনে
সাদৰো নৈব কৰ্ণৌ।
ধিক তান্ ধিক তান্ ধিগেতান্ কথয়তি
কীৰ্ত্তনস্তোমৃদঙ্গা।।"

ইয়াৰ অৰ্থ হ'ল— শ্ৰীমন্ত যশোদাসুত শ্ৰীকৃষ্ণৰ পদ-কমলত যিসকলৰ ভক্তি নাই, তেওঁৰ প্ৰিয় গুণ-কীৰ্তনত ৰতি নোপজে, তেওঁৰ লীলা কীৰ্ত্তনত শ্ৰদ্ধাৰে কাণ নাপাতে; তেওঁলোকৰ জীৱন ধিক্‌ধিক্‌বুলি অভক্তক ধিক্কাৰ দি খোলে বাজনা আৰম্ভ কৰিলে। এয়া হ'ল খোল বাদ্যৰ কথা।

গীত ৰাগ, তাল আদি— গীতসমূহৰ ৰচনা বয় নাটকৰ বিষয়বস্তুৰ প্ৰকাশ কৰি। ৰাগ-ৰাগিনীৰ সকলো কথা আলোচনা কৰিলে প্ৰবন্ধ নিশ্চয় বাহুল্য হোৱাৰ সম্ভাৱনা। সেয়ে চমুৱাই ইমানতে কওঁ যে মূল ৰাগ ছয়টা, যেনে— ভৈৰৱ' মালকোষ, হিন্দোল, দীপক, মেঘ আৰু শ্ৰী। এই মূল ৰাগ ছয়টাৰ প্ৰতিটোৰ পৰা ছয়টাকৈ বাঢ়ি ছয়ত্ৰিশ ৰাগিনী হ'ল। ৰাগৰ মাহাত্ম্য বৰ্ণনাতীত গুৰুজনে প্ৰথমে অভিনয় কৰা চিহ্নযাত্ৰাত এই ৰাগৰ মাহাত্ম্য জিলিকনি পোৱা যায়।

"উদাৰ সহিতে বৰ গোবিন্দ উঠিল।
প্ৰথমতে শঙ্কৰে ৰাগক তুলি দিল।।
লক্ষ্মণৰ বৰ ভাই নামত বলাই।
তিমিৰ ৰাগক দিলা সবে আছে চাই।।
বায়ু মণ্ডলীত ৰাগ দিলন্ত শঙ্কৰ।
পাতি সোন্দা এক বৃক্ষ আছে ভয়ঙ্কৰ।।
তেতিক্ষণে শঙ্কৰে ৰাগক তুলি দিল।
দুই চৰণ দিতে পাত সমস্তে সৰিল।।
বহয় শোষক বায়ু অসংখ্য অপাৰ।
আৰু দুই চৰণ দিতে পাত ভৈলা তাৰ।।"

— ৰামচৰণ কৃত গুৰুচৰিত

এয়া আছিল ৰাগৰ মাহাত্ম্য। ৰাগৰ দৰেই গীতসমূহত তালৰো নিবন্ধ হ'ল— নান্দী সুহাই একতাল, কানাড়া পৰিতাল, সিন্ধুৰা একতাল বচক তাল, সাৰেং পৰিতাল ইত্যাদি। গায়নতো বিভিন্ন বৰ ধেমালি, ৰাগ ধেমালি, চোৰ-ধেমালি, ঘোষা-ধেমালি, ন-ধেমালি চাহিনী আদিৰ নিবন্ধ হ'ল।

**নাটৰ ভাষা ঃ** ভাওনাৰ নাটসমূহত প্ৰায়ভাগ সাধাৰণ কথিত সৰ্বজন বোধগম্য সৰল ঠাঁচৰ ভাষাই ব্যৱহাৰ হয়। কেইবাটাও ভাষাৰ সমন্বয়ত সহজবোধ্য কৰি ৰচনা কৰা নাটকৰ ভাষাৰ নাম ব্ৰজাৱলী বা ব্ৰজবুলি। নিৰক্ষৰ লোকেও অকণো অভ্যাস নকৰাকৈয়ে ইয়াক সহজে মাতিব আৰু বুজিব পাৰে। উদাহৰণ স্বৰূপে চোৰধৰা নাটকৰ ভাষাৰ সৰলতালৈ মন কৰক—

"গোপীবোল ঃ হামাৰ লৱণু কলসি ভিতৰে কৈছে হস্ত নিৰ্বিশেষে থিক? শ্ৰীকৃষ্ণ বোলে ঃ আঃ উহি পৰম দোষ পাৱলি, ওহি পিপলি কাসৰ লৱনু নাশ কয়ল। ইহাক দুৰ কৰিতে হাত দিয়া আহি।"

**অভিনয়ৰ সময় সুবিধা ঃ** দৰ্শকৰ সংখ্যাধিকতা আৰু গভীৰ নিস্তব্ধতাই অভিনয় কৰ্তাক উৎসাহ উদ্দীপনাৰ ইন্ধন যোগায়। ভাওনা সাধাৰণতে ৰাতিহে অভিনয় হয়। ইয়াৰ কাৰণ সম্ভৱতঃ কৰ্মব্যস্ত সাধাৰণ শ্ৰেণীৰ লোকসকলৰ যিহেতু আজৰি সময় ৰাতি, দিনৰ পোহৰত ভাওনাৰ সৌন্দৰ্য নষ্ট হয় নাইবা গাম্ভীৰ্যতা নাথাকে অথবা টুলুঙা বুজায়। মেণ্টোল লাইট ওলোৱাৰ আগতে পোহৰ সংযোজনা নিশ্চয় আহুকলীয়া আছিল। সেই সময়ত মাটিৰ ঘটত তেল ভৰাই ডাঙৰ চাকি তৈয়াৰ কৰি মানুহে ধৰি থাকিব লাগিছিল। এনে চাকিক 'ভোটা' বুলিছিল।

"পাছে ধৰিলন্ত দেৱ ধেমালিক গই।
আগে পাছে লৱ গোটা খোল গুৰু লই।।
আঠ ভুজ বেকত কৰিলা সেহিক্ষণে।
লগায়া দিলন্ত ভোটা পৰম শোভন।।
নিদসম ভৈল সিটো সভাৰ প্ৰকাশ।।"

—ৰামচৰণকৃত গুৰুচৰিত

আজিকালি এই অভাৱ পূৰণ কৰিলে মেণ্টোল লাইটে তথা ইলেক্ট্ৰিক লাইটে।

(১৬ পৃষ্ঠাত চাওক)

# মহাপুৰুষীয়া ধৰ্মৰ বিপৰ্যয় আৰু বিভাজনৰ ইতিহাস

**জীৱকান্ত বৰা**

**আহোম ৰাজত্বকালত ঃ**

আহোম ৰাজত্বকালত শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্তিত নৱ-বৈষ্ণৱ আন্দোলনে সামগ্ৰিকভাৱে অনুকুল পৰিৱেশ পোৱা নাছিল। আনকি শ্ৰীমন্ত শঙ্কৰদেৱেও নিৰ্যাতন ভোগ কৰিবলগা হৈছিল। চৰিতপুথিত উল্লেখ আছে যে আহোম স্বৰ্গদেউ চুহুংমুঙৰ ৰাজত্বকালত (১৪৯৭—১৫৩৯) শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তেওঁৰ লগৰীয়াসকলক হাতী ভেটি ৰাখিব নোৱাৰা অপৰাধত স্বৰ্গদেৱে শিৰচ্ছেদৰ নিৰ্দেশ দিছিল। শঙ্কৰদেৱ পলাই সাৰিল যদিও মাধৱদেৱ আৰু হৰি জোৱাঁই বন্দী হ'ল। ছমাহ কাৰাগাৰত থকা পিছত মাধৱদেৱ মুক্ত হ'ল যদিও জোৱাঁইক শিৰচ্ছেদ কৰা হ'ল। যাৰ কাৰণে শঙ্কৰদেৱ কোচৰাজ্যলৈ গমন কৰিবলগা হ'ল।

ইয়াৰ বাহিৰেও স্বৰ্গদেউ প্ৰতাপ সিংহৰ দিনত (১৬০৩—১৬৪১) আহোম ৰাজ্যত প্ৰথম ধৰ্ম প্ৰচাৰ কৰিবলৈ অহা বংশীগোপালদেৱ বহুদিন আত্মগোপন কৰি থাকিবলগা হৈছিল। তেখেতৰ কলাবাৰীত থকা সত্ৰখনো ভস্মীভূত কৰা হৈছিল। তেখেতে প্ৰথম অৱস্থাত কুৰুৱাবাহীত স্থাপন কৰা সত্ৰখনো ধ্বংস কৰা হৈছিল আৰু বংশীগোপালদেৱৰ উত্তৰাধিকাৰী মিশ্ৰদেৱৰ কাৰাগাৰত মৃত্যু হৈছিল। কাল সংহতিৰ প্ৰতিষ্ঠাপক গোপাল আতাৰ দুজন সতীৰ্থক শিৰচ্ছেদ কৰা হৈছিল। স্বৰ্গদেউ চুৰাম্ফাৰ (ভগাৰজা) ৰাজত্বকালত (১৬৪১—১৬৪৪) চতুৰ্থ মোৱামৰীয়া মহন্ত নিত্যানন্দদেৱক হত্যা কৰা হৈছিল। বাঁহবাৰী সত্ৰৰ সত্ৰাধিকাৰ বৰ যদুমণিদেৱকো হত্যাৰ প্ৰচেষ্টা কৰা হৈছিল। যাৰ কাৰণে তেখেতে বহুদিন আত্মগোপন কৰিবলগাত পৰিছিল।

১৬৮১ খ্ৰীষ্টাব্দত তুংখুঙীয়া ফৈদৰ স্বৰ্গদেউ গদাধৰ সিংহ ৰাজপাটত উঠে। গদাধৰ সিংহ শাক্ত ধৰ্মাৱলম্বী লোক আছিল। ৰাজপাটত উঠিয়েই পুনৰাই প্ৰবল বৈষ্ণৱ নিৰ্যাতন আৰম্ভ কৰিলে। প্ৰথমতে তেওঁ আত্মগোপন কৰা কালত তেওঁক দুৰ্ব্যৱহাৰ কৰা আউনিআটী আৰু দক্ষিণপাট সত্ৰৰ সম্পত্তিসমূহ বাজেয়াপ্ত কৰিলে। দক্ষিণপাট সত্ৰৰ সোণ-ৰূপৰ মূৰ্তিবিলাক গলাই ৰাজভঁড়াললৈ অনা হ'ল। দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ ৰাম বাপুক চকু কাঢ়ি, নাক কাটি শাস্তি দিয়া হ'ল। আউনিআটী সত্ৰৰ সত্ৰাধিকাৰ কেশৱ গোসাঁই কেইজনমান শিষ্যৰে সৈতে শদিয়া অঞ্চলৰ ডাঠ হাবিৰ মাজত বহুদিন আত্মগোপন কৰি থাকিল বুজি জনা যায়। আউনিআটী সত্ৰৰ সা-সম্পত্তি বাজেয়াপ্ত কৰা হ'ল। শক্তিশালী মোৱাৰীয়া সত্ৰৰ সত্ৰাধিকাৰ বৈকুণ্ঠনাথদেৱক নামৰূপলৈ নিৰ্বাসন দি পিছত হত্যা কৰা হ'ল। বহুত সত্ৰ ভস্মীভূত কৰা হ'ল আৰু ৰাষ্ট্ৰৰ বাবে বাধ্যতামূলকভাৱে শ্ৰম কৰাৰ পৰা ৰক্ষা পাবলৈ ভকত হোৱা ভকতসকলক আৰু গোসাঁইসকলক ধৰি আনি মদ-মাংস খাবলৈ বাধ্য কৰায় আৰু সুদীৰ্ঘ ধোদৰ আলি এই ভকত-গোসাঁইসকলৰ দ্বাৰাৰ নিৰ্মাণ কৰা হ'ল।

গদাধৰ সিংহৰ এনে বৈষ্ণৱ নিগ্ৰহৰ ফলত মহাপুৰুষীয়া সমাজখনত তীব্ৰ বিক্ষোভে দেখা দিলে। পৰৱৰ্তী সময়ত মোৱামৰীয়া বিদ্ৰোহ হোৱাত পৰোক্ষভাৱে অৰিহণা যোগোৱা বুলি বহুতে মন্তব্য কৰে। গদাধৰ সিংহই বৈষ্ণৱ নিৰ্যাতন কৰাৰ অন্তৰালত থকা কাৰণসমূহ আছিল এনে ধৰণৰ—

(১) গদাধৰ সিংহই ল'ৰা ৰজাই অঙ্গক্ষত কৰাৰ ভয়ত আত্মগোপন কৰি থকা কালত ৰাজসত্ৰ আউনিআটী আৰু দক্ষিণপাট সত্ৰ দুখনত প্ৰৱেশ কৰি স্বচক্ষে সত্ৰ দুখনৰ ঐশ্বৰ্য-বিভূতি দেখি আচৰিত হৈছিল আৰু সত্ৰাধিকাৰ দুজনৰ লাহ-বিলাহে ৰজা কাৰেঙকো চেৰ পেলোৱা বুলি অনুভৱ কৰিছিল। সেয়েহে এই সত্ৰ দুখনৰ পৰা আহোম ৰাজতন্ত্ৰৰ বিপদাপন্ন হোৱাৰ আশঙ্কা কৰিছিল।

(২) সত্ৰাধিকাৰদ্বয় অত্যন্ত প্ৰভাৱশালী হৈ উঠিছিল। শিষ্যসকলৰ পৰা গুৰুকৰ নামেৰে ৰাজহ তুলি আৰ্থিক দিশত টনকিয়াল হৈছিল আৰু সত্ৰসমূহ আহোম ৰাজ্যৰ মাজতে একোখন সৰু ৰাজ্য হিচাপে পৰিগণিত হৈছিল। গতিকে সত্ৰসমূহৰ স্বাধীন অৱস্থিতি লুপ্ত নকৰিলে ভৱিষ্যতে আহোম ৰাজতন্ত্ৰ বিপদাপন্ন হোৱাৰ আশঙ্কা কৰিছিল।

(৩) গদাধৰ সিংহ আত্মগোপন কৰি থকা কালত আউনিআটী আৰু দক্ষিণপাট সত্ৰৰ ভকতসকলৰ পৰা অশালীন ব্যৱহাৰ পাইছিল। ভকতসকলৰ এনে অমানৱীয় ব্যৱহাৰে তেওঁক উপলব্ধি কৰাইছিল যে এই লোকসকলৰ কাৰ্যৰ লগত শঙ্কৰ-মাধৱৰ আদৰ্শৰ কোনো সামঞ্জস্য নাই।

(৪) সেই সময়ত পাইক ব্যৱস্থাৰ ওপৰত নিৰ্ভৰশীল দেশৰ অৰ্থনীতিৰ ওপৰতো সত্ৰ ব্যৱস্থাই বিস্তৰ ক্ষতি সাধন কৰিছিল। কিয়নো সেই সময়ত সাধাৰণ প্ৰজাই দেশৰ কাৰণে বাধ্যতামূলকভাৱে ৰজাৰ ঘৰত খাটিব লাগে। কিন্তু কোনো সত্ৰৰ ভকত হ'লে এই পাইক খাটনিৰ পৰা ৰেহাই পাইছিল। এই বাধ্যতামূলক শ্ৰমৰ পৰা ৰেহাই পাবৰ কাৰণে ভকতৰ সংখ্যা অতিপাত বৃদ্ধি পাইছিল। বহুলোকে মিছাতেই ভকত বুলি চিনাকি দি এই পাইক খাটনিৰ পৰা ৰেহাই পাইছিল। উদাহৰণ হিচাপে কেৱল বৰদোৱা সত্ৰতে ভকতৰ সংখ্যা ২০০০ হৈছিলগৈ।

(৫) বৈষ্ণৱ পন্থত মদ-মাংস-মাছ ভক্ষণ কৰা নিষেধ। এই নিৰামিষভোজী বৈষ্ণৱ পন্থাই বলিষ্ঠ আহোম জাতিক শাৰীৰিক শক্তি দুৰ্বল কৰি দেশৰ নিৰাপত্তা নোহোৱা কৰিব বুলি গদাধৰ সিংহই উপলব্ধি কৰিছিল।

(৬) গদাধৰ সিংহ শাক্ত ধৰ্মাৱলম্বী লোক হোৱা বাবে শাক্তধৰ্মী ব্ৰাহ্মণসকলে বৈষ্ণৱ সত্ৰসমূহৰ ঐশ্বৰ্য-বিভূতি দেখি গদাধৰ সিংহক বৈষ্ণৱ সত্ৰসমূহৰ বিৰুদ্ধে উচটনি দিছিল।

উপৰিউক্ত কাৰণসমূহৰ ফলশ্ৰুতি স্বৰূপে গদাধৰ সিংহই বৈষ্ণৱ সত্ৰসমূহৰ ওপৰত তীব্ৰ নিৰ্যাতন চলাবলৈ ধৰিলে।

আনহাতে পূৰ্বৱৰ্তী আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহ ৰজা হৈছিল— ১৬৪৮—১৬৬৩ খ্ৰীষ্টাব্দত। এইজনা আহোম স্বৰ্গদেৱে বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিছিল আৰু কেইবাখনো সত্ৰক খাট-পাম অন্যান্য সম্পত্তি প্ৰদান কৰিছিল। এইজনা ৰজাৰ পৃষ্ঠপোষকতাত বিশেষকৈ চাৰিখন সত্ৰই ৰাজসত্ৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰিছিল। এই সত্ৰকেইখন হ'ল— আউনিআটী, দক্ষিণপাট, গড়মূৰ আৰু কুৰুৱাবাহী জয়ধ্বজ সিংহই আউনিআটী সত্ৰৰ প্ৰতিষ্ঠাপক নিৰঞ্জন দেউৰ ওচৰত শৰণ গ্ৰহণ কৰাত (১৭ পৃষ্ঠাত চাওক)

# শ্ৰৱণেন্দ্ৰিয়ত স্পন্দিত মাধুৰ্য

**থানেশ্বৰ গগৈ**

পুৱাৰ ভক্তিমূলক গীতৰ অনুষ্ঠান। পৰিৱেশন কৰে গুৱাহাটী অনাতাঁৰ কেন্দ্ৰই ৫.৩০ ৰ পৰা ৬ বজাৰ ভিতৰত। মৌ বৰষাই শ্ৰৱণেন্দ্ৰিয়ত কিছুমান গীতে। ধনশ্ৰী ৰাগৰ পৰিতালত পৰিৱেশন কৰা ঝৰ্ণা দেৱী ওজাৰ কণ্ঠত— "পৰভাতে বিহাৰে চলে মুৰাৰি। মধুৰ নটবৰ বেশধাৰী" গীতটো, গণেশ চন্দ্ৰ পাটগিৰিৰ কণ্ঠৰ 'মোহন মনোহৰ মূৰতি মাধৱ- মোহন বালেক সঙ্গীয়া, নানান ৰসে খেলে ৰসিক শিৰোমনি...' আদি পৰিৱেশিত গীতবিলাকে এক আত্মিক মধুৰতা বৰষায়।

প্ৰতিক্ৰিয়া হৈছিল অলপতে 'পাৰে পৰি হৰি, কৰোহো কাতৰি প্ৰাণ ৰাখবি মোৰ' কেদাৰ ৰাগৰ এই গীতটো পুৱা ৫.৩০ বজাত পৰিৱেশিত হোৱাত।

মহাপুৰুষ শঙ্কৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱ দুয়োজনাই বিভিন্ন ৰাগৰ, গীত (বৰগীত) ৰচি থৈ গৈছে। মাৰ্গীয় নতুৱা ধৰ্মীয় ৰাগৰ গীতসমূহ নিৰ্দিষ্ট কালৰ ভিতৰতেই পৰিৱেশন কৰিবলগীয়া বিষয়টোত শিথিলতা অবাঞ্চিত।

প্ৰসঙ্গ অৰ্থাৎ নাম-প্ৰসঙ্গৰ অনুষ্ঠানত গীত (বৰগীত) গোৱা নিয়ম। ই বাধ্যবাধকও শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই এই নিয়মত যাতে শিথিলতা নাহে তাৰ কাৰণে কাল অনুসৰি গীত (বৰগীত) গোৱাৰ কাৰণে ৰাগবিলাক নিৰ্দ্ধাৰিত কৰি দিছে। সময়ানুসৰি ভটিমাও আছে।

মহাপুৰুষ শঙ্কৰদেৱে ৰচনা কৰা বৰগীত আটাইবিলাকতে ৰাগ আৰু তাল ধৰি দিছে। (তাবাৰ বৰ্তমান ৩৫টা মান বৰগীতহে ছপা আকাৰত পাই আছো) তেনেদৰে মহাপুৰুষ মাধৱদেৱে ৰচনা কৰা সৰ্বমুঠ ১৫৫টা বৰগীত গাই আছো— যিবিলাকত ৰাগ তালৰ কাল নিৰ্দ্ধাৰিত।

শঙ্কৰদেৱে বোলে আঢ়ৈশমান বৰগীত ৰচিছিল— যিবিলাক দুৰ্ভাগ্যবশতঃ এঠাইত চ'ত মহীয়া বনপোৱা জুইত খেৰৰ ঘৰ এটাৰে সৈতে জাহ গ'ল।

তেওঁৰ প্ৰধান প্ৰিয় শিষ্য মাধৱদেৱে গুৰুৰ আজ্ঞা পাই ১৮০—১৯০টা মান বৰগীত ৰচিছিল।

বৰ্তমান প্ৰাপ্য গ্ৰন্থ দুখন (১) মহাপুৰুষ শঙ্কৰদেৱ বাক্যামৃত আৰু (২) মহাপুৰুষ মাধৱদেৱ বাক্যামৃত (প্ৰকাশক- শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ)ত পোৱা বৰগীতৰ সংখ্যা এনে ধৰণৰ—

শঙ্কৰদেৱৰ বৰগীত ঃ মুঠ ৩৫টা
মাধৱদেৱৰ বৰগীত ঃ মুঠ ১৫৫টা

এই গীতবিলাক তাৰাসৰে ৰচনা কৰা নাট ঝুমুৰা যাত্ৰা আদিত পৰিৱেশন কৰিবলৈ নিৰ্দ্ধাৰণ কৰিছে। যেহেতু অঙ্ক, নাট, ঝুমুৰা আদি সন্ধিয়াৰ পৰা নিশা এপৰ দুপৰ মানলৈ অনুষ্ঠিত হয়, ৰাগৰ ধৰা বন্ধা কালৰ মান ৰাখিব নোৱাৰে।

দুয়োজনা মহাপুৰুষৰ গীতসমূহ তাৰাসৰৰ দ্বাৰা ৰচিত অঙ্কীয়া নাট-ঝুমুৰা আদিত পোৱা যায়। যেনে— শঙ্কৰদেৱৰ অঙ্ক পত্নী-প্ৰসাদত কানাড়া ৰাগৰ গীত, আশোৱাৰী ৰাগৰ গীত, ধনশ্ৰী ৰাগৰ গীত, বেলোৱাৰ ৰাগৰ গীত, গৌৰী ৰাগৰ গীত, শ্যাম ৰাগৰ গীতৰ ৰচনা আছে। তেনেদৰে তাৰাৰ ৰুক্মিণী হৰণ নাটখনত সুহাই ৰাগ, সিন্ধুৰা ৰাগ, ধনশ্ৰী ৰাগ, শ্ৰীগান্ধাৰ ৰাগ, গৌৰী ৰাগ, অহিৰ ৰাগ, মাহুৰ ৰাগ, মাহুৰ-ধনশ্ৰী ৰাগ, কানাড়া ৰাগ, কল্যাণ ৰাগ আদিৰ গীত পোৱা যায়। কালিয় দমন যাত্ৰা, কেলি-গোপাল নাট, পাৰিজাত হৰণ নাট, শ্ৰীৰামবিজয় নাট— এই আটাইবিলাকতে ওপৰত উল্লেখ কৰা ৰাগৰ গীত আছে।

মহাপুৰুষ মাধৱদেৱকৃত অৰ্জুন ভঞ্জন যাত্ৰা, চোৰধৰা, পিম্পৰা গুচুৱা, ঝুমুৰা, ভূমি লেটোৱা ঝুমুৰা, ভোজন বিহাৰ ঝুমুৰা, ব্ৰহ্ম-মোহন ঝুমুৰা, ৰাস ঝুমুৰা, ভূষণ-হৰণ ঝুমুৰা, কোটোৱা খেলা ঝুমুৰাবিলাকতো একেবোৰ ৰাগৰ গীত পোৱা যায়। গীতৰ ৰচনা বেলেগ বেলেগ।

পণ্ডিতৰ প্ৰকাশিত গ্ৰন্থত পোৱা মতে গধূলিৰ গীত আশোৱাৰী, বেলোৱাৰ, সাৰঙ্গ আদি ৰাগৰ, আগনিশাৰ গীত সুহাই, সিন্ধুৰা, কল্যাণ, মল্লাৰ, নাট মল্লাৰ ৰাগৰ, শেষ নিশাৰ গীত, ভুপালী, মধ্যালি, কামোদ; পুৱতী নিশাৰ গীত ধুপালি, পূৰ্বী ৰাগৰ।

গোলাপ মহন্ত, চক্ৰধৰ মহন্ত, ড° পবিত্ৰপ্ৰাণ গোস্বামী, ড° কেশৱানন্দ দেৱগোস্বামী আদি পণ্ডিতৰ লেখাৰ পৰা বুজিব পাৰি যে মাৰ্গীয় সঙ্গীতৰ সুতিটো মাৰ্গৰ বিভিন্ন লোকতে বোৱাই ৰখাৰ লগতে ভূ অৰ্থাৎ পৃথিৱীৰ নৰলোকৰ হৃদয়লৈ নমাই অনা প্ৰক্ৰিয়াটো যেতিয়াই হ'ল তেতিয়াৰ পৰা মাৰ্গৰ ৰূপ সঙ্গীতপ্ৰিয়ৰ হৃদয়লৈ নামিল। মাৰ্গত শিৱ, পাৰ্বতী, ব্ৰহ্মা আদি দেৱশ্ৰেষ্ঠই কোৱা, দেখোৱা, গোৱা, পৰিৱেশন কৰা উৎস যিজনা আছিল সেই পৰমব্ৰহ্ম কৃষ্ণ প্ৰত্যেক জন ব্যক্তিৰ হৃদয়ৰ মাজত সক্ৰিয় চৈতন্য হৈ পৰিল। কৌশল আৰু প্ৰক্ৰিয়া দেখুৱালে মহাপুৰুষ শঙ্কৰদেৱে। সেয়েহে নাম-প্ৰসঙ্গাদি উপাসনা।❑❑

**সহায়ক গ্ৰন্থ ঃ**

১। গোলাপ মহন্ত ঃ শঙ্কৰী সঙ্গীতৰ আধাৰ গ্ৰন্থ, প্ৰকাশক শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ।
২। প্ৰবন্ধ গীতৰ ঐতিহ্যবাহী পূব ভাৰতীয় শাস্ত্ৰীয় সঙ্গীত, প্ৰকাশক চন্দ্ৰ প্ৰকাশন, ২০১০।
৩। মহাপুৰুষ শঙ্কৰদেৱৰ বাক্যামৃত আৰু মহাপুৰুষ মাধৱদেৱৰ বাক্যামৃত ঃ প্ৰকাশক শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ।
৪। মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ বিৰচিত বৰগীত ঃ প্ৰকাশক জ্যোতি প্ৰকাশন, ২০০৯

ফোন ঃ ৯৮৫৪৪-০০৫০৮

মণিকাঞ্চন

## সম্পাদকীয়

// অষ্টাদশ বছৰ ঃ অষ্টম সংখ্যা Ð গুৱাহাটী Ð আগষ্ট 2013 Ð

"মুকং কৰোতি ৰাচালং পঙ্গুং লঙ্ঘয়তে গিৰিম্‌যৎ কৃপা তমহং ৱন্দে বৰমানন্দ মাধৱম্।"— কীৰ্ত্তন

যাৰ কৃপা হ'লে খোৰাই পৰ্বত বগাব পাৰে, বোবাই কথা ক'ব পাৰে, সেইজন পৰমানন্দ মাধৱৰ চৰণ বন্দনা কৰিছোঁ। গুৰুজনে এইভাগ ভৰসাবাণী কীৰ্ত্তনত ঠাই দিছে সেই সকলক উদ্দেশ্য কৰি, যিসকলে নিজকে হতভাগা, দুৰ্ভগীয়া বুলি হীনমন্যতাত ভোগী থাকে। বিকল অঙ্গৰ লোকসকলে যদি এনে মহৎ কাম কিৰব পাৰে, সবল অঙ্গৰ লোকসকলেও নিশ্চয় কিবা নহয় কিবা কৰিব পাৰিব তাত কোনো সন্দেহ নাই। ভগৱানৰ কৃপা হ'লে অসম্ভৱবোৰো সম্ভৱ হয়। গুৰুজনাৰ উক্তি কেতিয়াও অবান্তৰ বা অসম্ভৱ নতুবা মিছা হ'ব নোৱাৰে আৰু নহয়। গুৰুজনাই এটা অবান্তৰ, অসম্ভৱ বা মিছা কথা ক'ব নেকি? ইয়াৰ যথেষ্ট প্ৰমাণ আছে— ধ্ৰুৱ, প্ৰহ্লাদে পাঁচ বছৰতে ঈশ্বৰক সাক্ষাত কৰিছিল, যিটো যোগীসকলে বহুকালে যোগ সাধনা কৰি লাভ কৰিব নোৱাৰে। হনুমানে সাগৰত সেতু নবন্ধাকৈয়ে সাগৰ পাৰ হ'ব পাৰিছিল যিটো আনৰ বাবে সম্ভৱ নহয়। কুৰুক্ষেত্ৰ ৰণত পাণ্ডৱসকল ঈশ্বৰৰ কৃপাৰ বলতে কৌৰৱৰ বিশাল আৰু পৰাক্ৰমী সেনবাহিনীক পৰাস্ত কৰি জয়ী হ'ব পাৰিছিল। ঈশ্বৰৰ কৃপা কেনেকৈ লাভ হয়? এই কৃপা লাভ হয় ঈশ্বৰ সেৱাত। এই সেৱা কি বস্তু? কেনেকৈ কৰিব লাগে? এই কথাখিনি জানি-বুজি ভালকৈ (কায়-মন-বাক্যেৰে) কৰিব লাগে। তেতিয়াহে সফলতা লাভ কৰা আশা কৰিব পাৰি।

ঈশ্বৰৰ সেৱা কেনেকৈ কৰিব লাগে। এই শিক্ষাগুৰুৰ পৰা শিকি ল'ব লাগে। গুৰুৰ কৃপাতহে ঈশ্বৰ সেৱাৰ গুৰুত্ব আৰু মহত্ত্ব উপলব্ধ হয়। সেই বাবে গুৰু সেৱাও ঈশ্বৰ সেৱাৰ অংশ হিচাপে মন-বচন-কৰ্মেৰে কৰিব লাগে। মহাপুৰুষীয়া ধৰ্মত গুৰুৰ মহত্ত্ব অধিক। ধৰক এজন যোগ্য বৰক বিবাহ কৰাবৰ বাবে এগৰাকী যোগ্যা কন্যা লাগে। এতিয়া কন্যাগৰাকীক যোগ্যা কৰি তুলিব কোনে? বৰজনেতো যোগ্যা কৰিব নোৱাৰে। কন্যাগৰাকীক সকলো প্ৰকাৰে শিক্ষা-দীক্ষা, স্বভাৱ-চৰিত্ৰ, আচৰণ-প্ৰকৰণ সকলো প্ৰকাৰে বিবাহৰ উপযোগী কৰি তুলিব কন্যাৰ পিতৃ-মাতৃয়ে। তেনেদৰে গুৰুৱে এজন শিষ্যক পিতৃ-মাতৃৰ দৰে শিক্ষা দি ভগৱন্তৰ সেৱাৰ বাবে উপযোগী কৰি তোলে। সেইবাবেই মাধৱপুৰুষে ভটিমাত উল্লেখ কৰিছে— বিনা গুৰু চৰণে ভকতি ৰকতি মুকুতি কবহু নোহয়। গুৰু সেৱা নকৰাকৈ ঈশ্বৰ কৃপা কেতিয়াও সম্ভৱ নহয়। অভিভাৱকৰ অযত্নে শিক্ষা বা সংস্কাৰ নোহোৱাকৈ এগৰাকী কন্যা বৰৰ কাৰণে বিবাহযোগ্য নহয়, তেনেকৈ গুৰুৰ দ্বাৰা সংস্কাৰ নোহোৱা ভক্তও ঈশ্বৰৰ সেৱাৰ পাত্ৰ হ'ব নোৱাৰে। সেই কাৰণেই শৰণ সংস্কাৰৰ কথাটো মুখ্য বুলি গণ্য কৰা হয়। মহাপুৰুষীয়া ধৰ্মত শৰণ সংস্কাৰ অপৰিহাৰ্য।

শৰণ গ্ৰহণ এক সংস্কাৰ। ঈশ্বৰ প্ৰাপ্তিৰ এটি সুনিৰ্দিষ্ট পথ। খৰালি দিনত বহু ধৰণৰ বাট-পথ ওলাই তাকে বাটে পোৱালি মেলা বুলি কয়। সেই সকলো পথেৰেও অহা-যোৱা কৰিব পাৰি; কিন্তু বাৰিষা অহাৰ লগে লগে আনবোৰ পথ পানীত বুৰ গৈ চিন নোহোৱা হৈ কেৱল নিৰ্দিষ্ট পথটোহে থাকে। শৰণ নোহোৱা লোক প্ৰকৃত পথটো চিনি নাপাই খৰালি বাটে পোৱালি মেলা বাটেৰে বাট বুলাৰ নিচিনা; বাৰিষা হ'লেই সেইবোৰ বাট নোহোৱা হয়। জীৱই কৰ্মফল অনুযায়ী বিভিন্ন যোনিত জন্ম ল'বলগা হয় আৰু সেই কৰ্মফল অনুসাৰে জীৱই সংস্কাৰ অবিহনে খৰালি বাটেৰে বাট বুলাৰ দৰে বাট বুলে আৰু যেতিয়া বাৰিষা অৰ্থাৎ দুৰ্দশা আহে তেতিয়া পথ অৰ্থাৎ উপায় হেৰুৱাই পথভ্ৰষ্ট হৈ দুৰ্দশাগ্ৰস্ত হয়। প্ৰকৃত গুৰুৰ ওচৰত গুৰুসেৱাৰ দ্বাৰা শৰণৰ বিষয়ে শিক্ষা লৈ সংস্কাৰ হোৱাটো মহাপুৰুষীয়া ধৰ্মৰ বিধান। সেইবাবে কোৱা হৈছে—

"শৰণেসে নিজ ভকতিৰ বীজ
প্ৰেমানন্দ তাৰ ফল।
শৰণ বিনাই ভকতি কৰয়
স্ৰৱে যেন এৱাঘটৰ জল।।
— ভাগৱত

ল'ৰা-ছোৱালীবোৰক যিমান সোনকালে পৰা যায় শৰণ সংস্কাৰ কৰাব লাগে। পৰাপক্ষত সকলোকে প্ৰেৰণাৰে প্ৰেৰিত কৰিব লাগে। গুৰুজনাই সকলোকে আহ্বান দিছিল— ছোৱা, বোবা-খোৰাইও ঈশ্বৰৰ কৃপাত অসাধ্য সাধন কৰিব পাৰে, হে দুখীয়া, নিচলা, তাপিত, শোষিত, দলিত, পীড়িত তোমালোকো আঁহা, আমি সকলোৱে ঈশ্বৰ সেৱা কৰি ধন্য হওঁ। ধন-ধানেই কেৱল সফলতাৰ কাৰক নহয় বা দৰিদ্ৰই সফলতাৰ বাধক নহয়। গাঁৱৰ দুখীয়া ছাত্ৰ-ছাত্ৰীয়েও কচু-ঢেকীয়া খাইও ভাল ৰিজাল্ট কৰিব পাৰিছে, য'ত হয়তো চহৰৰ চোট-টাই পিন্ধা, পিজা-পিস্তা খোৱাসকলে সদায় ভাল ৰিজাল্ট দেখুৱাব পৰা নাই। সাধনাৰেহে সিদ্ধি লাভ কৰিব পাৰি। গতিকে সফলতাৰ বাবে অধ্যৱসায়ৰ বিকল্প নাই। সাধনা আৰু সিদ্ধিও ঈশ্বৰৰ কৃপাতে সম্ভৱ হয়। আহক, আমি সকলোৱে ঈশ্বৰৰ সেৱাত ব্ৰতী হওঁহঁক।❏❏

## পদাধিকাৰৰ কলম ।। ৰজনীকান্ত দত্ত।।

# আশা আৰু প্ৰত্যাশা
# মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়



শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ইতিহাসত ২০১৩ত খ্ৰীষ্টাব্দৰ ১৮ জুলাই তাৰিখটো এটা স্মৰণীয় দিনৰূপে পৰিচিত হৈ ৰ'ব। লগে লগে অসম বিধান সভাৰ পৱিত্ৰ মজিয়াখনো এই দিনটোৰ পৱিত্ৰ সোঁৱৰণেৰে চিৰ যুগমীয়া হৈ ৰ'ব। এই দিনটোতে অসম বিধান সভাত অসমৰ মাননীয় শিক্ষামন্ত্ৰী ডাঃ হিমন্তবিশ্ব শৰ্মা ডাঙৰীয়া 'মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়' শীৰ্ষক বিধেয়কখন অসম বিধান সভাত মাননীয় সদনৰ অনুমোদনৰ বাবে উত্থাপন কৰে আৰু পৱিত্ৰ সদনত শাসকীয় আৰু বিৰোধী সকলো সদস্যৰ আন্তৰিক সদ্ভাৱনাৰ মাজেৰে বিধেয়কখনৰ কোনো পৰিবৰ্তন নঘটোৱাকৈ সৰ্বসন্মতিক্ৰমে অনুমোদন জনোৱা হয়।

বিধান সভাৰ দৰ্শকৰ গেলাৰিত প্ৰধান সম্পাদক শ্ৰীবাবুল বৰা আৰু দুজনমান মাননীয় সদস্যসহ সেই সময়ত আমি বহি আছিলো। শ্ৰদ্ধাৰ শিক্ষামন্ত্ৰীজনে বিধেয়কখন উত্থাপন কৰাৰ মুহূৰ্তত উল্লেখ কৰা কেইটামান কথাই আমাৰ হৃদয় স্তম্ভত স্পৰ্শ কৰি গৈছিল। তেখেতে কৈছিল—

(১) 'শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়'ৰ যোগেদি গুৰুজনাক সমগ্ৰ বিশ্ববাসীৰ সন্মুখত স্বকীয় ৰূপত উপস্থাপন কৰাৰ প্ৰচেষ্টা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই হাতত লৈছে।

(২) শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সঙ্গীসকলে জীৱনে মৰণে প্ৰতিটো কাৰ্যসূচী শঙ্কৰদেৱ ভাৱনাৰেই যিহেতু ৰূপায়ন কৰি আহিছে, সেয়ে এই বিধেয়কখনৰ কিবা সংশোধন আনিব লাগিব বুলি সদনে কোনো কাৰণতে ভাবিব নালাগে।

(৩) তেখেতৰ অত্যন্ত গুৰুত্বপূৰ্ণ বক্তব্য আছিল এই যে— কেৱল সদ্দিচ্ছা আৰু সদ্ ভাৱনাৰেই নহয়, এই বিশ্ববিদ্যালয়খন যাতে প্ৰকৃত অৰ্থত মহাপুৰুষীয়া আদৰ্শ, মানৱীয় প্ৰমূল্য আৰু যুগজয়ী নৈতিক, আধ্যাত্মিক মহামন্ত্ৰৰ প্ৰেৰণাদীপ্ত প্ৰেম, কৰুণা আদি ৰসেৰে ৰসোত্তীৰ্ণ হৈ উথলি উঠিব পাৰে তাৰ সফলতা কামনা কৰি তেখেতৰ নিজা উপাৰ্জনৰ এমাহৰ দৰমহাৰ ধন এই বিশ্ববিদ্যালয়খনৰ পুঁজিৰ বাবে আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰি সগৌৰৱে সদনৰ মজিয়াতে ঘোষণা কৰে।

লগে লগে মাননীয় বিধায়ক সৰ্বশ্ৰী কেশৱ মহন্ত, ৰেকিবুদ্দিন আহমেদ আৰু জয়ন্ত মল্লভ বৰুৱা ডাঙৰীয়াসকলেও প্ৰতিজনে স্বউপাৰ্জনৰ এমাহৰ দৰমহা আগবঢ়োৱাৰ কথা ঘোষণা কৰে।

স্বদেশ, স্বজাতিক হৃদয়েৰে সৈতে ভালপোৱা এনে বদান্য পুৰুষসকলৰ সেৱাৰ পাৰভঙা মানসিকতাই আমাৰ চকুলৈ সেই সময়ত অশ্ৰুৰ বন্যা নমাই আনিছিল। এনে আদৰ্শই সকলোকে আকৰ্ষিত কৰক। প্ৰতিগৰাকী নিঃস্বাৰ্থ সেৱকৰ হৃদয়ত গুৰুজনাৰ মহান আদৰ্শই ক্ৰিয়া কৰক।

আমি আনন্দত অভিভূত হৈ পৰিছিলো। এফালেদি পোৱাৰ আনন্দ অন্যহাতেদি দৈন্যতাৰ বেদনা। সংঘাত ঃ ইমান আনন্দৰ মাজতো দুঃখ।

শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় কেৱল শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ নহয়। এই বিশ্ববিদ্যালয়খন প্ৰতিজন অসমবাসীৰ বাবেই প্ৰাণৰ মৌ কোঁহ স্বৰূপ। গুৰু শ্ৰীমন্ত শঙ্কৰদেৱ সকলোৰে আপোন। উত্তৰ-পূব ভাৰতৰ প্ৰতিজন লোকৰ বাবে— এই বিশ্ববিদ্যালয়খন এক আশাৰ বতৰা।

এই স্বপ্নৰ অনুষ্ঠানভাগ সঠিকভাৱে ৰূপ দিব লাগিব। সজাই-পৰাই তুলিব লাগিব জগতৰ সভাত গুৰু শ্ৰীমন্ত শঙ্কৰক সুন্দৰ ৰূপত প্ৰতিস্থা কৰিব লাগিব। ইয়াৰ বাবে প্ৰয়োজন ঐকান্তিক সহযোগিতা। এই সহযোগিতা হ'ব লাগিব— কায়িক, মানসিক, বৌদ্ধিক আৰু আৰ্থিক।

এই কৰ্ম সম্পন্ন কৰিবৰ বাবে আমাৰ লগত গুৰুকৃপাভাগ আছে। এতিয়া আমি সকলো পক্ষৰ পৰা সহযোগিতা বিচাৰিছোঁ, বিনম্ৰভাৱে সকলোলোকৰ সেৱা আশা কৰিছোঁ।

**আমাৰ আশা ঃ**

(১) অসমৰ প্ৰতিঘৰ গৃহস্থীয়ে এই বিশ্ববিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত সহায়ক হ'ব পৰাকৈ নিজৰ সাধ্য অনুযায়ী স্বেচ্ছামূলক দান-বৰঙণি আগবঢ়াওক।

(২) এইক্ষেত্ৰত আমি সঙ্ঘৰ প্ৰতিঘৰ গৃহস্থীৰ পৰা গুৰুজনাৰ নামত সেৱা-অৰিহণা স্বৰূপে ২৫০.০০ (দুশ পঞ্চাশ) টকা আগবঢ়াবৰ বাবে সেৱা ধৰিছোঁ।

(৩) অসমৰ প্ৰতিজন চৰকাৰী, বেচৰকাৰী নতুবা অৰ্দ্ধ-চৰকাৰী ৰাজ্যিক নাইবা কেন্দ্ৰীয় চৰকাৰৰ চাকৰিয়ালৰ চৰণত বিনীতভাৱে নিৱেদন কৰিব বিচাৰিছোঁ যাতে তাৰা সমস্তই তাৰাসমস্তৰ এমাহৰ দৰমহা (এক কালিন নতু কিস্তি কিস্তি ৰূপত) এই বিশ্ববিদ্যালয়ৰ পুঁজিৰ অৰ্থে মুক্ত হস্তে আগবঢ়াব।

(৪) অনুৰূপে পেন্সনাৰসকলৰ তৰফৰ পৰাও এই সেৱা আমি আশা কৰিছোঁ।

(৫) অসমৰ প্ৰতিজন প্ৰতিস্থিত ব্যৱসায়ীৰ পৰাও আমি এই মহান অনুষ্ঠানটিৰ উত্তৰণৰ অৰ্থে বুজন পৰিমাণৰ আৰ্থিক দান আশা কৰিছোঁ।

(৬) দেশৰ বাহিৰে ভিতৰে থকা অসম নিবাসী গুৰুপ্ৰেমী ব্যক্তিলৈ আমাৰ সন্নিবন্ধ অনুৰোধ যাতে তেখেতসকলে এই অনুষ্ঠানটিৰ সৰ্বাঙ্গীন কল্যাণৰ অৰ্থে সকলো ধৰণৰ সহায় আগবঢ়ায়।

(৭) অসম বিধান সভাৰ প্ৰতিগৰাকী মাননীয় বিধায়কক তেখেতসকলৰ এমাহৰ দৰমহা বিশ্ববিদ্যালয়ৰ পুঁজিলৈ আগবঢ়াই এই অনুষ্ঠানভাগ যে নিজৰ এই সত্য প্ৰতিপন্ন কৰিবৰ বাবে সানুনয়ে সেৱা ধৰিলো।

(৮) অসমৰ মাননীয় মুখ্যমন্ত্ৰী, বিধান সভাৰ শ্ৰদ্ধাভাজন অধ্যক্ষ আৰু উপাধ্যক্ষ বাপসকলক নিজাববীয়াকৈ পাৰ্যমানে এই অনুষ্ঠানৰ কল্যাণৰ অৰ্থে আৰ্থিক সেৱা আগবঢ়াবলৈ আমি সেৱা নিবেদন কৰিছোঁ।

(৯) অসমৰ ১৪ গৰাকী লোকসভাৰ মাননীয় সাংসদ আৰু ৬গৰাকী ৰাজ্যসভাৰ সদস্যৰ পৰাও আমি

(৫ পৃষ্ঠাত চাওক)

Âòò:[ñÂ]] ßÂ:-

(৪ পৃষ্ঠাৰ পৰা)

তেখেতসকলৰ এমাহৰ দৰমহা বিশ্ববিদ্যালয়ৰ পুঁজিৰ বাবে আগবঢ়াই কৃতাৰ্থ কৰিবৰ বাবে সেৱা ধৰিছোঁ।

(১০) জাতি-বৰ্ণ, ভাষা-ধৰ্ম নিৰ্বিশেষে পূৰ্বোত্তৰৰ সকলো শ্ৰেণীৰ লোকৰ প্ৰতিগৰাকী বৰেণ্য ব্যক্তিৰ পৰাই আমি শ্ৰীমন্ত শঙ্কৰদেৱৰ গুৰুজনাৰ নামত প্ৰতিষ্ঠা কৰিবলৈ লোৱা এই বিশ্ববিদ্যালয়খনৰ বাবে প্ৰয়োজনীয় অৰ্থকে প্ৰমুখ্য কৰি বিভিন্ন সা-সামগ্ৰী দান পোৱাৰ মানসেৰে সকলোলৈকে বিনম্ৰ সেৱা নিবেদন কৰিছোঁ।

(১১) মহাপুৰুষীয়া আদৰ্শৰ যিমানবোৰ অনুষ্ঠান-প্ৰতিষ্ঠান আছে সেই সমূহলৈ আমাৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰি জনাব খুজিছোঁ যাতে তাৰা সমস্তই 'শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয়'খনক নিজৰ বুলি অকপটে ভাবি লৈ সকলো দিশতে অভিভাৱকত্ব গ্ৰহণৰ বাবে আগবাঢ়ি আছে।

অসম সত্ৰ মহাসভা, একশৰণ ভাগৱতী সমাজৰ কেউটা শাখা, নামধৰ্ম সমাজ, মহাপুৰুষীয়া সমাজ, শঙ্কৰদেৱৰ সচেতন মঞ্চকে প্ৰমুখ্যে কৰি সকলোবোৰ সংস্থা আৰু সংগঠনে একত্ৰ প্ৰয়াসেৰে গুৰুজনাৰ নামত প্ৰতিষ্ঠা হ'বলগা এই বিশ্ববিদ্যালয়খনক বিশ্ব বন্দিত এটি অগ্ৰনী অনুষ্ঠানলৈ ৰূপান্তৰ ঘটাব পৰাকৈ সকলো ধৰণৰ সহযোগিতা আগবঢ়াবৰ বাবে আমি অতি বিনীতভাৱে আহ্বান জনাব খুজিছোঁ।❏❏

# গুৰুধৰ্ম প্ৰচাৰৰ উপলক্ষ্যে মুম্বাইত চাৰিদিন

**আনন্দ কুমাৰ বৰা**

জুলাই মাহৰ ৪ তাৰিখ। আকাশীযানেৰে দিনৰ ৩.৪০ বজাত গুৱাহাটী গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰা যাত্ৰা কৰিছিলো মুম্বাইলৈ। উদ্দেশ্য আছিল মুম্বাইত বসবাস কৰা অসমীয়া লোকসকলৰ লগত সমন্বয় স্থাপন কৰি তেওঁলোকৰ সহযোগত আৰু শ্ৰীমন্ত শঙ্কৰদেৱসঙ্ঘৰ উদ্যোগত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৬৫ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱৰ লগত সংগতি ৰাখি এটি গুৰুত্বপূৰ্ণ কাৰ্যসূচী ৰূপায়ন কৰা। বিশেষকৈ মহাপুৰুষ গৰাকীৰ ধৰ্মাদৰ্শ, সাহিত্য, সংস্কৃতি প্ৰচাৰ-প্ৰসাৰ কৰা। এই মহান উদ্দেশ্য বাস্তৱত প্ৰতিফলিত কৰিবলৈ আগতীয়াকৈ মুম্বাইৰ প্ৰবাসী অসমীয়া লোকসকলৰ লগত আলোচনা কৰিবলৈ এই যাত্ৰা কৰা হৈছিল। লগত আছিল শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰচাৰ শাখাৰ সভাপতি শ্ৰীযুত চন্দ্ৰ হাজৰিকা। বাৰিষাৰ ঘন কলীয়া ডাৱৰবোৰ ভেদ কৰি আগবঢ়া আমাৰ আকাশীযানখন এঘণ্টাৰ ভিতৰতে কলিকতাৰ সুভাষ বসু আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত অৱতৰণ কৰিছিল। পুনৰ এঘণ্টাৰ পিছত যানখন মুম্বাইৰ ছত্ৰপতি শিৱাজী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত আমি ভৰি দিলো। আধুনিক বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ কলা-কৌশলেৰে নিৰ্মাণ কৰা সুবৃহৎ আৰু সুন্দৰ বিমান বন্দৰটো দেখি অভিভূত হ'লো।

বিমান বন্দৰৰ পৰা বাহিৰ ওলাই এখন টেক্সি লৈ নভি মুম্বাইৰ খাৰঘৰত বসবাস কৰি থকা আমাৰ একান্ত সুহৃদ পি.এন. বৰগোহাঁইৰ ঘৰলৈ যাত্ৰা কৰিলো। অসমতকৈ ডেৰ-দুই ঘণ্টা পলমকৈ সন্ধ্যা হোৱা মুম্বাই চহৰ সেই সময়ত অতিকৈ ব্যস্ত আছিল। পথত লানি নিছিগা গাড়ীৰ সোঁত। সাত-আঠটা  লেনযুক্ত ৰাস্তাত গাড়ীৰ সমানে ভীৰ। ৰাস্তাৰ কাষত সুউচ্চ অট্টালিকাবোৰ। চাৰিওফালে ৰংচঙীয়া পোহৰৰ মেলা। মায়ানগৰী মুম্বাইৰ যৰ্থাথতে সকলোফালে কেৱল মায়াৰে আবৃত্ত। ৰাতি ১০ বজাত খাৰঘৰৰ ১৮নং চেক্টৰৰ বৰগোহাঁইৰ ঘৰ পালোগৈ। কুৰি মহলীয়া অট্টালিকাটোৰ পৰা বৰগোহাঞিও, তেখেতৰ পত্নী নমিতা আৰু পুত্ৰ জিয়ৰী আমাক আগবঢ়াই নিবলৈ তললৈ নামি আহিল। আমি যোৱা গম পাই কেইবাজনো অসমৰ লোক তালৈকে আহিল। সকলোৰে লগত চা-চিনাকি হ'লো।

৫ জুলাইৰ দিনা মুম্বাইত স্থায়ীভাৱে বসবাস কৰি থকা অসমৰ কেইবাটাও পৰিয়ালৰ গৃহলৈ গ'লো। সকলোৱে বৰ আদৰ-সাদৰ কৰিলে। আমি তালৈ যোৱাৰ উদ্দেশ্যৰ বিষয়ে অৱগত কৰিলে। সকলোৱে জানি ভাল পালে। এই বিষয়ে বিতংভাৱে আলোচনা কৰাৰ আগ্ৰহ প্ৰকাশ কৰিলে। সন্ধ্যা বৰগোহাঞিৰ ঘৰতে ভাগৱত পাঠ-ব্যাখ্যা আৰু আলোচনা সভাৰ আয়োজন হ'ল। খাৰঘৰৰ স্থায়ী প্ৰৱাসী অসমীয়া লোকসকল মিলিত হ'ল। বৰ শ্ৰদ্ধা-ভক্তিৰে ভাগৱতৰ অমৃত কথা শ্ৰৱণ কৰিলে। নজনা কথাবোৰ প্ৰশ্ন সুধি জানি-বুজি ল'লে। ভাগৱত পাঠৰ অন্তত পুনৰ আনুষ্ঠানিকভাৱে আমাৰ আলোচনা আৰম্ভ হ'ল। উপস্থিত সকলো প্ৰবাসী অসমীয়াই মহাপুৰুষ গৰাকীৰ বিষয়ত এভাগি কাৰ্যসূচী ৰূপায়ন কৰাত একমত পোষণ কৰিলে।

৬ জুলাই তাৰিখে পুনৰ বৰগোহাঞিৰ গৃহতে সন্ধ্যা নাম-প্ৰসঙ্গৰ আয়োজন কৰিলে। দিনৰ ভাগত কিছু সময় পায় মুম্বাই দৰ্শনৰ বাবে পুৱাতে যাত্ৰা কৰিলো। এই উদ্দেশ্য খাৰঘৰৰ পৰা স্থানীয় ৰে'ল যোগে চিটি মুম্বাইৰ ছত্ৰপতি শিৱাজী টাৰ্মিনেললৈ যাত্ৰা কৰিলো। মুম্বাইৰ ৰে'লসেৱা অতি উন্নত। সুবৃহৎ খাৰঘৰৰ ৰে'ল ষ্টেচনটো জনতাৰ ভীৰ দেখিলো। দুটা মহলযুক্ত বৃহৎ ষ্টেচনৰ ওপৰত গাড়ী, মটৰ চাইকেলৰ ৰখাস্থান। হাজাৰ সংখ্যক গাড়ী-মটৰ দেখি স্থানীয় সহযাত্ৰী এজনক এই বিষয়ে জানিব বিচাৰিলো। তেওঁ জনালে যে পানভোলৰ পৰা ছত্ৰপতি শিৱাজী টামিনেললৈ প্ৰতি ৫মিনিটৰ মূৰে মূৰে ৰে'ল অহা আৰু যোৱা কৰে। মুম্বাইৰ সৰহসংখ্যক লোকে ৰে'লসেৱাকে গুৰুত্ব দিয়ে। পুৱা ৪ বজাৰ পৰা ৰাতি ১ বজালৈ ৰে'লসেৱা থাকে। অতি কম পইচাৰে, কম সময়ত আৰু প্ৰদূষণমুক্ত এক সুৰক্ষিত যাতায়ত ব্যৱস্থা দেখি অভিভূত হ'লো। আমি যাত্ৰা কৰা অথবা প্ৰতি ৫ মিনিটৰ লগে লগে আমাৰ চকুৰ আগেদি অহা-যোৱা কৰি থকা প্ৰতিখন ৰে'লতে অত্যাধিক যাত্ৰীৰ ভীৰ দেখিলো। লগৰ সহযাত্ৰীজনৰ পৰা জানিলো যে ৰে'লৰ দৰে মুম্বাইৰ মহানগৰ বাছসেৱা অতি জনপ্ৰিয়। পুৱা ৪ বজাৰ পৰা (পুৱাৰ পোহৰ নহয়) ৰাতি ১ বজালৈকে চিটিবাছ চলাচল কৰে। সেইদৰে পথত শীত-তাপ নিয়ন্ত্ৰিত আৰু অনিয়ন্ত্ৰিত টেক্সি চলে। সকলো টেক্সি ফেয়াৰ মিটাৰত চলে। প্ৰতি মিটাৰত কুৰি টকাকৈ লয়। এটকাও বেছিকৈ নলয়। সেইদৰে সুনিৰ্দ্দিষ্ট ভাড়াত অট'ৰিক্সা চলে। অসমৰ দৰে যধে-মধে পইচা নলয়। অথবা যাত্ৰীক চল-কৌশলেৰে বেছি টকা লোৱাৰ প্ৰৱণতা নাই। সেই কথা নিজেও সেই কেইদিনত দেখিলো।

সৰ্ববৃহৎ ৰে'ল ষ্টেচন চি.এচ.টি.ত ৰে'লৰ পৰা নামি টেক্সিৰে প্ৰথমতে ভাৰতবৰ্ষৰ দুৱাৰমুখ তথা ইংৰাজ সাম্ৰাজ্যৰ ৰাজকীয় কীৰ্তি স্তম্ভ 'গেটৱে অৱ ইণ্ডিয়া' অভিমুখে যাত্ৰা কৰিলে।

তেতিয়া দিনৰ ১১ বাজিছিল। 'গেটৱে অৱ ইণ্ডিয়া'ত বিৰ্‌দি বাট পাবলৈ নাই। দেশী-বিদেশী পৰ্যটকে ভৰি আছে। আৰৱ সাগৰৰ নীলিম জলৰাশিৰ ফালে মুখ কৰি সগৌৰৱে জিলিকি থকা কীৰ্তিস্তম্ভটো দেখি পৰম আদিত হ'লো। ইতিহাসৰ পাতত পঢ়া ছবিখন বাস্তৱত দেখি মনৰ ৰং আৰু বিস্ময়ত অভিভূত হ'লো। বীৰদৰ্পে থিয়হৈ থকা 'গেটৱে অৱ ইণ্ডিয়া'ই ইংৰাজ শাসনৰ তথা এশ দুবছৰীয়া ইতিহাস জীৱন্ত কৰি ৰাখিছে। দক্ষিণ মুম্বাইৰ এই এপল বন্দৰতে ১৯১১ চনত ইংলেণ্ডৰ ৰজা পঞ্চম জৰ্জ আৰু ৰাণী হাজাৰেৰে আৰ্হি পদাৰ্পণ কৰিছিল। তেওঁলোকৰ এই ভাৰত ভ্ৰমণৰ স্মৃতি স্থায়ী কৰি ৰাখিবৰ কাৰণে ইংৰাজে এই স্মৃতিসৌধ নিৰ্মাণ কৰিছিল। হালধীয়া বৰণৰ বেচাণ্ট শিলেৰে নিৰ্মাণ কৰা এই কীৰ্তিস্তম্ভটো ১৯১৫ চনত কাম আৰম্ভ কৰি ১৯২৪ চনত ইয়াৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিছিল। তেতিয়াৰ দিনতে একৈশ লাখ টকা খৰচ কৰি নিৰ্মাণ কৰা স্মাৰক চিহ্নটোৱে ইংৰাজসকলৰ শৌৰ্য-বীৰ্যৰ কথা যুগে যুগে ঘোষণা কৰি থাকিব।

'গেট্‌ৱে অৱ ইণ্ডিয়া'ৰ নিচেই কাষতে মুম্বাইৰ মুকুট সদৃশ 'তাজমহল পেলেচ'। শতবৰ্ষ গৰকা এই তাজ হোটেলতে পাকিস্থানী সন্ত্ৰাসবাদীয়ে আক্ৰমণ চলাইছিল। পঞ্চ তাৰকাযুক্ত সুন্দৰ প্ৰাসাদোপম হোটেলখনৰ কাষত বৈ নিজকে ধন্য মানিলো। 'গেটৱে অৱ ইণ্ডিয়া'ৰ কাষত বৈ থাকোতে দেখিলো সাগৰৰ বুকুত সৰু-বৰ অলেখ জাহাজ। লগতে দেখিলো বহু সংখ্যক ফেৰী। তাত যাত্ৰীসকল উঠা-নমা কৰি আছে। ওচৰলৈ গৈহে গম পালো আৰৱ সাগৰৰ বুকুত থকা বিশ্ববিখ্যাত 'এলিফেণ্টা' নামৰ গুহাবোৰ দৰ্শন কৰিবলৈ সেই ফেৰীবোৰত যাত্ৰী যায়। তেনেতে এজন স্থানীয় যুৱক আগবাঢ়ি আহি আমাক এলিফেণ্টাৰ বিষয়ে জনালে আৰু ১৫০ টকা এটি টিকট আগবঢ়ালে। কিন্তু তালৈ যাবলৈ এঘণ্টা সময় লাগিব, সেই কাৰণে আমি টিকচ নল'লো। কাৰণ অহা-যোৱা আৰু চোৱা সকলো মিলি তিনি ঘণ্টা সময় আমাৰ হাতত নাছিল। তথাপি যুৱকজনৰ পৰা এলিফেণ্টাৰ বিষয়ে জানিলো যে ভুখণ্ডৰ ফালে সোমাই অহা আৰৱসাগৰৰ বাহু সদৃশ জলৰাখিৰ মাজত এই দীপটো অৱস্থিত। দ্বীপটো অন্য নাম গুহানগৰী। দুখন পাহাৰৰ সমষ্টিৰে গঠিত এই দ্বীপৰ সমতল অংশত দুখন গাঁও আছে। মূল গুহাটোত এটা শিৱমন্দিৰ আছে। খ্ৰীষ্টীয় পঞ্চমৰ পৰা অষ্টম শতিকাৰ ভিতৰত নিৰ্মাণ কৰা এই শিৱধামৰ ভাস্কৰ্যসমূহ বিশিষ্ট মানযুক্ত। এই অনুপম ভাস্কৰ্যক ১৯৮৭ চনত বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে স্বীকৃতি প্ৰদান কৰে। এসময়ত এইদ্বীপটো পতুৰ্গীজ ঔপনিবেশিক শাসনৰ কৱলত আছিল। তেওঁলোকে এটা বৃহৎ শিল কাটি হাতীৰ মূৰ্তি সাজিছিল। তাৰ বাবেই দ্বীপটোৰ নাম এলিফেণ্টা ৰাখিছিল। ভৱিষ্যতে কেতিয়াবা আহিলে পুনৰ চাবলৈ যোৱাৰ আশা ৰাখি আমি এখন ফেয়াৰ টেক্সিৰে মেৰীনডাইদলৈ গ'লো। আৰৱ সাগৰৰ পাৰটো শিলেৰে বন্ধোৱা। তাতো বহু দেশী-বিদেশী আৰু স্থানীয় লোকে গিজ্‌গিজাই আছে। পৰ্যটকসকলৰ বহাৰ সুন্দৰ ব্যৱস্থা আছে। কাষত সাগৰৰ নীলা জলৰাশি সাগৰীয় ঢৌৰ উত্তাল তৰংগমালা দেহ-মন জুৰ পৰা বতাহ। এই সকলো মিলি থকা এই ৰম্যভূমিত সকলোৱে অকণমান বহি মনৰ প্ৰশান্তি লাভ কৰে। আমিও অকণমান সময় বহি দেহ-মনৰ শান্তি ল'লো। তাৰ পৰা পুনৰ যাত্ৰা কৰিলো মুম্বাইৰ আটাইতকৈ ওখ অকল মালাৱৰ হিললৈ। তাতেই হেনো ভাৰতবৰ্ষৰ অতি ধনী মানুহবিলাক থাকে। সাগৰৰ কাষৰ সেই পাহাৰটোতে আছে 'হেংইং গাৰ্ডেন'। চৰকাৰী নাম 'ফিৰোজ শ্বাহ মেহতা উদ্যান'। এখন বৃহৎ আৰু সুন্দৰ উদ্যান। চালে চকু ৰোৱা, এই উদ্যানখনত দেখিলো জোপোহা গছ কাটি বিভিন্ন জীৱজন্তুৰ ৰূপ নিৰ্মাণ কৰি থৈছে। হাতী, বাঘ, বান্দৰ আদি অনেক জীৱজন্তুৰ প্ৰতিৰূপ আছে।  তাতে খেতিয়ক এজনে এহাল গৰুৰে হাল বাই থকা দৃশ্যও গছৰ দ্বাৰা কাটি থোৱা দেখিবলৈ পালো। বৰ্ষাকাল হোৱাৰ কাৰণে নানা তৰহৰ ফুল ৰূপ সৌন্দৰ্য দেখিবলৈ নাপালো। তাৰ পৰা মুম্বাই চিটিবাছত চি.এচ.টি.লৈ ঘূৰি আহিলো। মুম্বাই ৰে'লত উঠি চি.এচ.টি.ৰ পৰা পুনৰ খাৰঘৰলৈ যাত্ৰা কৰিলো। সময়ৰ অভাৱত মুম্বাইৰ চাবলগা বহু ঠাই চাব নোৱাৰিলো। বিশেষকৈ 'বান্দ্ৰা বৰলি সমুদ্ৰ সেতু' ইছিলউৱন্ত, বম্বে মিউজিয়াম, জুহুবীচ, বম্বে হাইক'ৰ্ট, চেণ্টেল পাৰ্ক, পামবীৰ পাৰ্ক, হাজী আলি দৰ্‌গাহ আদি পৰ্যটকৰ বাবে বহুটো আকৰ্ষণীয় ক্ষেত্ৰ মুম্বাইত আছে।

বিয়লি ৪ বজাত খাৰঘৰ পালোহি। পি.এন. বৰগোহাঞিৰ সৈতে ওচৰতে থকা ছ'পিংম'ল 'ডিৰ্মাট'লৈ গ'লো একে ঠাইতে প্ৰয়োজনীয় সকলো বস্তু। মুম্বাইত ফলমূল আৰু শাক-পাচলিৰ দান আমাৰ অসমৰ তুলনাত প্ৰায়ে একে। পকা অমিতা কিলো ৩০/৪০ টকা, জাহাজী কলৰ ডজন ৩৬/৩৮ টকা। অৱশ্যে অসমৰ তুলনাত ফলবিলাকৰ সোৱাদ বেছি। দাইল, আলুতকৈ চাউলৰ দাম বেছি দেখিলো। সকলো চাউলৰ দাম ৪০টকাৰ ওপৰত। যিহেতু নিত্য প্ৰয়োজনীয় সকলো বস্তু মুম্বাইলৈ বাহিৰৰ পৰা যায়, বিশেষকৈ আগলি কলপাত এটুকুৰাৰ মূল্য ১০টকা বুলি শুনিহে আচৰিত হ'লো।

সেইদিনা সন্ধ্যা বৰগোহাঞিৰ ঘৰতে এভাগি পৰমমঙ্গল নামৰ আয়োজন হ'ল। অসমীয়া বহুসংখ্যক পৰিয়ালে যোগদান কৰিলে। আসন প্ৰতিষ্ঠা, শৰাই সজোৱা, নাম-প্ৰসঙ্গ আদি সকলো পদ্ধতি তেওঁলোকে শিকি-বুজি ল'লে। পৰম সাত্ত্বিকতাৰে সকলোৱে নাম ল'লে। হৰিনামৰ ধ্বনিৰে মুম্বাইৰ আকাশ-বতাহ ৰজনজনাই গ'ল।

৭ জুলাই তাৰিখে পুৱা ১০ বজাৰ পৰা খাৰঘৰৰে স্থায়ী বাসিন্দা শ্ৰীদীপক গোহাঞিৰ ঘৰত ভাগৱত ব্যাখ্যাৰ আৰু আমাৰ আলোচনাৰ এটি কাৰ্যসূচী অনুষ্ঠিত হ'ল। এই অনুষ্ঠানত অসমীয়া বৈষ্ণৱ সমাজ, খাৰঘৰ, আৰু 'অসমীয়া সমাজ' পানভেলৰ বিষয়ববীয়া আৰু বহুসংখ্যক প্ৰৱাসী লোক সমবেত হ'ল। লগতে অসম সাংস্কৃতিক মঞ্চ, মুম্বাই (Assam Cultural

(১২ পৃষ্ঠাত চাওক)

# মণিকাঞ্চন বাৰ্তালোচনীৰ ইতিহাস

### শোভন চন্দ্ৰ শইকীয়া

**গঠন কাল, লক্ষ্য আৰু উদ্দেশ্য ঃ**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ সংবিধানত সন্নিবিষ্ট উদ্দেশ্যসমূহ ৰূপায়ণৰ অন্যতম আহিলা হিচাপে এখন বাৰ্তালোচনী প্ৰকাশৰ প্ৰয়োজনবোধ কৰা হয়। সঙ্ঘৰ সঙ্গী সকলৰ পৰামৰ্শৰ ভিত্তিত পদাধিকাৰ শ্ৰীযুত কৰুণাকান্ত কলিতাই সাহিত্য শাখাৰ এখন বৈঠকত 'নাম-ধৰ্ম'ৰ উপৰি এখন বাৰ্তালোচনী প্ৰকাশ সম্পৰ্কে চিন্তা-চৰ্চ্চা কৰিবলৈ সদস্যসকলক পৰামৰ্শ আগবঢ়ায়। এই পৰামৰ্শৰ ভিত্তিতে ৰূপনগৰত অনুষ্ঠিত সাহিত্য শাখাৰ এখন বৈঠকত 'মণিকাঞ্চন' নামেৰে এখন বাৰ্তালোচনী প্ৰকাশৰ প্ৰস্তাৱ গ্ৰহণ কৰি মূল কাৰ্যনিৰ্বাহক সভাৰ ২২/০৮/৯৩ তাৰিখে ৰূপনগৰত অনুষ্ঠিত বৈঠকে বিষয়টোৰ ওপৰত বিতংভাৱে আলোচনা কৰি 'মণিকাঞ্চন' নামে মাহেকীয়া বাৰ্তালোচনী এখন প্ৰকাশৰ সিদ্ধান্ত কৰে আৰু সেই সম্পৰ্কে এখন উপবিধি প্ৰস্তুত কৰিবলৈ ড° ধৰ্মেশ্বৰ চুতীয়া, গোপাল কলিতা, ভবেন্দ্ৰনাথ ডেকা আৰু দেবেশ্বৰ কলিতাক দায়িত্ব দিয়ে। তেখেতসকলে প্ৰস্তুত কৰি দিয়া উপবিধিখন সাহিত্য শাখাৰ অনুমোদনক্ৰমে বিশ্বনাথ চাৰিআলিত 6û11û93 তাৰিখে অনুষ্ঠিত মূল কাৰ্যনিৰ্বাহক সভাত আলোচনাৰ বাবে দাঙি ধৰা হয়। সভাই উপবিধিখন সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে আৰু সঙ্ঘৰ সংবিধান আৰু উপবিধিৰ নিয়মানুযায়ী এখন বাৰ্তালোচনী প্ৰকাশন সমিতি গঠন কৰি দিয়ে। সমিতিৰ সদস্য সকলĐ

উপদেষ্টা ঃ সোণাৰাম চুতীয়া, মোহন মহন্ত, ড° পূৰ্ণানন্দ শইকীয়া

সভাপতি ঃ ভবেন্দ্ৰনাথ ডেকা

সম্পাদক -মণিকাঞ্চন ঃ ড° ধৰ্মেশ্বৰ চুতীয়া

প্ৰকাশক ঃ মুখ্যেশ্বৰ শইকীয়া, প্ৰধান সম্পাদক

সদস্য ঃ ভৱপ্ৰসাদ চলিহা, গোপাল কলিতা, দেৱেশ্বৰ কলিতা, উপেন্দ্ৰনাথ বৰা, ড° মাধৱ দাস

'মণিকাঞ্চন' বাৰ্তালোচনীৰ প্ৰথম সংখ্যাতেই উল্লেখ কৰা হৈছিল, এই বাৰ্তালোচনীয়ে ধৰ্মৰ বিভিন্ন দিশত আলোকপাত কৰিব পৰা নানা ৰচনা, ধৰ্ম প্ৰচাৰকসকলৰ জীৱনালেখ্য, অপ্ৰকাশিত ধৰ্মগ্ৰন্থ, অপ্ৰকাশিত পুথি আদি প্ৰকাশ কৰা হ'ব। গুৰুধৰ্ম শুদ্ধ ৰূপত প্ৰচাৰ আৰু প্ৰসাৰৰ দিশত যৎপৰোনাস্তি চেষ্টা চলাব।

(দ্ৰষ্টব্য ঃ প্ৰধান সম্পাদকৰ গোহাৰি 17 ফেব্ৰুৱাৰী 1998)

**মণিকাঞ্চনৰ নিয়মাৱলী** *(উদ্বোধনী সংখ্যাৰ পৰা উদ্ধৃত)*

1। মণিকাঞ্চন প্ৰতি ইংৰাজী মাহৰ 15 তাৰিখে প্ৰকাশ কৰা হ'ব।

2। মণিকাঞ্চন প্ৰতিসংখ্যাৰ মূল্য 3.00 (তিনি) টকা আৰু বাৰ্ষিক বৰঙণি 30.00 (ত্ৰিশ) টকা ধাৰ্য কৰা হৈছে।

3। এজেণ্টসকলক শতকৰা 25.00 (পঁচিশ) টকা কমিচন দিয়া হ'ব।

4। এজেণ্ট হ'বলৈ ইচ্ছুক ব্যক্তিয়ে নিজৰ নিজৰ এলেকাত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ জিলা শাখাৰ সম্পাদকৰ জৰিয়তে প্ৰকাশন শাখা সমিতিৰ সম্পাদকলৈ আবেদন কৰিব পাৰিব।

5। মহাপুৰুষীয়া ধৰ্ম, দৰ্শন, সাহিত্য, সংস্কৃতিৰ ওপৰত আলোকপাত কৰি যি কোনো বিষয়ত লিখা মৌলিক লেখা মণিকাঞ্চনত প্ৰকাশ কৰা হ'ব।

6। প্ৰাথমিক শাখাৰ পৰা পৰ্যায়ক্ৰমে জিলা শাখালৈকে সাংগঠনিক বা-বাতৰিসমূহ সহজ সৰল ভাষাত সংক্ষিপ্তকৈ লিখি প্ৰকাশৰ বাবে জিলা শাখাৰ প্ৰত্যায়িত পত্ৰ সহ পঠিয়াব লাগিব।

7। মণিকাঞ্চন সম্পৰ্কীয় যিকোনো যোগাযোগ কাৰ্যালয়ৰ ঠিকনাত কৰিব।

**উদ্বোধনী অনুষ্ঠান ঃ**

17 ফেব্ৰুৱাৰী 1994 চনত সংঘৰ 63 সংখ্যক বিশ্বনাথ চাৰিআলি অধিবেশনৰ প্ৰতিনিধি সভাৰ বৈঠকত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘই প্ৰকাশ কৰা মাহেকীয়া বাৰ্তালোচনী 'মণিকাঞ্চন'ৰ উদ্বোধনী সংখ্যা উন্মোচন কৰে পদাধিকাৰ কৰুণা কান্ত কলিতাই। স্থান - বিশ্বনাথ চাৰিআলিৰ আঞ্চলিক বৰনামঘৰ।

**প্ৰকাশন সমিতিসমূহ ঃ** দ্বিতীয় বছৰ (1995)

উপদেষ্টা ঃ ড° পূৰ্ণানন্দ শইকীয়া, ড° ধৰ্মেশ্বৰ চুতীয়া, ভব প্ৰসাদ চলিহা

সভাপতি ঃ দেবেশ্বৰ কলিতা

সম্পাদক ঃ হৰি প্ৰসাদ হাজৰিকা

সম্পাদক (মণিকাঞ্চন) ঃ ভবেন্দ্ৰনাথ ডেকা

প্ৰকাশক ঃ মুখ্যেশ্বৰ শইকীয়া (প্ৰধান সম্পাদক)

(১২ পৃষ্ঠাত চাওক)

# আদৰ্শ নাৰী আই খেৰসুতী

### দিপালী চেতিয়া বৰগোহাঁই

আই খেৰসূতী, স্বনামধন্য এই গৰাকী মহীয়সী নাৰী পৃথিৱীৰ সমগ্ৰ মাতৃ জাতিৰ বাবে এক আদৰ্শ স্বৰূপ। সন্তান জন্ম দি এগৰাকী নাৰী মমতাময়ী মাতৃলৈ ৰূপান্তৰিত হয় আৰু সেই সন্তানক উপযুক্ত শিক্ষা-দীক্ষা প্ৰদান কৰি প্ৰকৃত মানুহ হিচাপে গঢ়ি তুলিব পাৰিলেহে মাতৃত্বই পূৰ্ণতা লাভ কৰে। এনে এক মাতৃত্বৰ গৌৰৱেৰে গৌৰৱান্বিত খেৰসূতী আই।

এই গৰাকী মহান মাতৃ খেৰসূতী আইৰ পিতৃৰ নাম আছিল ৰামগিৰি চৌধুৰী আৰু মাতৃৰ নাম জয়ন্তী। কথিত আছে খেৰসূতী জন্মৰ সময়ত মাক জয়ন্তীক ধানখেৰৰ ওপৰত শুৱাই থৈছিল। সন্তান জন্মৰ পিছতো নৱজাতক কন্যা সন্তানটিকো প্ৰথমে ধানখেৰৰ ওপৰত শুৱাই থোৱাৰ বাবে তেওঁৰ নাম হ'ল খেৰসূতী। খেৰসূতী আঢ্যৱন্ত পৰিয়ালৰ জীয়ৰী আছিল। চাৰিগৰাকী বাই-ভনীৰ মাজত তেওঁ ডাঙৰ আছিল। তেওঁৰ ভনীয়েক কেইগৰাকী হ'ল ক্ৰমে— গুটিমালী, সুভদ্ৰা আৰু সুভাগা। উপযুক্ত বয়স হোৱা খেৰসূতীক সূৰ্যবৰ শিৰোমণি ভূঞাঁলৈ বিয়া দিয়ে। সূৰ্যবৰ আঢ্যৱন্ত মাটিগিৰী পৰিয়ালৰ সন্তান আছিল। গুৰু শঙ্কৰদেৱে ককাক সূৰ্যবৰ আৰু দেউতাক কুসুম্বৰৰ পৰিচয় দি লিখিছে—

"বৰদোৱা নামে গ্ৰাম বটদ্ৰৱা যাৰ নাম
লোহিত্যৰ জলে অনুকূল।
ভৈলা সেহি গ্ৰামেশ্বৰ যাৰ নাম ৰাজধৰ
কায়স্থ কুলৰ পদ্মফুল।।
তান পুত্ৰ সূৰ্য্যবৰ মহা বড় বংশধৰ
দানী মানী পৰম বিশিষ্ট।
যাৰ যশ এভো জলৈ জয়ন্ত মাধৱ দলৈ
দুই ভাই যাহাৰ কনিষ্ঠ।।
তান পুত্ৰ কুলোজাৰ ভৌমিক মধ্যত সাৰ
প্ৰসিদ্ধ কুসুম নাম যাৰ।
তান সুত শিশুমতি কৃষ্ণ পাৱে পৰি নতি
বিৰছিল শঙ্কাৰ পয়াৰ।।

— ভাগৱত

বিয়াৰ বহু দিনলৈকে কোনো সতি-সন্ততি নোহোৱাত সূৰ্যবৰে "সৱে দেৱতাক পূজা কৰি পুত্ৰ বৰ মাগিলে। পূজাত সন্তোষ হৈ দশোদিগ্‌পালে কুসুম বৃষ্টি কৈ বৰ দিলে।" ফলত কালক্ৰমত তেওঁলোকৰ এটি পুত্ৰ সন্তান উপজে আৰু সেই সন্তানটিৰ নাম থ'লে কুসুম্বৰ। সৰুৰে পৰা খেৰসূতী আয়ে কুসুম্বৰ ভূঞাক নানান শিক্ষা-দীক্ষাৰে গুণী-জ্ঞানী কৰি এজন দক্ষ শিৰোমণি ভূঞা কৰি গঢ়ি তুলিছিল। সঙ্গীতত তেখেতৰ প্ৰচুৰ ব্যুৎপত্তি আছিল। গুৰুজনাই দেউতাক কুসুম্বৰৰ বিষয়ে এইদৰে লিখিছে— "বংশতে প্ৰখ্যাত গন্ধৰ্ব সাক্ষাৎ, জগতে বখানে যাক।"

উপযুক্ত বয়সত সূৰ্যবৰ আৰু খেৰসূতী আয়ে অনিৰুদ্ধ ভূঞাৰ ৰূপৱতী, গুণৱতী কন্যা সত্যসন্ধাৰ লগত কুসুম্বৰৰ বিয়া পাতি দিয়ে। বহু বছৰৰ পিছত কুসুম্বৰৰ আৰু সত্যসন্ধাৰ এটি পুত্ৰ জন্মে। এই পুত্ৰ সন্তানটিয়ে হৈছে জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱ।

শঙ্কৰদেৱৰ জন্মৰ ছমাহমানৰ পাছতে খেৰসূতীৰ স্বামী সূৰ্যবৰ ইহলীলা সম্বৰণ কৰে। তাৰ কেইবছৰমান পিছতে পুত্ৰ কুসুম্বৰ আৰু পুত্ৰবধু সত্যসন্ধাৰো মৃত্যু হয়। স্বামীহাৰা খেৰসূতী আয়ে বৈধব্য যন্ত্ৰণা বুকুত বান্ধি ঘাটমাউৰা হোৱা শঙ্কৰদেৱ আৰু কুসুম্বৰৰ দ্বিতীয়া পত্নী অনুধৃতিৰ গৰ্ভত জন্ম হোৱা হলধৰ বা বনগঞাৰো লালন-পালনৰ দায়িত্ব নিজে কান্ধ পাতি লৈছিল।

বুঢ়ীমাক হিচাপে খেৰসূতী আই আতি মৰমিয়াল, দায়িত্বশীল আৰু বিদ্যানুৰাগী মহিলা আছিল। বুঢ়ীমাকৰ মৰমৰ মাজত থাকি বালক শঙ্কৰদেৱ উমলি-জামলি কাল কটাইছিল। বাৰ বছৰ বয়সলৈকে পঢ়াশুনাৰ প্ৰতি ধাউতি নেদেখি খেৰসূতী আই বৰ চিন্তিত হৈ শঙ্কৰক তিৰস্কাৰো কৰিছিল। গুৰুচৰিত মতে— "আৰু এক দিনা আত্ৰ গুৰুজনক স্নান ভোজন কৰাই তৈল দি বোলে টামন, তোৰ আৰু পঢ়িবৰ মন নাই। ভণ্টা খেড়ি গৰু জাকতহে চিত্ত। বাৰে বৎসৰীয়া হলিক। আমাৰ বংশত অপণ্ডিত নাই। তই মূৰ্খ হ'ব খুইছনে? দৈৱজ্ঞে চাই পণ্ডিত হ'ব বুলি ক'লে, সিও দেখো মিছা হ'ল। আমাৰেসে কৰ্ম তৰে, পণ্ডিতৰো বাক্য লৰে। ৰাজাক স্বদেশেতে পূজে, বিদ্যাৱন্ত সৰ্বদেশে পূজ্য। মাতা শত্ৰুঃ পিতা বৈৰী, যেন বলো ন পাঠিত ঃ সভামধ্যে ন শোভন্তে হংসমধ্যে বকো যথা।"

পঢ়াশালিৰ মুখ নেদেখা বুঢ়া আইতাকৰ মুখত জ্ঞান গম্ভীৰ কথাই শঙ্কৰদেৱৰ মনত গভীৰ ৰেখাপাত কৰিলে। আইতাকৰ মৰমত বশ হৈ "শঙ্কৰে বোলে আইচোন পঢ়িব পাৰো নপাৰো পঢ়াশালিত থোৱানি।" নাতিয়েকৰ মুখত এনে সন্মতিসূচক বাক্য শুনি আইতাকৰ মন আনন্দত উথলি উঠিল। তাৰ পিছত ভাদ মাহৰ এটা শুভদিনত আইতাকে শঙ্কৰক মহেন্দ্ৰ কন্দলি টোললৈ বিদ্যাৰম্ভ কৰাবলৈ নিয়াৰ বৰ্ণনা চৰিত পুথিত এনেদৰে আছে— "পাছে আত্ৰ দাসী জোৰাই চাউল এপাচি, টকা এটি, বস্ত্ৰ আগত লৈ গল। পাচে কন্দলিয়ে আথে-বেথে সুধিলে, আই কিয় অহা গল? বোলে ছৱাটি পঢ়াই দিয়া, বাপু। পাচে বঢ়া বহা আছিল। তাকে আওতাই দিয়ালে। তাতে চৰু জুৰিলে। পাচে বিপ্ৰে সজ বাৰ তিথি চাই ফলি দিলে।"

এইখিনিতে উল্লেখনীয় যে শঙ্কৰদেৱৰ দেউতাক অৰ্থাৎ কুসুম্বৰৰ মৃত্যুৰ পিছত শিৰোমণি ভূঞা দায়িত্ব লৈ কুসুম্বৰৰ দদায়েক জয়ন্ত দলৈয়ে ৰাজকাৰ্য চলাইছিল। সেই সময়ৰ পুৰুষ প্ৰধান সমাজৰ আঢ্যৱন্ত ভূঞা পৰিয়ালত বহুতো গুণী-জ্ঞানী পুৰুষ থকাৰ পিছতো শিক্ষাৰ মোল বুজি পোৱা আইতাক খেৰসূতীয়ে ধিতিঙালি কোবাই ফুৰা নাতি শঙ্কৰৰ মনত অতি কৌশলেৰে পঢ়াশুনাৰ প্ৰতি ধাউতি বঢ়াবলৈ যি জ্ঞান গৰ্ভ কথা কৈছিল ই সমগ্ৰ মাতৃ জাতিৰ বাবে অতি তাৎপৰ্যপূৰ্ণ। আনহে নালাগে খেৰসূচী আয়ে নিজেই শঙ্কৰক লগত লৈ গুৰুৰ টোললৈ গৈ গুৰুৰ ওচৰত বিদ্যাৰম্ভও কৰাইছিল। এইখিনিতে খেৰসূতীৰ সন্তানৰ প্ৰতি যি মহান দায়িত্ব তাক পালন কৰি আদৰ্শ মাতৃত্বৰে মহীয়ান হৈছে।

অৱশেষত গুৰুৰ ওচৰত সফলতাৰে শিক্ষা সাং কৰি শঙ্কৰদেৱ ঘৰলৈ আহি পাৰিবাৰিক দায়-দায়িত্ব কান্ধ পাতি ল'বলগীয়া হয়। ডেকা বয়সতে শিৰোমণি ভূঞাৰ পদৰ গৰাকী হোৱাত মানুহে তেওঁক 'ডেকাগিৰী' বুলি ক'বলৈ ধৰিলে। প্ৰায় ঐকৈশ বছৰ বয়সত বুঢ়ীমাক খেৰসূতী আৰু পৰিয়ালৰ আন লোকৰ উদ্যোগত হৰিবৰগিৰীৰ কন্যা সূৰ্যৱতী লগত বিবাহ পাশত আৱদ্ধ হয়। বিয়াৰ তিনি বছৰৰ পিছত সূৰ্যৱতীয়ে মনু নামৰ কন্যা সন্তান এটি জন্ম দি মৃত্যুমুখত পৰে। মাতৃহীনা মনুকো খেৰসূতী আইৰ তত্ত্বাৱধানত ডাঙৰ-দীঘল কৰিছিল। মনুক ন বছৰ বয়সত ৰামচন্দ্ৰ কায়স্থৰ পুত্ৰ হৰিলৈ বিয়া দি শঙ্কৰদেৱ তীৰ্থ ভ্ৰমণলৈ ওলাল। বাৰ বছৰীয়া তীৰ্থযাত্ৰাৰ অন্তত শঙ্কৰদেৱ পুনৰ ঘূৰি ঘৰ আহি পোৱাত আইতাক খেৰসূতী অতি আনন্দিত হ'ল। বুঢ়ীমাক খেৰসূতী তেতিয়া আলৰ বুঢ়ী, নাৰীসুলভ সকলো গুণেৰে পৰিপূৰ্ণা সুস্বাস্থ্যৰ অধিকাৰিনী খেৰসূতী আই অৱশ্যে শঙ্কৰদেৱৰ তীৰ্থ ভ্ৰমণৰ ঘূৰি অহাৰ কিছুদিনৰ পিছতেই ইহলীলা সম্বৰণ কৰে।

অসমীয়া সাহিত্য জগতত শঙ্কৰদেৱৰ বুঢ়ীমাক হিচাপেহে পৰিচিত এইগৰাকী মমতাময়ী, তীক্ষ্ণ বুদ্ধিসম্পন্না, দায়িত্বশীলা আৰু বিদুষী মাতৃ খেৰসূতী আইৰ জীৱন পৰিক্ৰমা বিশ্বৰ সমগ্ৰ মাতৃ জাতিৰ বাবে আদৰ্শনীয় হৈ ৰ'ব।❑❑

# গুৱাহাটী মহানগৰী জিলা শাখাৰ কৰ্ম-আঁচনি (২০১৩)

১. গুৱাহাটী মহানগৰী জিলা শাখাৰ ৩৫সংখ্যক বৰ্ষৰ সিদ্ধান্ত অনুসৰি দক্ষিণ-পশ্চিম জিলাত হৈ যোৱা মূলৰ ৮২সংখ্যক বাৰ্ষিক অধিৱেশনত ৮/২/১৩ তাৰিখৰ দুপৰীয়াৰ অন্ন আৰু ৰন্ধন বিতৰণ সেৱা আগবঢ়োৱা।

২. জিলা নামঘৰৰ ৮ম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস পালন আৰু প্ৰয়াত বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়াবাপৰ স্মৰণ সভা অনুষ্ঠিতকৰণ।

৩. শৰণ, ভজনৰ অনুষ্ঠান অনুষ্ঠিতকৰণ আৰু মূলৰ নৱ-নিৰ্বাচিত বিষয়ববীয়া/ সদস্য-সদস্যা বাপ-আইসৱক সম্বৰ্ধনা প্ৰদান।

৪. মহাপুৰুষ মাধৱদেৱৰ ৫২৫সংখ্যক আৰিৰ্ভাৱ মহোৎসৱ বগুলা আতা আঞ্চলিক শাখা ডিমৰীয়াত, জিলা শিশু, যুৱ আৰু আই-মাতৃ সমাৰোহ শ্ৰীৰাম আতা আঞ্চলিক শাখা, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৬৫সংখ্যক আৰিৰ্ভাৱ মহোৎসৱ মথুৰা দাস বুঢ়া আতা আঞ্চলিক শাখাত আৰু জিলা শাখাৰ ৩৬সংখ্যক বাৰ্ষিক অধিৱেশন (প্ৰতিনিধিমূলক ভাৱে) ৰামচৰণ ঠাকুৰ আঞ্চলিক শাখাত অনুষ্ঠিতকৰণ।

৫. জিলা শঙ্কৰী সংস্কৃতি প্ৰকল্পৰ আধৰুৱা কাম সম্পূৰ্ণকৰণ।

৬. জিলা নামঘৰৰ ভূমি দাতা প্ৰয়াত লাৱণ্যবালা গোহাঁইৰ আইৰ স্মৃতিচাৰণ দিৱস নাম সমাৰোহেৰে পালন।

৭. জিলা নামঘৰত ভাদমাহত প্ৰতিদিনে আঞ্চলিক, প্ৰাথমিক আৰু সঙ্গী শুভাকাংক্ষী বাপ-আইসৱৰ সহযোগত নাম-প্ৰসঙ্গ, পাঠ আদিৰে পালন, প্ৰতি বুধবাৰে সাংগঠনিক আলোচনা, শিশু আৰু আই-মাতৃ কল্যাণ সমিতিৰ দ্বাৰা পাঠ-প্ৰসঙ্গ আদি, প্ৰতি শুক্ৰবাৰে নামঘৰ পৰিচালনা সমিতিৰ জৰিয়তে ভাগৱত/ ৰত্নাৱলী আদি শাস্ত্ৰ পাঠ আৰু ব'হাগ বিহু, কাতি বিহু, মাঘ বিহু পালন। লগতে শঙ্কৰী সংস্কৃতি কেন্দ্ৰ ৰূপনগৰ নামঘৰত মথুৰা দাস বুঢ়াআতা আঞ্চলিক শাখা আৰু শঙ্কৰী সংস্কৃতি কেন্দ্ৰ পাঞ্জাবাৰী নামঘৰত নাৰায়ণ দাস ঠাকুৰ আতা আঞ্চলিক শাখাৰ দ্বাৰা ভাদ মাহৰ প্ৰতিদিনে পাঠ-প্ৰসঙ্গ আদিৰে পালন।

৮. প্ৰাকৃতিক দুৰ্যোগক ক্ষতিগ্ৰস্ত, আকস্মিকভাৱে দুৰ্ঘটনাগ্ৰস্ত আৰু দুখীয়া, ৰোগীয়া আদি বাপ-আইসৱক আৰ্থিক সাহায্য প্ৰদান কৰাৰ লগতে সমবেদনা জ্ঞাপন কৰা।

৯. আঞ্চলিক শাখাসমূহৰ সহযোগত প্ৰাথমিক শাখাসমূহত (গোট বন্ধন কৰি) সভা অনুষ্ঠিত কৰি সংগঠন অধিক মজবুত কৰা, নতুন প্ৰাথমিক শাখা গঠনৰ চেষ্টা অব্যাহত ৰখাৰ লগতে মূলৰ আৰ্হিৰে প্ৰাথমিক, আঞ্চলিক শাখাৰ নামৰ উপৰি সভাপতি-সম্পাদকৰ নাম, ফোন নম্বৰ সহিতে প্ৰকাশ কৰা (একেখন পুস্তিকাতে জিলাৰ বিষয়ববীয়া, সদস্য-সদস্যা আৰু শাখা সমিতি আদি প্ৰকাশৰ দিহা কৰা।)

১০. জিলা সেৱা-বাহিনী গোট অধিক সক্ৰিয়কৰণৰ বাবে যুৱক-যুৱতীসৱৰ মাজত গুৰুধৰ্ম প্ৰচাৰৰ সভা, সাংগঠনিক সভা, অন্তৰঙ্গ আলাপ আদি অনুষ্ঠিতকৰণ।

১১. জিলা প্ৰতিনিধি সভাৰ সিদ্ধান্ত অনুসৰি প্ৰাথমিক শাখাসমূহৰ পৰা বছেৰেকীয়া হিচাবে জিলা নামঘৰ পৰিচালনাৰ বাবে ১২০.০০ টকা, জিলা অধিৱেশনৰ ২০০.০০ টকা, গায়ন-বায়ন প্ৰশিক্ষণৰ ১০০.০০ টকা আৰু প্ৰতিনিধি বেজ (২টা)ৰ বাবে ১০.০০ টকা বৰঙণি সংগ্ৰহ কৰা।)

১২. সাহিত্য, সংস্কৃতি শাখাৰ জৰিয়তে গুৰুজনাৰ সৃষ্ট সাহিত্য-সংস্কৃতি আদি সমাজত বহুল প্ৰচাৰৰ উপৰি সংস্কৃতি শাখাৰ দ্বাৰা জিলা শঙ্কৰী বিদ্যালয়ত সঙ্গীসৱৰ মাজত গায়ন-বায়নৰ প্ৰশিক্ষণ (বিনামূলীয়াকৈ) আদিৰ লগতে হোলীগীত, ভোৰতাল নৃত্য, ভাওনা আদি প্ৰদৰ্শন কৰা।

১৩. পাঠ-প্ৰসঙ্গ, বিবাহ পৰিচালক আদি প্ৰশিক্ষণ। প্ৰশিক্ষিত বিবাহ পৰিচালকক জিলা শাখাৰ জৰিয়তে পৰিচয় প্ৰদানৰ লগতে প্ৰতিনিধি সভাৰ সিদ্ধান্ত অনুসৰি প্ৰাথমিক/ আঞ্চলিক শাখাৰ আৱেদন মৰ্মে বিবাহ পৰিচালক নিয়োগ কৰা।

১৪. জিলা শিশু আৰু আই-মাতৃ কল্যাণ শাখা সমিতিৰ জৰিয়তে গ্ৰীষ্মকালিন শিশু সমাৰোহ উদ্‌যাপন, প্ৰাথমিক শাখাসমূহত শিশু আৰু আই-মাতৃসৱৰ স্বাস্থ্য সম্পৰ্কে সজাগতা সভাৰ লগতে মাতৃসৱৰ মাজত গুৰুসেৱা জাগৰণেৰে সঙ্গী বৃদ্ধিৰ প্ৰচেষ্টাৰ উপৰি শাখাটিৰ নিজা আঁচনি ৰূপায়ন।

১৫. শিক্ষা শাখাৰ জৰিয়তে কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা, দুখীয়া পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক আৰ্থিক সাহায্য (৫জনক), নুনমাটিস্থ শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ আৰু অধিক উন্নতিকৰণৰ লগতে নতুন বিদ্যালয় স্থাপনৰ প্ৰস্তুতি।

১৬. প্ৰচাৰ শাখাৰ জৰিয়তে গুৰু পৰিচয়, ভাগৱত-চক্ৰ আদি অনুষ্ঠিত কৰাৰ লগতে জিলা শাখাৰ বিভিন্ন বা-বাতৰি প্ৰকাশ কৰা।

১৭. শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ আৰ্থিক বিকাশ সমিতিৰ শাখা কাৰ্যালয় স্থাপন কৰা।

১৮. মূল কাৰ্যনিৰ্বাহক সভাই গ্ৰহণ কৰা আঁচনিৰ ভিতৰত জিলা শাখাই ৰূপায়ন কৰিবলগা আঁচনিসমূহ নিয়াৰিকৈ পালনৰ লগতে মূলৰ বিভিন্ন সভা-সমিতি, সমাৰোহ আদিত যোগদান কৰা।

১৯. ৰাজ্যিক পৰ্যায়ত এটি আলোচনা-চক্ৰ অনুষ্ঠিতকৰণ।◆◆

# শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়ৰ ষষ্ঠদশ শিক্ষক প্ৰশিক্ষণৰ সফল সামৰণি

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ অধীনৰ আৰু শিক্ষা শাখা সমিতিৰ নিয়ন্ত্ৰণত অসমৰ বিভিন্ন জিলাত চলি থকা শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়ৰ ষষ্ঠদশ শিক্ষক প্ৰশিক্ষণ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যালয়ত যোৱা ৮-৭-২০১৩ তাৰিখে আৰম্ভ হৈ ১৩-৭-২০১৩ তাৰিখে সমাপ্ত হয়। প্ৰশিক্ষণত ডিব্ৰুগড়, নাজিৰা, চৰাইদেউ, ধনশিৰি, কলিয়াবৰ, নগাঁও, কামপুৰ, হোজাই, কাৰ্বি আংলং, তেজপুৰ, বৰপেটা, ধুবুৰী, লক্ষীমপুৰ আৰু ঢকুৱাখনা মুঠ ১৪ খন জিলাৰ ১৮ খন বিদ্যালয়ৰ মুঠ ৪১ গৰাকী প্ৰশিক্ষাৰ্থীয়ে শিক্ষক প্ৰশিক্ষণত অংশগ্ৰহণ কৰে। ৪১ গৰাকী প্ৰশিক্ষাৰ্থীৰ ভিতৰত ১৬ গৰাকী পুৰুষ আৰু ২৫ গৰাকী মহিলা প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। একে সময়তে কলা আৰু বিজ্ঞান দুটা শাখাত ব্যৱস্থা গ্ৰহণ কৰা প্ৰশিক্ষণত বিজ্ঞান শাখাৰ ১১ গৰাকী আৰু কলা শাখাত ৩০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।

৮-৭-২০১৩ তাৰিখে পুৱা ৯ বজাত আয়োজন কৰা উদ্বোধনী অনুষ্ঠানটিৰ আঁত ধৰে শিক্ষা শাখাৰ সম্পাদক শ্ৰীউপেন চন্দ্ৰ নাথ বাপে। শিক্ষা শাখাৰ অন্যতম সদস্য শ্ৰীদেৱ গগৈ বাপে পৰিৱেশন কৰা এটি বৰগীতেৰে সভাৰ শুভাৰম্ভ কৰা হয়। সভাত সভাপতিত্ব কৰে শাখাৰ সভাপতি শ্ৰীবুবুল হাজৰিকাবাপে। সভাত উদ্বোধনী আৰু বিশিষ্ট অতিথিৰ ভাষণ দিয়ে যথাক্ৰমে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মাননীয় পদাধিকাৰ শ্ৰীৰজনীকান্ত দত্ত বাপ আৰু প্ৰধান সম্পাদক শ্ৰীবাবুল বৰা বাপে। সমজুৱাৰ হৈ বক্তৃতা দিয়ে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰাক্তন প্ৰধান সম্পাদক শ্ৰীহৰিপ্ৰসাদ হাজৰিকা আৰু নগাঁও জিলা শাখাৰ সভাপতি শ্ৰীপ্ৰফুল্ল বৰা বাপে।

৮-৭-২০১৩ তাৰিখে দিনৰ ১১ বজাত প্ৰশিক্ষণৰ প্ৰথম পাঠ হিচাপে শিশু কেন্দ্ৰিক শিক্ষা সম্পৰ্কত প্ৰশিক্ষণ আগবঢ়াই SCERTৰ প্ৰাধ্যাপক শ্ৰীবীৰেণ বৰাদেৱে। অসমীয়া ভাষা শিক্ষা সম্পৰ্কত শিক্ষাদান কৰে মৰিগাঁও ডায়েটৰ প্ৰবক্তাদ্বয় যথাক্ৰমে শ্ৰীমতী সেৰিকা বৰা আৰু শ্ৰীমতী নীলিমা শৰ্মা মহন্তই। বিজ্ঞান আৰু গণিত শিক্ষাৰ সম্পৰ্কত শিক্ষাদান কৰে নগাঁও ডায়েটৰ প্ৰবক্তা যথাক্ৰমে শ্ৰীগৌতম তালুকদাৰ আৰু শ্ৰীবীৰেন ভট্টদেৱে। বিজ্ঞান আৰু গণিতৰ দুটা নিৰ্দেশনামূলক পাঠদান কৰে যথাক্ৰমে তেজপুৰৰ শ্ৰীহিৰণ্য কুমাৰ নাথ আৰু নগাঁৱৰ শ্ৰীলৱকান্ত শৰ্মাদেৱে। ইংৰাজী শিক্ষাৰ শিক্ষাদান কৰে নগাঁও এ.ডি.পি. কলেজৰ সহঃ অধ্যাপিকা শ্ৰীমতী অৰ্চনা তালুকদাৰে আৰু ইংৰাজী নিৰ্দেশনামূলক শ্ৰেণীৰ পাঠদান কৰে শিক্ষা শাখাৰ অন্যতম সদস্য শ্ৰীভুবন বৰা বাপে। সমাজ বিজ্ঞান আৰু পৰিবেশ বিজ্ঞানৰ সম্পৰ্কত শিক্ষাদান কৰে মৰিগাঁও মহাবিদ্যালয়ৰ সহ অধ্যাপক ডঃ বোধেন কুমাৰ শইকীয়া বাপে। কলা আৰু বিজ্ঞান বিষয়সমূহৰ মূল্যায়ন আৰু আদৰ্শ প্ৰশ্নকাকত প্ৰস্তুত সম্পৰ্কত শিক্ষাদান কৰে যথাক্ৰমে কামৰূপ ডায়েটৰ জ্যেষ্ঠ প্ৰবক্তা শ্ৰীমতী শাৰদী ভট্টাচাৰ্য আৰু SCERTৰ প্ৰবক্তা শ্ৰীনৰেন্দ্ৰ নাথদেৱে। চিত্ৰকলাৰ শিক্ষণ আৰু প্ৰশিক্ষণ সম্পৰ্কত শিক্ষাদান কৰে নগাঁও ডায়েটৰ প্ৰবক্তা শ্ৰীপঙ্কজপদ দেৱচৌধুৰীদেৱে।

প্ৰশিক্ষাৰ্থীসকলক যৌগিক শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কত শাৰীৰিক শিক্ষা দান কৰে নগাঁও জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয়ৰ শাৰীৰিক শিক্ষা নিৰ্দেশকদ্বয় যথাক্ৰমে শ্ৰীপ্ৰভাত বৰা আৰু শ্ৰীমতী গীৰিমা শইকীয়াই। আধ্যাত্মিক শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কত শিক্ষাদান কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰাক্তন উপ-পদাধিকাৰ শ্ৰীপ্ৰমোদ শইকীয়া বাপে। স্বাস্থ্য শিক্ষাৰ সম্পৰ্কত শিক্ষাদান কৰে নগাঁৱৰ জ্যেষ্ঠ চিকিৎসক ডাঃ এন. এন. ডেকাদেৱে আৰু শঙ্কৰদেৱ অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কত শিক্ষাদান কৰে সাহিত্য শাখাৰ সভাপতি শ্ৰীকৈলাস দাসবাপে। আনহাতে দলগত আলোচনা, প্ৰতিবেদন পৰ্যালোচনা আদিত অংশগ্ৰহণ কৰে শাখাৰ অন্যতম সদস্যা শ্ৰীবন্তি শিক্ষা পাঠক আৰু শিবিৰ পৰিচালক শ্ৰীদেৱ গগৈ আৰু প্ৰশিক্ষণ সমন্বয়ক শ্ৰীৰামচন্দ্ৰ ডেকা বাপে।

১২-৭-২০১৩ তাৰিখৰ সন্ধিয়া ৭ বজাৰ পৰা প্ৰশিক্ষাৰ্থীৰ মাজত অন্তৰঙ্গ আলাপ অনুষ্ঠানত শাখাৰ সভাপতি শ্ৰীবুবুল হাজৰিকা আৰু প্ৰশিক্ষণ সঞ্চালক তথা সদস্য শ্ৰীতুলসী মোহন বৰাৰ সহযোগত পৰিচালনা কৰে সম্পাদক শ্ৰীউপেন চন্দ্ৰ নাথ বাপে। ১৩-৭-২০১৩ তাৰিখে বিয়লি ২ বজাৰ পৰা আৰম্ভ কৰা সামৰণি অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয় ডিব্ৰুগড় ফুকনৰ খাট বিদ্যালয় শিক্ষক শ্ৰীবিদ্যাধৰ গগৈ আৰু নগাঁও পূৰ্বাঞ্চলিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী শ্ৰীমতী চিম্পী খাটনিয়াৰ গোস্বামীয়ে পৰিৱেশন কৰা এটি বৰগীতেৰে। সভাত সভাপতিত্ব কৰে শাখাৰ সভাপতি শ্ৰীবুবুল হাজৰিকা বাপে। সভাত বিশিষ্ট অতিথি হিচাপে ভাষণ দিয়ে যথাক্ৰমে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ উপ-পদাধিকাৰ শ্ৰীভবেন্দ্ৰ নাথ ডেকা বাপে আৰু প্ৰধান সম্পাদক শ্ৰীবাবুল বৰা বাপে। সভাৰ অন্যতম কাৰ্যসূচী কৃতী ছাত্ৰৰ সম্বৰ্ধনা অনুষ্ঠানত ২০১৩ বৰ্ষৰ উচ্চ মাধ্যমিক চুড়ান্ত পৰীক্ষাত হোজাই জিলাৰ কাকী ২নং শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়ৰ পৰা ডিষ্টিংচনসহ উত্তীৰ্ণ হোৱা ছাত্ৰ শ্ৰীসমীৰ বৰা আৰু দৰং জিলাৰ মঙ্গলদৈৰ শ্ৰীমন্ত শঙ্কৰদেৱ কনিষ্ঠ মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক চুড়ান্ত পৰীক্ষাত ষ্টাৰসহ উত্তীৰ্ণ হোৱা তিনিগৰাকী ছাত্ৰী যথাক্ৰমে শ্ৰীমতী সীমা চহৰীয়া, শ্ৰীমতী মীনাক্ষী ডেকা আৰু শ্ৰীমতী হৰিপ্ৰিয়া বৰাক সম্বৰ্ধনা জনোৱা হয়।

সমূহ প্ৰশিক্ষাৰ্থীৰ হৈ কেইগৰাকীমান প্ৰশিক্ষাৰ্থীয়ে ইতিমধ্যে সামৰণি পৰা প্ৰশিক্ষণৰ প্ৰকৃতাৰ্থত সফল হোৱা বুলি আৰু প্ৰশিক্ষণৰ পৰা যথেষ্ট উপকৃত হোৱা বুলি নিজ নিজ মন্তব্য আগবঢ়োৱাৰ অন্তত তেখেত সকলক প্ৰমাণ পত্ৰ বিতৰণ কৰা হয়। শেষত সম্পাদক শ্ৰীউপেন চন্দ্ৰ নাথ বাপে শলাগৰ শৰাইত প্ৰশিক্ষণত অংশগ্ৰহণ কৰা সমূহ প্ৰশিক্ষাৰ্থী, প্ৰশিক্ষণ দিয়া সমূহ সমল ব্যক্তি, নিমন্ত্ৰণ ৰক্ষা কৰি সভাত অংশগ্ৰহণ কৰা ব্যক্তি বিশেষ, সঙ্ঘৰ পদাধিকাৰ, উপ-পদাধিকাৰ, প্ৰধান সম্পাদক, শিক্ষা শাখাৰ সভাপতি আৰু সদস্য-সদস্যাসকল, আপ্যায়ন আৰু আতিথ্য দিয়া মূল কাৰ্যালয় পৰিচালনা সমিতিৰ সভাপতি, সম্পাদক প্ৰমুখ্যে সমূহ সদস্য-সদস্যা, ৰন্ধন কাৰ্যক বিশেষ সহায় আগবঢ়োৱা আতৈদ্বয়, বিতৰণ, আতিথ্য, কাৰ্যালয় পৰিচালনা, ডি.টি.পি. আদিৰ ব্যৱস্থা আৰু অন্যান্য কামত সহায় সহযোগ আগবঢ়োৱা মূল কাৰ্যালয়ৰ কৰ্মচাৰীবৃন্দলৈ কৃতজ্ঞতা আৰু ধন্যবাদ জনাই গুৰু বন্দনাৰে ষষ্ঠ শিক্ষক প্ৰশিক্ষণৰ পৰিসমাপ্তি কৰা হয়।◆

ঃ   ‘উদ্ধাৰিলা চাৰিবেদ প্ৰলয় জলত’।

ঃ   নহয় বাপ, নহয়, উদ্ধাৰিলা বেদ প্ৰভু প্ৰলয় জলতহে।

ঃ   মই নামানো, গোটেই জীৱন চাৰিবেদ বুলি সকলো কীৰ্তনঘোষাত পঢ়িলো। এতিয়া এনেকৈ নোৱাৰিম। আপুনি

ক’লেই মানিমনে?

ঃ   শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ দ্বাৰা প্ৰকাশিত কীৰ্তন পুথি চাওক বাপ-- সংশয় দূৰ হ’ব।

ঃ   তথ্য সহকাৰে প্ৰমাণ দিয়ক। এয়ে নহয় বাপ আৰু বহুত সংশোধনী দেখিলো ভাগৱত কীৰ্তন আৰু নামঘোষাত। আমাক পথ ভ্ৰষ্ট কৰিব যেন পাওঁ সঙ্ঘই। মোৰ কথা হ’ল সংশোধন যদি হ’ব লাগে হওক। কিন্তু কোন মূল গ্ৰন্থৰ, কোন পৃষ্ঠা, কোন পক্তিৰ পৰা অনা হ’ল, তাক তাৰকাযুক্ত চিহ্ন দি সেই সেই পৃষ্ঠাৰ তলত লিখি দিয়ক।

ঃ হয় হয় বাপ! তেতিয়াহে মানুহক পতিয়ন নিয়াব পৰা যাব।

ওপৰৰ কথোপকথনখিনি দয়াল মৰাণ আৰু কৰুণা কাকতিৰ মাজৰ ধৰ্ম-তৰ্কৰ কিয়দংশহে। এনেকৈ পাঠ-প্ৰসঙ্গত দয়ালে কিছু যুক্তিপূৰ্ণ আৰু কিছু অবান্তৰ প্ৰশ্ন অৱতাৰণা স্থান কালৰ ভু-ভটং নৰখাকৈ কৰেই। কাকতি আৰু বৰাকে আদি কৰি বাকী ভকতসকলে তাৰ কথাত কোনো অসন্তুষ্টি নেদেখুৱাই; পৰিৱৰ্তে মুখমণ্ডলত সহনশীলতাৰ ঢাকনীখন দি হাঁহি হাঁহি ব্যাখ্যা দাঙি ধৰে।

দয়াল নতুন সঙ্গী। সৌ সিদিনালৈকে লগৰ অৱসৰপ্ৰাপ্ত চাৰিজনৰ লগত সন্ধ্যা ভ্ৰমণত কেৱল অনৰ্থৰ উৎস কামনা আৰু ভোগ বিলাসৰ অবস্তুসমূহৰ ছায়াচিত্ৰ অঙ্কন কৰি কৰি প্ৰতিটো সুন্দৰ সন্ধ্যা অতীতত অবাবত কটাইছিল। সেই আড্ডাত পৰকালৰ বিত কৃষ্ণ-চৰ্চ্চনৰ বাহিৰে বাকী ভু-ভাৰস্তই স্থান পাইছিল। এক কথাত ভোগ-সম্ভোগে আচ্ছাদৃত অতীত ৰোমন্থন কৰি কিবা অনাবিল মাদকতা পাইছিল তেওঁলোকে। মাজে মাজে ওচৰৰ ক্লাৱত দশনবিহীন মুখেৰে অভক্ষ-ভক্ষণ আৰু ‘ৰামী’ খেলত নিজক ডুবাই ৰখাই কাম আছিল যদিও কেতিয়াবা অতৰ্কিতে দয়ালৰ মুখত ‘ৰামনাম’ উচ্চাৰিত নোহোৱাকৈ থকা নাছিল। সেয়াও যেন ভূতৰ মুখত ৰাম নামহে আছিল। তাকে শুনি ইজনে সিজনৰ মুখলৈ চাই ফিচিঙা ফিচিঙি কৰিছিল। ইমানেই নহয় নাতিদূৰৰ নামঘৰলৈ চুৰিয়া গামোচা পিন্ধি কাকতি আৰু বৰা যোৱা দেখিলে দয়ালহঁতে হয় তলমূৰ কৰে; নহয় সিহঁতলৈ পিঠি দি নেদেখাৰ ভাও ধৰে। এনে দৃশ্য প্ৰায় সন্ধ্যাতে দয়ালে প্ৰত্যক্ষ কৰিছিল আৰু তৎমুহূৰ্ততে সি অন্যমনস্ক হৈ পৰিছিল। ক্ৰমান্বয়ে তাৰ মনত প্ৰয়াত পিতৃ পুৰুষৰ আঙুলিত ধৰি তাহানি গাঁৱৰ নামঘৰৰ পাঠ-প্ৰসঙ্গ কৰিবলৈ যোৱাৰ দৃশ্যৰাজিয়ে লুকা-ভাকু খেলিব ধৰিলে। কাকতিহঁতো কম ভকত নহয়। দয়ালহঁতে ভাষভূষখন কৰা দেখিও সিহঁতে চলমান অৱস্থাতে “কৃষ্ণ” বুলি সম্বোধন নকৰাকৈ এদিনো আগবঢ়া নাছিল গন্তব্য স্থানলৈ। কেতিয়াবা দয়ালে প্ৰত্যুত্তৰত “কৃষ্ণ” বুলিবলৈ লৈছিল। কাকতিহঁতে বেচ বুজিছিল তেওঁলোকৰ এনে ভকতীয়াল আচৰণ দয়ালহঁতৰ কেতিয়াও পচন্দ নহৈছিল। তথাপি সিহঁতক প্ৰতিনিতে “কৃষ্ণ” সম্বোধি হাতযোৰ কৰি নমস্কাৰ যাচিছিল। কয় নহয় বোলে, ঘঁহি থাকিলে শিলো ক্ষয় যায়। কাকতিৰ মতে তেওঁলোকে পশ্চিমলৈ গতি কৰিছে আৰু আমি পূৱলৈ পোহৰ বিচাৰি গৈ আছো। ‘আমি সঠিক পথৰ সন্ধান পাম বুলি ভাবিব নোৱাৰো জানো বৰা!’ কাকতিয়ে

গল্প

# সঠিক পথৰ সন্ধান

**তিলেশ্বৰ বৰা**

আত্মসন্তুষ্টিৰে এপলক মাৰিলে বৰালৈ। এইবাৰ বৰাই ক’লে, “হয় কাকতি বাপ, তেওঁলোকে পূৰ্বজন্মৰ বিত খাইছে আৰু আমি পৰকাললৈ বিত সঞ্চয় কৰিছো। তেওঁলোকে সঠিক পথৰ সন্ধান কেতিয়া পাব বাৰু, আৰুনো মৰিবলৈ আছে কেইদিন। ঠিক এনেদৰে দুই এজোকা পদঘোষা মাতি তাৰ ব্যাখ্যা কৰি নামঘৰলৈ যায় কাকতিহঁত।

কাকতিৰ গাঁও সম্বন্ধীয়া ভাতৃ দয়াল মৰাণ। অলপ হ’লেও দয়াল আনকেইজনতকৈ সঙঘৰ শুভাকাঙ্‌ক্ষী সঙ্ঘৰ খা-খবৰ ৰাখে। সঙ্ঘই ইটো কৰিব পাৰে, সিটো কৰিব নোৱাৰে কিয় বুলি আক্ষেপো কৰে। সঙ্ঘৰ নাম-প্ৰসঙ্গ প্ৰণালীৰ প্ৰশংসা কৰে। সাত্বিক আহাৰ আৰু মাহ প্ৰসাদৰ সোৱাদ অমৃতসম বুলি কয়। সঙ্ঘৰ নীতি আদৰ্শ কঠোৰ হ’লেও সেয়া যে শুদ্ধ শাস্ত্ৰ সন্মত গ্ৰহণীয় তাক আনৰ আগত বখানিবলৈ কুণ্ঠাবোধ নকৰে। আনকি সঙ্ঘৰ সঙ্গীপদ লৈ ভাগৱতত শৰণ লোৱাৰ ইচ্ছা প্ৰকাশ কৰিছে যদিও তাৰ আশা নদীৰ খহনীয়া হ’ল, তাৰ বিবাহোপযুক্ত কন্যা পঞ্চী। পঞ্চীক উপযুক্ত পাত্ৰত সমৰ্পণ নকৰালৈকে সি সঙঘৰ সঙ্গীপদ লোৱাত অসুবিধা আছে বুলি ভাবে। কাৰ ভাগ্যত কি লিখা আছে কোনে জানে। জনম-মৰণ বিবাহৰ ওপৰত হেনো হাত কাৰো নাই। জানোচা কৰ্মকাণ্ডীয় হোম যজ্ঞৰে নুমলীয়া জীয়ৰীৰ বিয়া পাতিব লগা হয়। সেই ভয়তে সঙ্গীপদ নলৈ তলকা মাৰি আছে দয়াল। পিচে সি সঙঘৰ সঙ্গী নহ’লেও বৰাহঁতে তাক সেৱালৈ নিমন্ত্ৰণ দিয়ে আৰু সিও সানন্দে নিমন্ত্ৰণ ৰক্ষা কৰে। সি কোনো কাৰণত মিথ্যাৰ আশ্ৰয় নলয়।

এনেদৰে আলচ কৰি থকাতে থাকিল সি। কেনেকৈনো অতৰ্কিতে সঙ্ঘৰ সঙ্গীপদ ল’লে কবই নোৱাৰিলে। এয়া নিশ্চয় ভাগৱত ধৰ্ম কথন-মথনৰ প্ৰভাৱতে একশৰণৰ বস্তু লৈ পেলালে দয়ালে।

বিগত দুবছৰ দৰে এইবাৰো অনাগত দিনবোৰত গুৰু ধৰ্ম চৰ্চনৰ কাৰ্যসূচীৰূপে ভাদমাহত প্ৰতিঘৰ গৃহস্থীৰ ঘৰত ভাগৱত পাঠ ও বাখ্যাৰ প্ৰস্তাৱ কাকতিৰ প্ৰাথমিকে ল’লে। লগতে এইটো প্ৰস্তাৱো ললে যে সঙঘৰ শুভাকাঙ্‌ক্ষী অনাসঙ্গীয়েও যদি ভাগৱত পাঠৰ আমন্ত্ৰণ দিয়ে; সেয়া ৰক্ষা কৰা হ’ব আৰু সেই সকলৰ ঘৰত পাঠ কৰোতে ল’বলগা প্ৰয়োজনীয় সকলোখিনি সাৱধানতা লোৱা হ’ব। এনে এটি গঠনমূলক প্ৰস্তাৱ লোৱাৰ গুৰিতে হ’ল কৰুণা কাকতি। কাকতি হ’ল প্ৰাথমিকৰ সভাপতি। ভাল কথা, ভাল কামৰ বাবে তেওঁ কেতিয়াও পশ্চাৎগমন নকৰে। তেওঁৰ একমাত্ৰ লক্ষ্য হ’ল সঙঘৰ সঙ্গী বাঢ়িব লাগে। একশৰণৰ তত্ত্ব প্ৰচাৰ হ’ব লাগে। তেহে গুৰু ধৰ্মৰ মূল-মন্ত্ৰ মানৱ সেৱা, সত্য, অহিংসা, বন্ধুত্ব, ভাতৃত্ব আৰু প্ৰেম ভকতি অটুট থাকিব। শান্তি সম্প্ৰীতিৰে বিশ্বত সকলোৱে সহবাস কৰাতো সম্ভৱ হ’ব।

পৰ্যায়ক্ৰমে ভাগৱত চক্ৰ যতিহীনভাৱে চলি আছে। চলি চলি আহি দয়ালৰ পাল পৰিলহি। অৱশ্যে ইয়াৰ দুদিন আগতে বৰাই তাক কথাতো জনালে। কেৱল পাঠ ব্যাখ্যা আৰু সামান্য জলযোগ হে হ’ব লাগিব বুলি দয়ালক জনাবলৈ বৰাই নাপাহৰিলে। সি কোনো অজুহাতৰ অৱতাৰণা নকৰি “হ’ব হ’ব” বুলি সন্মতি জনালে আৰু লগতে অনুৰোধ কৰি ক’লে যে কিছু সৰহ ভকতৰ পদধূলা পাবলৈ আশা কৰে সি। তাৰ কিহৰ চিন্তা মনৰ নে জনৰ নে ধনৰ। ভকত আপ্যায়নৰ বাবে বৰাই কোৱা মতে আয়োজন কৰিলে সি।

দয়াল অসম চৰকাৰৰ এজন উচ্চ পদস্থ বিষয়া আছিল। তেওঁ দেখাত প্ৰাংশুকায় কৃষ্ণ বৰ্ণৰ সহজ-সৰল চাল-চলনৰ ব্যক্তিত্বপূৰ্ণ সদাচাৰী লোক। কোনো দুৰ্নীতিৰ আশ্ৰয় নোলোৱাকৈও যে প্ৰয়োজনত কৈ অধিক ধন-সম্পত্তি আহৰণ কৰি আঢ্যৱন্ত হ’ব পাৰি সি তাৰ প্ৰামাণ্য তথ্য। যাৰ সুকৰ্মৰ কৃতিত্ব বহন কৰিছে তিনিজনীকৈ সুশিক্ষিতা সুগন্ধী ফুল সদৃশ জীয়ৰীৰ পিতৃত্বই। সহধৰ্মিনী বসুন্ধৰা সোণত সুৱগা চ’ৰা আছিল। বসুন্ধৰা যেনে ৰূপৱতী তেনে গুণৱতী আৰু সৰবৰহী মহিলা। তেওঁলোকে ইতিমধ্যে প্ৰথম দুজনী জীয়ৰী সুপাত্ৰত সমৰ্পণ কৰিলেই। বাকী আছে পঞ্চী। তায়ো বহুতৰ মাজত ভোটা তৰাৰ দৰে জিলিকি থকা বুলিলে বেছি কোৱা নহ’ব নিশ্চয়। দয়ালৰ কথা ভাবিলে বৰাৰ এটা কথাই মনলৈ আহে যে প্ৰভুৱে যাক যেতিয়া দিব তাক কোনেও বাধা দিব নোৱাৰে। সি লাগিলে যিয়ে নহওক কিয়।

দয়ালক গাঁৱৰ মানুহে অজাতশত্ৰু বুলিও মাতে। কাৰণ সি তাহানিৰ পৰাই পৰনিন্দা, পৰচৰ্চা, পৰহিংসা আদিৰ পৰা বহুদূৰত অৱস্থান কৰি থাকে। লোক প্ৰশংসা তাৰ জীৱনৰ মূলমন্ত্ৰ আছিল বুলিব পাৰি।

দয়ালৰ নুমলীয়া জীয়ৰী ৰাজ্যৰ বাহিৰত আধুনিক প্ৰযুক্তি বিদ্যাত অধ্যয়নৰত মেধাৱী ছাত্ৰী। তাই সাহসী চতুৰ ছোৱালী। মাক-বাপেকৰ দুচিন্তাৰ কুহেলিকাৰ আৱৰ্তৰ পৰা মুক্ত। চাৰিত্ৰিক দিশ নিষ্কলঙ্ক কৰি আটোম-টোকাৰিকৈ ৰখাত অতন্দ্ৰ প্ৰহৰী।

ঘৰত দয়াল বসুন্ধৰাৰ মাজৰ প্ৰাণী বুলিবলৈ বৰ্তমান আছে এটি মৰম লগা প্ৰশিক্ষণপ্ৰাপ্ত বিদেশী কুকুৰ। এজোৰ বনৰীয়া কপৌ আৰু কেবাটিও ঘৰচিৰিকা চৰাই। পুৱা আগচোতালত এমুঠি চাউল ছটিয়াই কপৌজুৰি আৰু ঘৰচিৰিকাৰ লগত কিছু সময় মনৰ ভাব বিনিময় কৰে। বসুন্ধৰাই জিৰণী সময়ত টেবুলত থোৱা কীৰ্ত্তন বা নামঘোষা পঢ়ি সময়ৰ সদব্যৱহাৰ কৰে। প্ৰতিমাহত ভকতৰ পদধূলা লোৱাটো নিয়মত পৰিণত হৈছে তাইৰ। তাৰ বাবে কৰিব লগা সমস্ত কাম স্বহস্তে কৰি উঠি পুনৰ ভাগৱত পাঠৰ কাষত শ্ৰৱণাৰ্থে বহে। অন্তত ঈশ্বৰলৈ অৰ্পিত নৈবেদ্য নিজ হাতে বিতৰণ কৰে। এনেকৈয়ে একাকী ব্যস্ত দিনবোৰ মুখৰিত কৰি ৰাখিব বিচাৰে বসুন্ধৰাই।

ক্ৰমান্বয়ে বসুন্ধৰাৰ মন প্ৰাণ একশৰণ নামধৰ্মৰ প্ৰতি ধাৱিত হ’ল। ইয়াৰো অন্য এটা কাৰণ নথকা নহয়। কাৰণ আছে। সঙঘৰ মাহেকীয়া বাৰ্তালোচনী মণিকাঞ্চনত প্ৰকাশিত কোনোবা বৰাৰ গল্প ‘এজনে দেখি আছে’ পঢ়াৰ পাছত আনটো বাদেই, নিজকে ফাঁকি দিব নোৱাৰা হ’ল তাই। ইয়াৰোপৰি তেওঁলোক ভকতি মাৰ্গত আগবঢ়াত উল্লেখনীয় ভাৱে অৰিহণা যোগালে কৰুণা কাকতিৰ সুমধুৰ পাঠ আৰু ইয়াৰ ৰসোত্তীৰ্ণ ব্যাখ্যাই। স্বামী দয়াল সন্ধ্যা ক্লাৱলৈ যোৱাৰ পৰিৱৰ্তে নামঘৰলৈ কাকতিহঁতৰ লগত যোৱাৰ সকলো তৎপৰতা লবলৈ নাপাহৰিলে বসুন্ধৰাই।

সৰুকালত বাপেকৰ লগত নামঘৰ আৰু গৃহস্থীৰ ঘৰলৈ নাম পাঠলৈ যোৱাৰ কথা মনত পৰে দয়ালৰ। পিতাকে সুৰ লগাই পুথি পঢ়া ধ্বনি এতিয়াও তাৰ কাণত ধ্বনিত হয়। সি পুথি-পাজি দেখিছিল, শুনিছিল যদিও চাকৰি জীৱনত সেইবোৰ কথা চিন্তা কৰিবলৈ আহৰিয়ে পোৱা নাছিল। শাস্ত্ৰ বুলিলে, নামঘৰ বুলিলে আৰু সঙঘৰ কঠোৰ আচাৰ-নীতি বুলিলে তাহানিৰ পৰা ভয়ভাৱ এটা আছিল দয়ালৰ। শুনিছে ধৰ্মনীতি বোৰ মানিব পাৰিলে ভাল নোৱাৰিলে সিয়ে হয় যমকাল। বিস্মৃতিৰ গহ্বৰৰ পৰা নষ্টোদ্ধাৰ হ’ল তাৰ ধৰ্মানুভৱ কোমল মনটো। লাহে লাহে তাহানিৰ গাঁৱৰ সোণসেৰীয়া দৃশ্যৰাচি চকুত ভাহিব ধৰিলে। আৰু এনেকৈয়ে কৃষ্ণ চিন্তনৰ শুভাৰম্ভ হ’ল দয়ালৰ। পত্নী বসুন্ধৰা, কাকতি আৰু বৰাৰ সঘন সান্নিধ্যই ভাগৱতৰ মহাফল আস্বাদন কৰিবলৈ সক্ষম কৰিলে দয়ালক। পলমকৈ হ’লেও আজি সি সঠিক পথৰ সন্ধান পালে আৰু সেই পথত এখোজ দিবলৈ আৰু তাক স্থায়িত্ব কৰিবলৈ অতৰ্কিতে আগবাঢ়ি আহি শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ সঙ্গীপদ লৈ পেলালে। এই সঙ্গীপদ লবলৈ যাওঁতে কাৰো পৰা কোনো ধৰণৰ ছাপ পোৱা নাছিল বুলি সি কয়।

পিছে জীৱনৰ সুন্দৰ সেউজী পথত সুগন্ধী ফুলৰ সুবাস যেন বেছি দিন লবলৈ সক্ষম নহ’ল দয়ালহঁত। মাজতে বিধি পথালি দিলে পঞ্চীয়ে। গুৱাহাটীৰ এটি বহুজাতিক আন্তঃৰাষ্ট্ৰীয় কোম্পানীৰ পৰা এখন নিযুক্তি পত্ৰ আহিল পঞ্চীলৈ। ভাগ্যৰ কি মধুৰ সংযোজন সেই একে সময়তে সিহঁতৰ ঘৰৰ পৰা নাতি দূৰৰ বিখ্যাত বৰুৱা পৰিয়ালৰ পৰা তাইৰ বিয়াৰ প্ৰস্তাৱলৈ আহিল ৰাজবিষয়া ভীষ্ম নাৰায়ণ বৰুৱাৰ পিতৃমাতৃ।

ভীষ্ম নাৰায়ণ তাইৰ পচণ্ডৰ পুৰুষ। বিদ্যায়তনিক কালৰ বন্ধু। পিছত যি বন্ধুত্বই ৰূপ সলাই তাইৰ মনৰ মানুহজন হ’বগৈ আৰু সেই এনাজৰী ডালৰ স্থায়িত্বৰ চিনস্বৰূপে তাইৰ জীৱন সঙ্গী হ’ব ভীষ্ম। দয়ালে বৰুৱাহঁতৰ পৰা কিছু সময় বিচাৰিলে আৰু বৰুৱাৰ ম’বাইল নম্বৰটো লৈ পিছত সিদ্ধান্ত জনাব বুলি কৈ বৰুৱা বৰুৱানীক বিদায় দিলে। ল’ৰাক অপচন্দ কৰাৰ কথাই আহিব নোৱাৰে। এইখন বিবাহক প্ৰত্যাখ্যান কৰাতো দয়ালৰ জীৱনৰ চৰম দুৰ্ভাগ্য হ’ব বুলি জানিও একমাত্ৰ কনিষ্ঠ কন্যা পঞ্চীৰ সন্মতিৰ বাবে প্ৰতীক্ষা কৰিলে।

প্ৰয়োজনীয় খবৰাখবৰখিনি কৰি সি গম পালে যে বৰুৱাহঁত একশৰণীয়া নহয়। সেয়ে বিবাহখন নিশ্চয় হোমযজ্ঞ অনুসৰীয়ে হ’বগৈ। যিটো তাৰ ইচ্ছাৰ সম্পূৰ্ণ বিৰুদ্ধে যাব। অন্যহাতে বিয়াখন হোৱাটো একান্তে বিচাৰে সিহঁতে। সিহঁতৰ এটাই কথা সিহঁত সংসাৰত থাকিব কেইদিন। যাৰ কন্যা তাৰ বিবাহ। পংখীৰ সুদীৰ্ঘ সেউজী পথৰ সৌধ নিৰ্মাণত সিহঁত হেঙাৰ হৈ নপৰক তাৰ প্ৰতি সৰ্বদা সষ্টম সিহঁত।

নিশালৈ ওপৰ মহলাৰ বাৰান্দাত তামুলৰ বঁটাটো লৈ বসুন্ধৰা বহিল দয়ালৰ কাষত। সেই সময়ত পঞ্চী টি.ভি.ৰ কাষত আছিল। এই সুযোগতে দয়ালে বসুন্ধৰাৰ হতুৱাই পঞ্চীক কাষলৈ মতালে। কথাটো সি উলিয়াব বুলি

(১৮ পৃষ্ঠাত চাওক)

# মতামত

**নাৰায়ণ নিৰোলা**

২০১৩ চনৰ জুলাই মাহত প্ৰকাশিত মাহেকীয়া বাৰ্তালোচনী ‘মণিকাঞ্চন’ৰ সম্পাদকীয় শিতানৰ ‘পঢ়া আৰু লেখাৰ অভ্যাস’ পঢ়ি বৰ ভাল লাগিল। সমাজৰ প্ৰতি, উত্তৰ প্ৰজন্মৰ প্ৰতি হৃদয়েৰে উত্তৰোত্তৰ কামনা কৰা ব্যক্তি এজনেহে এনে মহান আহ্বান কৰিব পাৰে। পঢ়া আৰু লিখা কামেই সমাজক মসৃণ কৰে আৰু বিকাশৰ পথ দেখুৱায়। লিপিৰ আৱিষ্কাৰ তথা বহুল ব্যৱহাৰ হোৱাৰ পিছত মানুহে সমগ্ৰ ঘটনা লিপিবদ্ধ কৰি ৰাখিব ধৰিলে। সভ্যতা সংস্কৃতি আদি সমস্ত সামাজিক ব্যৱস্থা কিতাপৰ পাতত সোমাল। সময় আগবাঢ়িল। মানুহে নিজৰ পৰিৱৰ্তিত মানসিকতাক নেদেখা ভাও দি সময়ক দোষ দিব ধৰিলে— ‘সময় বদলি হ’ল। ব্যৱস্থাৱলীৰ আৰম্ভণিৰ পৰাই সময় একে আছে। দিন-ৰাতি হৈছে, বতাহ বলিছে। মাত্ৰ আমাৰ ভুলৰ বাবে বানপানী, অনাবৃষ্টি, অতিবৃষ্টি, ন ন খাদ্যজনিত ৰোগ আৰু মানসিকতাৰ গৰাখহনীয়া হৈছে। পঢ়া লেখাৰ অভ্যাসৰ বলতেই আমি শ শ হাজাৰ হাজাৰ বছৰ আগৰ বৈদিক সভ্যতা, পুৰাণকালিন সভ্যতা, ৰামায়ণী সংস্কৃতি অথবা মহাভাৰতৰ যুগ ব্যৱস্থাৰ হুবহু কথা আমি জানিব পাৰিছোঁ। মানুহৰ প্ৰাচীন মূল্যবোধ অথবা সভ্যতাৰ প্ৰতিচ্ছবি যেনেদৰে প্ৰাচীন গ্ৰন্থসমূহে আমাক দিয়ে, ঠিক তেনেদৰে আজিৰ সমাজ অথবা মানৱীয় মূল্যবোধৰ ছবি যদি ভৱিষ্যত প্ৰজন্মই পাব লাগে, তেনেহ’লে আজিৰ বিদ্যুৎ সমাজে লেখা পঢ়াৰ মানসিকতাৰ জন্ম দিব লাগিব।

আমাৰ সমাজত উপলব্ধ বিভিন্ন উপকৰণৰ অপৰিশোধিত ব্যৱহাৰৰ ফলত পঢ়াৰ প্ৰতি ধাউতি কমি যোৱা যেন লাগে। নীতি শিক্ষাহীন পাঠ্যক্ৰম সমূহেও এইক্ষেত্ৰত ইন্ধনৰ কাম কৰিছে। এনে উপকৰণৰ ভিতৰত ‘ভ্ৰাম্যমান বাৰ্তাযন্ত্ৰ’ (ম’বাইল)ৰ কথা প্ৰথমে আহিব। মাক অথবা আইতাকৰ মুখত নিৰ্গত ঘোষা অথবা কীৰ্ত্তনৰ পদৰ মাজত বৰ্তমানৰ কেঁচুৱাই টোপনি নাযায়; ৰিংটন মাজতহে টোপনি যায়। মাকৰ কোলাৰ উমত কান্দোন বন্ধ নহয়, বন্ধ হয় ম’বাইলৰ গানত। তদুপৰি আমাৰ পাৰিবাৰিক বান্ধোনৰ এনাজৰীও ছিঙিছে ম’বাইলেই। বিয়াৰ অনুষ্ঠানিক কথা-বাৰ্তা পিছত বিয়াৰ নিৰ্দিষ্ট দিনটোলৈ ভাবি দৰা-কন্যাই ম’বাইলত কথা-বতৰা চলেৰে ঘৰৰ প্ৰতিজন সদস্যৰে চাৰিত্ৰিক অথবা গুণগত বিষয়ে বস্ত্ৰ হৰণ কৰে। যেতিয়া ন-কইনা ঘৰ সোমাব তাইৰ মনত কোনো ধৰণৰ ভয়-সংযম একো নাথাকে। কাৰণে আগতেই বস্ত্ৰ হৰণ হৈছে। তাহানি সময়ত ন-কন্যাই পৰিয়ালৰ সদস্যক চিনি পাবলৈ প্ৰায় এবছৰ লাগিছিল। এবছৰলৈ কৰা সমীহ ভাব অভ্যাসত পৰিণত হৈছিল। আমাৰ সমাজত দেখা দিয়া এনে ধৰণৰ বিপদৰ মাজত আপুনি কৰা আহ্বান সময়পযোগী।

বৰ্তমানে প্ৰকাশিত পত্ৰিকা, আলোচনী আদি পঢ়া মানুহ নাই বুলি ক’ব নোৱাৰি যদিও, যিমানখিনি হ’ব লাগিছিল তাতকৈ বহুত কম। বৰ্তমানৰ কেৰিয়াৰিষ্ট যুগত কোনো ছাত্ৰ-ছাত্ৰীয়ে বাহিৰা আলোচনী, কিতাপ-পত্ৰ পঢ়াৰ সময় নাপায়। পঢ়া দেখিলেও আমি অভিভাৱকসকলে বিদ্যালয়ৰ কিতাপ পঢ়াৰ কথা কওঁ— ‘এনে কিতু পঢ়াৰ সময় পিছত আহিব।’ সৰুৰে পৰা অভ্যাস নকৰিলে পিছত কেতিয়া?

১ মাহৰ ৭২০ ঘণ্টাৰ পৰা মাত্ৰ ২ ঘণ্টা খৰছ কৰি কেনেভাৱে এক শৈক্ষিক বাতাবৰণ গঢ়িব পাৰি তাক আপুনি বৰ সুন্দৰভাৱে দেখুৱাইছে। এনে ব্যৱস্থাই সমাজত যুগান্তকাৰী পৰিৱৰ্তন আনিব তাত সন্দেহ নাই। এখন ঘৰ পৰিচালিত হ’বলৈ যেনেদৰে ঘৰৰ প্ৰতিজন সদস্যৰ একাত্মবোধ আৰু আনুগত্য ভাবৰ দৰকাৰ, এনেদৰে সমাজৰ বেলিকাও প্ৰতিজন নাগৰিকৰ নিজা কৰ্তব্য সচেতনতা থাকিব লাগিব। এতিয়া প্ৰশ্ন হ’ব এনে আহ্বান কিমানজনে গুৰুত্বসহকাৰে ল’ব?

‘মণিকাঞ্চন’ বাৰ্তালোচনীৰ মই সাধাৰণ পাঠক। গুৰুজনাৰ সঠিক বিশ্লেষণ ব্যৱস্থাৰ বাবে সঙ্ঘ ভাল লাগে। কিন্তু মই সঙ্ঘভুক্ত নহয়। সম্পাদকীয় শিতানেদি আপুনি কৰা আহ্বানৰ লগতে ময়ো অনুৰোধ জনাব খোজো যে— যিসকলে সভা-সমিতি, আলোচনা সভা আদিত বক্তা হিচাপে স্বীকৃতি পাই, আমন্ত্ৰিত হয়, বক্তব্য ৰাখে, তেখেতসকলে বক্তব্যখিনি লিখিত ৰূপত সংৰক্ষণ কৰক। সময়ত এই লেখাসমূহ মূল্যবান সম্পদত পৰিণত হ’ব।

‘মণিকাঞ্চন’ বাৰ্তালোচনী অসমৰ প্ৰতিঘৰ মানুহৰ আঁহে-কোঁহে সোমাই পৰক তাৰ কামনাৰে।❑❑

*(বাপজনাই সম্পাদকীয়ত চকু ফুৰোৱা বুলি জানি সুখী হ’লোঁ— সম্পাদক)*

# সংস্কৃতি শাখাৰ সভাপতিৰ অভিভাষণ

**বসুন্ধৰ ডেকা**

এটা জাতিৰ সুন্দৰ আচাৰ-ব্যৱহাৰ, ভাব-ভাষা, চিন্তা-চৰ্চা, চলন-ফুৰণ, পিন্ধন-উৰণৰ মাৰ্জিত ৰুচিয়েই হৈছে সংস্কৃতি। যি কামৰ সৌন্দৰ্যবোধ, সততা, সৃষ্টিধৰ্মিতা আছে; সত্য সুন্দৰ সেয়ে সংস্কৃতি। ড° লীলা গগৈৰ মতে যি শিল্প কৰ্মত সম্যক শৃজনশীলতা আছে, সৌন্দৰ্য আছে, মানৱতা আছে সিয়েই সংস্কৃতি। সংস্কৃতি এটা জাতিৰ জাতীয় জীৱনৰ বোঁৱতী সুঁতি। ‘অসমৰ সংস্কৃতি’ নামৰ গ্ৰন্থত নৱপ্ৰস্তৰ যুগতে অসমীয়া সংস্কৃতি আৰম্ভ হোৱা কথা উল্লেখ আছে। নৱপ্ৰস্তৰ যুগৰ পৰা ক্ৰমান্বয়ে মহাকাব্যৰ যুগ, তাম্ৰ শাসনৰ যুগ, শঙ্কৰী যুগ আৰু আধুনিক অসমীয়া সংস্কৃতি যুগৰ কথা উক্ত গ্ৰন্থতে উল্লেখ আছে। জীয়াই থকাৰ প্ৰয়োজনত সৃষ্টি কৰা শিল্পকৰ্মবোৰত সৌন্দৰ্যবোধৰ পৰশ পৰি সংস্কৃতিৰ দিশলৈ গতি কৰে। সংস্কৃতি ভৌগোলিক পৰিৱেশৰ ওপৰতো গঢ়ি উঠে। সংস্কৃতিৰ ক্ষেত্ৰ বৰ বিশাল। অসমীয়া সংস্কৃতি মংগোলীয়, অষ্ট্ৰিক আৰু আৰ্য উপাদানেৰে গঢ় লৈ উঠিছে। জ্যোতিপ্ৰসাদৰ মতে “মানুহৰ বস্তুগত, ভাবগত, আধ্যাত্মিক, জাগতিক সকলো সৃষ্টিকে সংস্কৃতিয়ে সামৰি লয়। মানুহৰ সৌন্দৰ্য পিপাসা, সৃজনশীলতা আৰু আত্মপ্ৰকাশৰ প্ৰেৰণাই নতুন নতুন সাংস্কৃতিক সম্পাকদৰ সৃষ্টি কৰে। ব্যৱহাৰিক দিশত সংস্কৃতিক বাহ্যিক আৰু আভ্যন্তৰীণ দুটা ভাগত ভাগ কৰা দেখা যায়। সাজ-পোছাক, পিন্ধন-উৰণ, খাৱন-শোৱন, পঢ়াশুনাৰ, ভাব-ভাষা, ঘৰ-দুৱাৰ, খেলা-ধূলা, নীতি-নিয়ম আদি বাহ্যিক আৰু প্ৰেম-প্ৰীতি, শ্ৰদ্ধা-ভক্তি, দয়া-ক্ষমা, সততা-মানৱতা আদি গুণবোৰ আভ্যন্তৰীণ।” সংস্কৃতি এক বিস্তৃত বিষয়। মানৱ জীৱনৰ মূল বস্তুটোৱে হৈছে সংস্কৃতি। ই গতিশীল। থমকি নৰই কাহানিও। এটা জাতি বা ভাষাক পৃথিৱীৰ লগত পৰিচয় কৰি দিব লাগিলে এটায়ে যোগসূত্ৰ আৰু সি হৈছে সংস্কৃতি। বিশ্বৰ সকলো জাতিৰে নিজৰ নিজৰ সংস্কৃতি আছে। সংস্কৃতি অবিহনে কোনো সামাজিক জীৱনৰ উন্নতি আশা কৰিব নোৱাৰি। সংস্কৃতিয়ে এটা জাতিক প্ৰেৰণা দিব পাৰে, ঐক্য আৰু সংহতি সুদৃঢ় কৰি নতুন সমাজ গঢ়ি তোলাৰ পথ প্ৰশস্ত কৰিব পাৰে। ভাৰতীয় সংস্কৃতিৰ প্ৰতিভূ হ’ল কৃষ্ণ চৰিত্ৰ আৰু কৃষ্ণ সংস্কৃতি। শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ ‘কীৰ্ত্তন’ আৰু ‘দশম’ত কৃষ্ণ চৰিত্ৰৰ মাজেৰে উৎকৃষ্ট সভ্যতা আৰু সংস্কৃতি সৃষ্টি হৈছে। কৃষ্ণ সংস্কৃতি হ’ল অতি উৎকৃষ্ট; সত্য শিৱ সুন্দৰৰ বৰ্ণাঢ্য সংস্কৃতি। আমাৰ সংস্কৃতি কৃষ্ণ সংস্কৃতিয়ে জীপাল কৰি ৰাখিছে। মহাভাৰত, ৰামায়ণ, বেদ, পুৰাণ, ভাগৱত আদি গ্ৰন্থৰ মূলতত্ত্ব হ’ল কৃষ্ণ তত্ত্ব। হিংসা, দ্বেষ, কপটতা, শোষণ, পীড়ন, দমন, লুণ্ঠনৰ অন্য নাম দুষ্কৃতি। ভগৱান কৃষ্ণই দুষ্কৃতিৰ বিনাশ সাধি আহিছে। দৈত্য, দানৱ, ৰাক্ষস, পিশাচবোৰ সংস্কৃতিৰূপী কৃষ্ণৰ হাতত বিনাশ ঘটিছে। সকলোৰে অন্তৰাত্মা জগদ্বীশ ‘কৃষ্ণ স্বয়ং ভগৱান’ একমাত্ৰ পৰম সত্য। সংস্কৃতিৰ ৰূপ শ্ৰীকৃষ্ণই একমাত্ৰ দুৰ্গতি তাৰণৰ উপায় বুলি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে জগতবাসীক জনাই দিলে—

“কৃষ্ণৰ চৰণে সবে লৈলন্ত শৰণ।
হৰি বিনা নাহি আন দুৰ্গতি তাৰণ।।”

যি জাতিৰ কৃষ্টি-সংস্কৃতি আৰু ধৰ্মীয় চেতনামূলক কৃষ্ণকেন্দ্ৰিক সেই জাতিয়েই উন্নত জাতি। সত্য যুগত মানুহৰ জাত আছিল এটা। ভগৱানক সেৱা পূজা কৰায়েই আছিল তেওঁলোকৰ ধৰ্ম।

সত্য যুগ আছিল পূৰ্বত।
সবে ভৈল হৰিৰ ভকত।।
সবাৰো ভৈলেক শুদ্ধমতি।
কৃষ্ণৰেসে চৰণত ৰতি।।

গুৰুজনাই কৃষ্ণ চৰিত্ৰক কেন্দ্ৰ কৰি জন্ম দিছিল কৃষ্ণ সংস্কৃতি। মানৱ সমাজৰ অসম্পূৰ্ণখিনি পূৰ্ণ কৰি মানৱৰ কল্যাণৰ বাবে মূল ভেটি হিচাপে লৈছিল কৃষ্ণ সংস্কৃতি। তাৰাই বেদ-বেদান্ত, গীত, ভাগৱত, মহাভাৰত, পুৰাণ আদিৰ তত্ত্ব আৰু আধ্যাত্মিক দৰ্শনক আধাৰ হিচাপে লৈ এক পৰম পুৰুষক ধ্যান-ধাৰণাৰে জন্ম দিছিল একশৰণ নামধৰ্মৰ। “এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ”— এয়া আছিল একশৰণ নামধৰ্মৰ মূলতত্ত্ব। কৃষ্ণ ভক্তিয়েই নামধৰ্মৰ মূল উপজীব্য। গুৰুজনাৰ সৃষ্ট মহান সংস্কৃতিক শঙ্কৰী সংস্কৃতি বোলা হয়। শঙ্কৰী সংস্কৃতিৰ মূল বস্তু হ’ল ধৰ্ম ভিত্তিক। ধৰ্মক কেন্দ্ৰ কৰিয়েই সাংস্কৃতিক উপাদানসমূহ বিকশিত হৈ উঠে। নামঘৰ সংস্কৃতিৰ অন্যতম উপাদান। শঙ্কৰী সংস্কৃতিৰ ঐশ্বৰ্য আৰু বিশালতা সমগ্ৰ অসমৰ নামঘৰৰ সম্পত্তি। নামঘৰত ভগৱন্তৰ একান্ত সুহৃদ ভকতসকলে নিৰ্গুণ কৃষ্ণৰ গুণ নাম শ্ৰৱণ-কীৰ্তন কৰে। নামঘৰত নামৰ পৰিৱেশত হৰিভকত, হৰিনাম, হৰিভক্তি আৰু ভগৱন্ত কৃষ্ণ এই চাৰিৰ সংযোগ ঘটে। শঙ্কৰী সঙ্গীতৰ গীত, নৃত্য, বাদ্য আৰু নাট্যৰ অনুশীলন নামঘৰতে হয়। ভাস্কৰ্য, কলাশিল্প, কৰ্ম সংস্কৃতিৰ পৰিৱেশে মানুহৰ মন সুন্দৰতম কৈ গঢ় দিয়ে। আধ্যাত্মিক শিক্ষা, সাহিত্য চৰ্চাৰ পৰিৱেশ গঢ়ি উঠে। নামঘৰ ৰাইজৰ আদালত স্বৰূপ। সমগ্ৰ অসমতে শঙ্কৰী সংস্কৃতিৰ সুবাস সিঁচৰতি হৈ আছে। এই সকলোৰে সমন্বয়তে মূল সংস্কৃতিৰ স্বৰূপ বিচাৰি উলিয়াব পৰা যাব বুলি সংস্কৃতিৰ গৱেষকসকলে লেখাসমূহত উল্লেখ কৰিছে। শ্ৰীমন্ত শঙ্কৰদেৱে দৃশ্য-শ্ৰাব্য মাধ্যমৰ যোগেদি যি সংস্কৃতিৰ সৃষ্টি কৰিলে সেই সংস্কৃতিয়ে আমাৰ জাতিক সবল কৰিছে। ১৯ বছৰ বয়সত গুৰুজনাই বৰদোৱাত এক অভিনৱ শক্তিৰে চিহ্নযাত্ৰা ভাওনাৰ যোগেদি শঙ্কৰী সঙ্গীতৰ জন্ম দিয়ে। শঙ্কৰী সঙ্গীতে আমাৰ শাৰীৰিক, মানসিক, আধ্যাত্মিক উৎকৰ্য সাধন কৰে। সংগীতৰ যোগেদি চিকিৎসা কৰোৱা ব্যৱস্থা আছে। সঙ্গীতে উদ্ভিদ প্ৰজাতিৰ বাঢ়নতো সহায় কৰে। এনেবোৰ কাৰণতে গুৰুজনাই সংগীত চৰ্চাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। শ্ৰীমন্ত শঙ্কৰদেৱ এগৰাকী নিজে নিপুণ সঙ্গীতজ্ঞ, একেধাৰে গীতিকাৰ, সুৰকাৰ, গায়ক, বাদক আৰু নৰ্তক। তাৰাই বৰগীত, ভটিমা, টোটয়, চপয় আদিৰ উপৰি অঙ্কীয়া নাটৰ বাবে লিখি উলিয়াইছিল ভালেমান অঙ্কীয়া গীত। এই সমূহ আছিল ভাব-ভাষা-সুৰ আৰু মাধুৰ্যৰে সমৃদ্ধ; উচ্চ নৈতিক ভাবাদৰ্শপুষ্ট, কৃষ্ণ ভক্তি মাহাত্ম্যসূচক ৰাগসম্বলিত। তাৰাৰ গীতসমূহৰ সাংগীতিক মূল্য উচ্চমানবিশিষ্ট। ছোঁ, মুখা আদিৰ লগতে খড়্গ, তৰোৱাল, ধনু, মুদগৰ, গদা, তুৰ্ণ, কাঁড় আদি ভাওনাৰ সঁজুলি, সিংহাসন, অগ্নিগড়, পুথি, ঠগা, শৰাই, বন্তি, আঁড়িয়া, ভোটা আদি বিবিধ ভাস্কৰ্য গুৰুজনাই নিজে আৰু শিষ্যসকলৰ সহযোগত সজাইছিল। তাৰাৰ লোকসংগ্ৰহ আৰু লোকৰঞ্জনৰ বাবে এই ভাস্কৰ্য ব্যৱহাৰ কৰিছিল যদিও এই সকলোবোৰ সংস্কৃতিৰ উপাদান। গুৰুজনাই ভগৱানৰ গুণ-গৰিমা শ্ৰৱণ-কীৰ্তনাৰ্থে যি ধৰ্মীয় নৃত্য ধাৰাৰ সৃষ্টি কৰিছিল সেয়াই শঙ্কৰী নৃত্য। তাৰাই শাস্ত্ৰীয় উপাদানৰ লগত থলুৱা সংমিশ্ৰণ ঘটাই অসমৰ মাটি, পানী, বায়ুৰ লগত খাপ খাব পৰাকৈ এই নৃত্যৰ জন্ম দিছিল। বালক কৃষ্ণ নৃত্য, নাড়ুভঙ্গী, ঝুমুৰা, চালি, সূত্ৰধাৰ, বৰপ্ৰৱেশ, গোসাঁই নৃত্য, গোপী নৃত্য আদি মহাপুৰুষৰ সৃষ্ট নৃত্য। অসমত ইতিহাসে ঢুকি পোৱাৰ সময়ৰে পৰাই বিবিধ নৃত্যৰ প্ৰচলন আছিল। পঞ্চম ষষ্ঠ শতিকাৰ প্ৰাপ্ত লিপিসমূহত সঙ্গীত নৃত্যৰ সমৃদ্ধ ঐতিহ্যৰ বিষয়ে জনা যায়। সপ্তম শতিকাতে কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজ সভাত ৰাজ অতিথি পৰিব্ৰাজক হিউৱেন চাঙৰ সন্মানাৰ্থে নৃত্য-গীতৰ আয়োজন কৰাৰ কথা ইতিহাসত লিপিবদ্ধ হৈ থকা দেখা

(১৪ পৃষ্ঠাত চাওক)

## বা-বাতৰি

### মহাপুৰুষ মাধৱদেৱৰ আৱিৰ্ভাৱ মহোৎসৱ পালন

**গোলাঘাট ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ঢেকীয়াল আঞ্চলিক শাখাই মহাপুৰুষ মাধৱদেৱৰ ৫২৫সংখ্যক আৱিৰ্ভাৱ মহোৎসৱভাগ যোৱা ১, ২ জুনত দুদিনীয়া কাৰ্যসূচীৰে শিশু, আই-মাতৃ আৰু সমাৰোহ হিচাপে আঞ্চলিক শাখাৰ অন্তৰ্গত জগন্নাথ প্ৰাথমিক শাখাৰ আতিথ্যত পালন কৰা হয়। প্ৰথম দিনা সাহিত্য, সংস্কৃতিৰ প্ৰতিযোগিতা আৰু দ্বিতীয় দিনা মুকলি সভাভাগিত সভাপতিত্ব কৰে ঢেকীয়াল আঞ্চলিক শাখাৰ স্থায়ী সভাপতি শ্ৰীপ্ৰফুল্ল নেওগ বাপে আৰু উদ্বোধন কৰে আঞ্চলিক শাখাৰ সম্পাদক শ্ৰীপলাশ কুমাৰ বৰা বাপে। বক্তৃতা প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰা শ্ৰীশিখামণি বৰা আৰু মূলসঙ্ঘৰ সদস্য তথা মৰিগাঁও জিলা শাখাৰ শ্ৰীযুত জীৱকান্ত নাথ বাপে নিৰ্দিষ্ট বক্তাৰ ভাষণ দি সভাখনিৰ সৌষ্ঠৱ বৃদ্ধি কৰে।◆

**তেজপুৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ জামুগুৰি আঞ্চলিক শাখাৰ উদ্যোগত যোৱা ২জুন তাৰিখে শঙ্কৰী সংস্কৃতি বিকাশ কেন্দ্ৰত মাধৱদেৱৰ ৫২৫ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱভাগ দিনযোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। পুৱা ৯ বজাত ধৰ্মধ্বজা উত্তোলন কৰে আঞ্চলিক শাখাৰ সভাপতি শ্ৰীধৰণীধৰ বৰা বাপে। ১০ বজাৰ পৰা নাম-প্ৰসঙ্গ, প্ৰসাদ বিতৰণ কাৰ্যসূচীৰ অন্তত বিয়লি ১ বজাৰ পৰা সাহিত্য শাখাৰ সহযোগত ধৰ্মালোচনী আৰু প্ৰয়াত আৰতি হাজৰিকা সোঁৱৰণী বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাভাগ উদ্বোধন কৰে পদ্মপুৰ প্ৰাথমিকৰ জ্যেষ্ঠ সঙ্গী শ্ৰীনিৰঞ্জন কাকতিবাপে আৰু সভাপতিত্ব কৰে জামুগুৰি আঞ্চলিক শাখাৰ সভাপতি শ্ৰীধৰণীধৰ বৰাবাপে। সভাত নিৰ্দিষ্ট অতিথি হিচাপে মহাপুৰুষ মাধৱদেৱৰ জীৱনৰ বিভিন্ন দিশ তথা নাম-ঘোষাৰ শ্ৰেষ্ঠত্ব সন্দৰ্ভত বিস্তৃত ব্যাখ্যা আগবঢ়াই ৰঙাচকুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক শ্ৰীকৰুণা শইকীয়াই। উক্ত সভাতেই পাঁচগৰাকী বক্তাই প্ৰয়াত আৰতি হাজৰিকা সোঁৱৰণী বক্তৃতা প্ৰতিযোগিতাত অংশ লয়। প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে শ্ৰীপাপৰি বৰা আৰু দ্বিতীয় পুৰস্কাৰ লাভ কৰে শ্ৰীৰিংকু বৰাই।◆

### লেখা আহ্বান 'কাব্যশিল্পত মাধৱদেৱ'

**ডিব্ৰুগড় ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ডিব্ৰুগড় জিলা শাখাই 'কাব্যশিল্পত মাধৱদেৱ' শীৰ্ষক এখনি কবিতা সংকলন প্ৰকাশৰ প্ৰস্তুতি চলাইছে। উক্ত গ্ৰন্থৰ বাবে মাধৱদেৱৰ বিষয়ত ৰচিত দুটিকৈ কবিতা ন-পুৰণি সকলো কবিৰ পৰা বিচৰা হৈছে। মাধৱদেৱৰ বিষয়ত ৰচিত অগ্ৰজ কবিসকলৰ কবিতা কোনো সদাশয় ব্যক্তিৰ ওচৰত থাকিলে জেৰক্স কপি কৰি প্ৰেৰণ কৰিবলৈ বিনম্ৰ অনুৰোধ জনোৱা হৈছে আৰু তেনেক্ষেত্ৰত সংগ্ৰাহক ব্যক্তিগৰাকীৰ নাম গ্ৰন্থখনিত কৃতজ্ঞতাৰে উল্লেখ কৰা হ'ব। কবিতাসমূহ ৩১/১০/২০১৩ তাৰিখৰ ভিতৰত তলৰ ঠিকনাত পঠিয়াবলৈ অনুৰোধ জনোৱা হ'ল।◆

শ্ৰীপ্ৰদীপ হাজৰিকা, সম্পাদক, ডিব্ৰুগড় জিলা সাহিত্য শাখা, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, জ্যোতিনগৰ, নামৰূপ , ডাক ঃ পৰ্বতপুৰ, পিন নং- ৭৮৬৬২৩

### শৰণ-ভজন অনুষ্ঠান

**তেজপুৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, জামুগুৰি আঞ্চলিক শাখাৰ বাৰ্ষিক কৰ্ম-আঁচনি অনুযায়ী যোৱা ২৩ মে' তাৰিখে শৰণ শিবিৰ আৰু ২৫মে' তাৰিখে ভজন শিবিৰ অনুষ্ঠিত হৈ যায়। জামুগুৰি আঞ্চলিক শাখাৰ সৌজন্যত শঙ্কৰী সংস্কৃতি বিকাশ কেন্দ্ৰ নামঘৰত সৰ্বমুঠ ১৫৪জন যুৱক-যুৱতীয়ে শৰণ গ্ৰহণ কৰে আৰু ১১৬ জনে ভজন গ্ৰহণ কৰে। দুয়োদিনৰ কাৰ্যসূচী ৰূপায়নত অংশগ্ৰহণ কৰে তেজপুৰ জিলা শাখাৰ শৰণ সদস্য শ্ৰীমহেশ্বৰ শইকীয়াবাপে।◆

### শান্তি সমদল আৰু আলোচনা-চক্ৰ

**তেজপুৰ ঃ** অহা ০২ অক্টোবৰ'১৩ তাৰিখে কেন্দ্ৰীয় ভিত্তিত তেজপুৰ জিলা আই-মাতৃ কল্যাণ শাখাৰ উদ্যোগত জিলা শাখাৰ অন্তৰ্গত জামুগুৰি আঞ্চলিক শাখাৰ কীৰ্তনগৃহ প্ৰাঙ্গনত শান্তি সমদল আৰু মূল সাহিত্য শাখাৰ সহযোগত এটি আলোচনা-চক্ৰ কাৰ্যসূচী অনুষ্ঠিতকৰণৰ ব্যৱস্থা কৰা হৈছে। উক্ত কাৰ্যসূচীত জিলা শাখাৰ বাপ-আইমাতৃ সমস্তৰ সকলো প্ৰকাৰৰ সহায়-সহযোগিতাৰ বাবে জিলা শাখাৰ তৰফৰ পৰা সেৱা ধৰা হৈছে।◆

### সেৱাবাহিনীৰ সাধাৰণ পৰিষদ

**শিৱসাগৰ ঃ** যোৱা ৭/৭/২০১৩ তাৰিখ দেওবাৰে দিনৰ ১১ বজাত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, নাজিৰা জিলা শাখাৰ অন্তৰ্গত শিলাকুটি আঞ্চলিক শাখাৰ সেৱাবাহিনীৰ সাধাৰণ পৰিষদখন ৪৩জন সেৱক-সেৱিকাৰ উপস্থিতিত সভাখনি অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে আঞ্চলিক শাখাৰ সভাপতি শ্ৰীপ্ৰমোদ তামুলীবাপে। সভাখনি উদ্বোধন কৰে জিলা শাখাৰ সহকাৰী সম্পাদক শ্ৰীযতীন লাহনবাপে।

সভাৰ অন্যতম কাৰ্যসূচী যুৱক-যুৱতীসকলক আধ্যাত্মিক পাঠদান আগবঢ়াই আঞ্চলিক শাখাৰ সভাপতি শ্ৰীপ্ৰমোদ তামুলীবাপে। উক্ত সভাত আঞ্চলিক শাখাৰ ১৩জনীয়া এখন সঞ্চালন সমিতি গঠন কৰা হয়। নিয়ন্ত্ৰক শ্ৰীপ্ৰমোদ তামুলী, সচিব শ্ৰীযোগেন খনিকৰ, উপ-সচিব শ্ৰীবিকাশ গগৈ, নায়ক শ্ৰীমিণ্টু খনিকৰ আৰু সদস্য-সদস্যা। সভাত নাজিৰা জিলা শাখাৰ সভানেত্ৰী শ্ৰীৰেখা তামুলী উপস্থিত থাকি সেৱাবাহিনী কৰ্ম-আঁচনিৰ সন্দৰ্ভত দুআষাৰ আগবঢ়ায়।

সভাৰ অন্তত সেৱাবাহিনী কৰ্ম-আঁচনিৰ অন্তৰ্গত পৰিৱেশ উন্নয়ন কাৰ্যসূচী অনুসৰি গড়গাঁও প্ৰাথমিক শাখাৰ গুৰুগৃহৰ পৰা আৰম্ভ কৰি বৰদোৱা মুখলৈকে বাট-পথৰ পৰিৱেশ উন্নয়ন কৰা হয়।◆

### প্ৰচাৰ সভা

**মৰিগাঁও ঃ** শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ প্ৰচাৰ শাখাৰ উদ্যোগত আৰু মৰিগাঁও জিলা প্ৰচাৰ শাখাৰ সৌজন্যত শিলপুখুৰী আঞ্চলিক শাখাৰ আতিথ্যত মৰিগাঁও জিলাৰ মিকিৰভেটা ৰামমন্দিৰ প্ৰাঙ্গনত যোৱা ১৩ জুলাই তাৰিখে এখন প্ৰচাৰ সভা অনুষ্ঠিত হয়। সভাখনৰ লগত সঙ্গতি ৰাখি ১২জুলাই তাৰিখে সন্ধ্যাৰ পৰা ভাগৱত পাঠ আৰু ব্যাখ্যা, পুৱা ১০ বজাত এখনি প্ৰচাৰ ফলক উন্মোচন কৰে জিলা সভাপতি শ্ৰীগণেশ বৰাবাপে। দিনৰ ১২ বজাত জিলা সভাপতি শ্ৰীগণেশ বৰাবাপৰ সঞ্চালনাত প্ৰচাৰ সভাখনি অনুষ্ঠিত হয়। সভা উদ্বোধন কৰে শৰণ সদস্য শ্ৰীমেম্বৰ দেউৰীবাপে আৰু নিৰ্দিষ্ট বক্তাৰ ভাষণ ৰাখে শ্ৰীপ্ৰদীপ কুৰ্মী আৰু শ্ৰীযোগেশ লয়িংবাপে। সভাত জিলা সম্পাদক শ্ৰীদীপাঙ্কৰ বৰদলৈবাপৰ উপৰি জিলা প্ৰচাৰ শাখাৰ বিষয়ববীয়া আৰু আঞ্চলিক শাখাৰ কেইবাশলোক সভাত উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। জিলা সম্পাদক বাপে, আঞ্চলিক শাখালৈ কাৰ্যসূচী ৰূপায়নত আতিথ্য আগবঢ়াই সেৱা আগবঢ়োৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।◆

### সাহিত্য আৰু শঙ্কৰী সংস্কৃতি কৰ্মশালা

**মৰিগাঁও ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, মৰিগাঁও জিলা শাখাৰ শিলপুখুৰী আঞ্চলিক শাখাই যোৱা ১৫/৭/১৩ৰ পৰা ২৪/৭/১৩ তাৰিখলৈ ১০ দিনীয়া এটি সাহিত্য আৰু সংস্কৃতি শাখাৰ প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত কৰে। ৯১গৰাকী শিক্ষাৰ্থীয়ে কৰ্মশালাত অংশগ্ৰহণ কৰে। সংস্কৃতি শাখাৰ প্ৰশিক্ষণ প্ৰদান কৰে নৃত্য আৰু বায়ন বিষয়ত শ্ৰীমানিক পাতৰবাপে আৰু গায়ন বিষয়ত শ্ৰীভাৰ্গৱ শইকীবাপে। মূলৰ সংস্কৃতি শাখাৰ সম্পাদক শ্ৰীপৱিত্ৰপ্ৰাণ বৰাবাপেও এদিনৰ প্ৰশিক্ষণত অংশগ্ৰহণ কৰে। সাহিত্য শাখাৰ বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰে শ্ৰীলাহেশ্বৰ বৰদলৈ আৰু শ্ৰীঅনিল বৰ্মনবাপে। প্ৰশিক্ষণৰ অন্তত সকলো প্ৰশিক্ষাৰ্থীক আঞ্চলিক শাখাৰ তৰফৰ পৰা মানপত্ৰ প্ৰদান কৰা হয়।◆

### শঙ্কৰী সঙ্গীত প্ৰশিক্ষণ কৰ্মশালা

**মৰিগাঁও ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মৰিগাঁও জিলা সংস্কৃতি শাখাৰ পৰিচালনাত আৰু কুশতলি আঞ্চলিক শাখাৰ আতিথ্যত কুশতলি নিগম প্ৰাথমিক শাখাৰ নামঘৰ আৰু কুশতলি প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গনত শঙ্কৰী সঙ্গীতৰ ৪দিনীয়া এটি প্ৰশিক্ষণ কৰ্মশালা ২৬ জুলাই তাৰিখৰ পৰা অনুষ্ঠিত কৰা হয়। ২৬জুলাই হোৱা উদ্বোধনী সভাখনিৰ সঞ্চালনা কৰে জিলা সংস্কৃতি শাখাৰ সভাপতি শ্ৰীধ্ৰুৱেশ্বৰ ডেকাবাপে, বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি বক্তব্য ৰাখে জিলা শাখাৰ সম্পাদক শ্ৰীদীপাঙ্কৰ বৰদলৈ বাপে আৰু প্ৰাক্তন জিলা সম্পাদক আৰু প্ৰাক্তন সম্পাদক শ্ৰীপ্ৰদীপ কুমাৰ বৰাবাপে। প্ৰশিক্ষণ সত্ৰ উদ্বোধন কৰে জিলা সাহিত্য শাখাৰ সভাপতি তথা বিশিষ্ট কবি শ্ৰীহৰেন্দ্ৰ বৰা বাপে। প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰে জিলা সংস্কৃতি শাখাৰ সম্পাদক শ্ৰীপ্ৰমোদ ডেকা, সৰ্বশ্ৰী প্ৰসন্ন কুমাৰ মেধি, পৰাগজ্যোতি বৰদলৈ, তাপস বৰদলৈ আৰু শেৱালী ডেকাই। প্ৰায় ১২০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে এই প্ৰশিক্ষণ সত্ৰত অংশগ্ৰহণ কৰে।◆

### গ্ৰীষ্মকালীন শিশু সমাৰোহ

**গুৱাহাটী ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ গুৱাহাটী মহানগৰী জিলা শিশু আৰু আই-মাতৃ কল্যাণ শাখাৰ উদ্যোগত যোৱা ৭ জুলাই ২০১৩ তাৰিখে শিলপুখুৰী নামঘৰত পঞ্চদশ শিশু সমাৰোহভাগি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। শাখাৰ সভানেত্ৰী শ্ৰীগুণপ্ৰভা দেৱীৰ সঞ্চালনাত আৰু সম্পাদিকা শ্ৰীসৰোজ মালিৰ পৰিচালনাত নানা প্ৰতিযোগিতা অনুষ্ঠিত হয়। আবেলি জিলা সভাপতি শ্ৰীতপন বৰাবাপৰ সভাপতিত্বত এখন বঁটা বিতৰণি সভা অনুষ্ঠিত হয়। অনুষ্ঠানত প্ৰায় ডেৰশতাধিক শিশুৱে অংশগ্ৰহণ কৰে।◆

### শিশু, যুৱ আৰু আই-মাতৃ সমাৰোহ

**গুৱাহাটী ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ গুৱাহাটী মহানগৰী জিলা শাখাৰ ৩৬সংখ্যক বৰ্ষৰ কৰ্ম-আঁচনি অনুসৰি জিলা শাখাৰ ঊনবিংশতিতম বাৰ্ষিক শিশু, যুৱ আৰু আই-মাতৃ সমাৰোহভাগি এইবেলি শ্ৰীৰামআতা আঞ্চলিক শাখাৰ অন্তৰ্গত নুনমাটি প্ৰাথমিক শাখাৰ নামঘৰ প্ৰাঙ্গনত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ১১, ১২, ১৩ অক্টোবৰ, ২০১৩ তাৰিখে অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। শ্ৰীবিনোদ কুমাৰ নাথবাপক সভাপতি, শ্ৰীচন্দ্ৰপ্ৰভা বৰুৱা আইক কাৰ্যকৰী সভানেত্ৰী আৰু শ্ৰীঅনি কুমাৰী আইক সাধাৰণ সম্পাদিকা হিচাপে লৈ এখন শক্তিশালী আদৰণি সমিতি যোৱা ১৩ জুলাই তাৰিখে গঠন কৰা হয় আৰু অনুষ্ঠানভাগি সফল ৰূপায়ণৰ বাবে ৫খন উপ-সমিতিও গঠন কৰা হয়।◆

### মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৬৫সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ

**গুৱাহাটী ঃ** জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৬৫সংখ্যক আৱিৰ্ভাৱ মহোৎসৱভাগি এইবেলি মথুৰাদাস বুঢ়া আতা আঞ্চলিক শাখাৰ আতিথ্যত ২৬, ২৭ অক্টোবৰ, ২০১৩ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হ'ব। উক্ত অনুষ্ঠানভাগি সফল ৰূপায়নৰ বাবে ২৭/৭/১৩ তাৰিখে চম্পাৱতী হাইস্কুলত এখন আদৰণি সমিতি গঠন কৰা হয়।◆

### সাহিত্য আৰু শঙ্কৰী সংস্কৃতিৰ কৰ্মশালা

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, লখিমপুৰ জিলা শাখাৰ অন্তৰ্গত মাধৱজ্যোতি আঞ্চলিক শাখাৰ উদ্যোগত বামুনদলনী গাঁৱৰ চিন্তামণি প্ৰাথমিক শাখাৰ নামঘৰত ২১ জুলাইৰ পৰা ২৬ জুলাই'১৩ তাৰিখলৈ ছদিনীয়া কাৰ্যসূচীৰে সাহিত্য আৰু শঙ্কৰী সংস্কৃতিৰ বিষয়কলৈ এখনি কৰ্মশালা অনুষ্ঠিত হৈ যায়।

২১ জুলাই তাৰিখৰ প্ৰথম কাৰ্যসূচী অনুসৰি পুৱা প্ৰাতঃ প্ৰসঙ্গৰ পিছত ৭বজাত বৃক্ষৰোপণ কৰে দেওবিল প্ৰাথমিক শাখাৰ নামঘৰীয়া শ্ৰীসৰুৰাম বৰি বাপজনাই। পুৱা ৮ বজাত ধৰ্মধ্বজা উত্তোলন কৰে মাধৱজ্যোতি আঞ্চলিক শাখাৰ সভাপতি শ্ৰীব্ৰজেন নাথ দাসবাপে। দিনৰ ১১ বজাত কৰ্মশালাভাগি শুভ উদ্বোধন কৰে জিলা শাখাৰ সভাপতি শ্ৰীঘন দত্তবাপে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে জিলাৰ সাহিত্য শাখাৰ সম্পাদক শ্ৰীধনেশ্বৰ তামুলী ফুকনবাপ। মাধৱজ্যোতি আঞ্চলিক শাখাৰ অন্তৰ্গত ২০খন প্ৰাথমিক শাখাৰ শিশু, যুৱক-যুৱতী আৰু আই-

(১১ পৃষ্ঠাত চাওক)

# কৃতিত্ব

**গোলাঘাট ঃ** সদ্যঘোষিত ২০১৩ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত শ্ৰীপ্ৰাঞ্জল শইকীয়াই ঐচ্ছিক অসমীয়াত লেটাৰ নম্বৰ লাভ কৰি প্ৰথম বিভাগত উত্তীৰ্ণ হয়। এওঁ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ দৈয়াং আঞ্চলিক শাখাৰ কৃষ্ণপুৰ প্ৰাথমিক শাখাৰ সঙ্গী শ্ৰীডম্বৰুধৰ শইকীয়া আৰু শ্ৰীললিতা শইকীয়া আইৰ পুত্ৰ।◆



**গোলাঘাট ঃ** শ্ৰীমান সুৰজিৎ নেওগ ঢেকীয়াল আঞ্চলিক শাখাৰ সভাপতি শ্ৰীপ্ৰফুল্ল নেওগ আৰু মাতৃ শ্ৰীতিলোত্তমা নেওগৰ কনিষ্ঠ পুত্ৰ। এওঁ সদ্যঘোষিত হাইস্কুল শেষান্ত পৰীক্ষাত ঢেকীয়াল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা শতকাৰ ৯২.১৭ নম্বৰ লাভ কৰি ডিষ্টিংচনসহ কৃতিত্ব অৰ্জন কৰি পৰিয়াল, বিদ্যালয়ৰ লগতে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘলৈ গৌৰৱ কঢ়িয়াই আনে।◆



**গোলাঘাট ঃ** ঢেকীয়াল আঞ্চলিক শাখাৰ ১নং কাকতি নপমুৰা প্ৰাথমিক শাখাৰ সঙ্গী শ্ৰীদুলাল চন্দ্ৰ বৰা আৰু শ্ৰীৰিজু বৰাৰ কন্যা শ্ৰীতৃষ্ণা বৰাই সদ্যঘোষিত উচ্চতৰ মাধ্যমিকৰ শেষান্ত পৰীক্ষাত কলা শাখাত ইংৰাজী আৰু অসমীয়া বিষয়চ লেটাৰ নম্বৰ লাভ কৰি প্ৰথম বিভাগত বেতিয়নী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা উত্তীৰ্ণ হৈ কৃতিত্ব অৰ্জন। এওঁ শতকৰা ৭৮.৪ নম্বৰ।



বিশেষ উল্লেখনীয় যে তৃষ্ণা বৰাই ভাৰত ভিত্তিত অনুষ্ঠিত হোৱা ৰচনা প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰি ৰাষ্ট্ৰপতিৰ পৰা বঁটা ল'বৰ বাবে আমন্ত্ৰণ পাইছে। ৰচনাৰ বিষয় আছিল— "Parliamentary Democracy : Gateway to a Good Governance"◆

**গোলাঘাট ঃ** ঢেকীয়াল আঞ্চলিক শাখাৰ ভৰদৈগুৰি জগন্নাথ প্ৰাথমিক শাখাৰ সঙ্গী শ্ৰীদুৰ্গেশ্বৰ বৰাৰ কন্যা শ্ৰীকৃষ্ণাশ্ৰী বৰাই সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত লেটাৰ নম্বৰসহ প্ৰথম বিভাগত বেতিয়নী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা কলা শাখাত উত্তীৰ্ণ হৈ কৃতিত্ব অৰ্জন কৰে। এওঁ শতকৰা নম্বৰ ৭০.৮।◆



**ডিব্ৰুগড় ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ডিব্ৰুগড় জিলা শাখাৰ টেঙাখাট আঞ্চলিক শাখাৰ অন্তৰ্গত শঙ্কৰজ্যোতি প্ৰাথমিক শাখাৰ শ্ৰীস্মৃতিৰেখা গগৈয়ে ২০১৩ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ কলা শাখাত অসমীয়া আৰু বুৰঞ্জী বিষয়ত লেটাৰ সহ ৭৭% নম্বৰ লাভ কৰি প্ৰথম বিভাগত উত্তীৰ্ণ হয়। এওঁ টেঙাখাটৰ নকাৰি শেনচোৱা গাঁৱৰ নিবাসী তথা প্ৰাথমিক শাখাৰ সম্পাদক শ্ৰীপবিত্ৰ নাৰায়ণ গগৈ আৰু শ্ৰীমনীষা গগৈৰ দ্বিতীয়া কন্যা।◆



**ডিব্ৰুগড় ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ডিব্ৰুগড় জিলা শাখাৰ ডিব্ৰুগড় আঞ্চলিক শাখাৰ অন্তৰ্গত গোবিন্দগিৰি প্ৰাথমিক শাখাৰ শ্ৰীপৰীক্ষিত লাহনে ২০১৩ বৰ্ষৰ ডিব্ৰুগড় চেন্ট জেভিয়াৰ্চ স্কুলৰ পৰা অৱতীৰ্ণ হৈ কম্পিউটাৰ চাইন্স আৰু অসমীয়া বিষয়ত লেটাৰ সহ প্ৰথম বিভাগত উত্তীৰ্ণ হয়। এওঁ শ্ৰীঅমূল লাহন আৰু শ্ৰীনিৰ্মলা লাহনৰ পুত্ৰ।◆



**তিনিচুকীয়া ঃ** যোৱা ২৫/৬/২০১৩ তাৰিখে ঘোষণা হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ পৰীক্ষাত শ্ৰীচন্দ্ৰ কমল বড়াই ৰাজনীতি বিজ্ঞান বিভাগত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰিছে। তেওঁ যোৱা মে' মাহত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত "North-East India Spring Festival"ত ইংৰাজী মাধ্যমত হোৱা আন্তঃ-বিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতাত উত্তৰ-পূৱ ভাৰতৰ ভিতৰতে তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। এওঁ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, তিনিচুকীয়া জিলা শাখাৰ প্ৰখ্যাত নিবন্ধকাৰ শ্ৰীউমেশ বড়াবাপৰ কনিষ্ঠ পুত্ৰ।◆



**গোলাঘাট ঃ** ২০১৩ বৰ্ষৰ উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা (বিজ্ঞান শাখা)ত শ্ৰীঅভিজ্ঞান শইকীয়াই উত্তৰ লখিমপুৰ জেনিয়াচ একাডেমীৰ পৰা (অসমীয়া-৯৩, ইংৰাজী-৮৪ গণিত- ৮৫, ৰসায়ন বিজ্ঞান-৮২, পদাৰ্থ বিজ্ঞান-৮৫) পাঁচটা বিষয়ত লেটাৰসহ শতকৰা ৮৫.৬% নম্বৰ পাই ষ্টাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ ডুবিয়া আঞ্চলিক তথা গহপুৰ জিলা শাখালৈ গৌৰৱ কঢ়িয়াই আনিছে। পিতৃ- শ্ৰীগুণাৰাম শইকীয়া, মাতৃ- শ্ৰীস্বপ্না শইকীয়া দুয়োগৰাকী হাইস্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী হোৱাৰ উপৰি গুণাৰাম শইকীয়াবাপে আঞ্চলিক শাখাটিৰ সম্পাদক আৰু সভাপতি পদ অলংকৃতি কৰিছে।◆



**গুৱাহাটী ঃ** শ্ৰীশান্তনা দাসে সদস্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত (ইংৰাজী, অসমীয়া, ৰাজনীতি বিজ্ঞান, ল'জিক) চাৰিটা বিষয়ত লেটাৰ নম্বৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হয়। এওঁ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ গুৱাহাটী মহানগৰী জিলা শাখাৰ হৰিজোঁৱাই প্ৰাথমিক প্ৰাথমিক শাখাৰ সঙ্গী শ্ৰীনৃপেন দাস কন্যা শ্ৰীবীণাপাণি ডেকা দাস আইগৰাকীৰ দ্বিতীয়া কন্যা।◆



**কলিয়াবৰ ঃ** শ্ৰীপ্ৰাৰ্থনা হাজৰিকাই সদ্যঘোষিত ২০১৩ বৰ্ষৰ স্নাতক চূড়ান্ত পৰীক্ষাত কটন মহাবিদ্যালয়ৰ পৰা অসমীয়া বিভাগত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত ডিষ্টিংচনসহ প্ৰথম শ্ৰেণীৰ চতুৰ্থ স্থান দখল কৰে। তেওঁ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কলিয়াবৰ জিলা শাখাৰ ১নং মধ্য কলিয়াবৰ প্ৰাথমিক শাখাৰ সঙ্গী তথা প্ৰাক্তন প্ৰধান সম্পাদক শ্ৰীহৰিপ্ৰসাদ হাজৰিকা বাপ আৰু শ্ৰীউষা হাজৰিকা আইৰ একমাত্ৰ কন্যা।◆



## ডক্টৰেট উপাধি লাভ

**গোৱালপাৰা ঃ** শ্ৰীদিব্যলোচন দাস আৰু শ্ৰীজয়ন্তী দাস আইৰ কন্যা শ্ৰীসৃজনী দাসে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা "A Study on the Education System of the Manastic Satras of Assam" বিষয়ত গৱেষণা কৰি ডক্টৰেট উপাধি লাভ কৰে। তেখেত গোৱালপাৰা জিলা শাখাৰ অঞ্জনা প্ৰাথমিক শাখাৰ শ্ৰীখগেন গগৈৰ সহধৰ্মিনী। বৰ্তমান জাগীৰোড কলেজৰ সহ-অধ্যাপিকা।◆



## শোকবাৰ্তা

**মৰিগাঁও ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, মৰিগাঁও জিলা শাখাৰ এগৰাকী বিশিষ্ট সমাজসেৱক, সমাজ সংগঠক বিদ্যাধৰ দাসবাপৰ যোৱা ৬ আগষ্ট তাৰিখে পৰলোক হয়। ৭৭ বছৰীয়া দাসবাপে মৃত্যুৰ সময়ত পত্নী শ্ৰীসোণেশ্বৰী দাসৰ উপৰি অসমৰ সাংস্কৃতিক জগতৰ চিনাকি নাম বৰপুত্ৰ শ্ৰীবাণী দাস, বৰবোৱাৰী শ্ৰীমাইনী মহন্ত, বিবাহিত আন দুগৰাকী পুত্ৰ প্ৰণৱ আৰু টুটুৰ লগতে ৪গৰাকী বিবাহিত কন্যা আৰু আন এগৰাকী অবিবাহিত কন্যাৰ লগতে নাতি-নাতিনী এৰি থৈ যায়। জিলাখনৰ সাহিত্য, সংস্কৃতি, সামাজিক, ৰাজনৈতিক আৰু আধ্যাত্মিক সমাজ ব্যৱস্থাৰ লগত ওতপ্ৰোতভাৱে জড়িত দাসবাপে মৃত্যু পৰ্যন্ত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মৰিগাঁও জিলা শাখাৰ উপ-সভাপতি, মৰিগাঁও জিলা পেন্সনাৰ সন্থাৰ সভাপতি পদত অধিস্থিত হৈ থকাৰ উপৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, জিলা অগপৰ প্ৰাক্তন উপ-সভাপতি, জিলা কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন উপ-সভাপতি পদ অলংকৃত কৰিছিল। দাসবাপৰ মৃত্যুত মৰিগাঁও জিলা শাখাই সভীৰ শোক প্ৰকাশৰ লগতে বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনোৱা হয় আৰু পৰিয়ালবৰ্গলৈ সমবেদনা জনোৱা হয়।◆



**গোলাঘাট ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ঢেকীয়াল আঞ্চলিক শাখাৰ প্ৰাক্তন সভাপতি তথা গোলাঘাট জিলা শাখাৰ সংস্কৃতি শাখাৰ প্ৰাক্তন সভাপতি উপেন শইকীয়া বাপজনা যোৱা ৩মে' ২০১৩ তাৰিখে ৬৭ বছৰ বয়সত পৰলোক প্ৰাপ্তি হয়। বাপজনা হালোৱাগাঁও শঙ্কৰজ্যোতি প্ৰাথমিক শাখাৰ সঙ্গী। জীৱন্ত কালত বাপজনাই দক্ষতাৰে নাম, পাঠ আৰু বিবাহ পৰিচালক হিচাপে প্ৰচাৰ-প্ৰসাৰৰ দিশত অগ্ৰনি ভূমিকা লৈছিল। মৃত্যুৰ সময়ত তেখেতে সহধৰ্মিনী আৰু চাৰিজন পুত্ৰ আৰু তিনিগৰাকী বোৱাৰীসহ নাতি-নাতিনী এৰি থৈ যায়। তেখেতৰ মৃত্যুৱে ঢেকীয়াল আঞ্চলিক শাখাত শোকৰ ছাঁ পেলায়।◆

**জোনাই ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ চিমেন চাপৰি আঞ্চলিক শাখাৰ অন্তৰ্গত চিমেন চাপৰি নগৰ প্ৰাথমিক শাখাৰ লিলি বৰদলৈ আইগৰাকী যোৱা ১৫ জুন, ২০১৩ তাৰিখে বৈকুণ্ঠগামী হয়। লিলি আইৰ অকাল বিয়োগত সমগ্ৰ অঞ্চলতে শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত আইগৰাকীয়ে তেখেতৰ স্বামী শ্ৰীগনেশ বৰদলৈ, পুত্ৰদ্বায় ক্ৰমে গোবিন আৰু গোপাল, একমাত্ৰ কন্যা মাইনু বৰদলৈক ইহসংসাৰত এৰি থৈ যায়। তেখেতৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি আঞ্চলিক শাখাটিয়ে ভগৱন্তৰ শ্ৰীচৰণত প্ৰাৰ্থনা জনায়।◆



## বা-বাতৰি

(১০ পৃষ্ঠাৰ পৰা)

মাতৃৰ মুঠ ৮৮ গৰাকী প্ৰশিক্ষাৰ্থীয়ে উক্ত কৰ্মশালাত অংশগ্ৰহণ কৰি বৰগীত, শঙ্কৰী নৃত্য, কবিতা, ৰচনা, কুইজ, বায়ন আদি বিষয়ত প্ৰশিক্ষণ লয়। কৰ্মশালাত প্ৰশিক্ষক হিচাপে শ্ৰীক্ষীৰোদ বৰা, শ্ৰীশান্তি বড়ি, শ্ৰীধনেশ্বৰ তামুলী ফুকন, শ্ৰীলীলাকান্ত হাজৰিকা, শ্ৰীকমল বৰা আৰু শ্ৰীমানসী বৰাই উপস্থিত থাকি প্ৰশিক্ষণ আগবঢ়ায়।

২৩ জুলাই তাৰিখে মুলৰ সংস্কৃতি শাখাৰ সম্পাদক শ্ৰীপৱিত্ৰপ্ৰাণ বৰা বাপজনাই অতিথি হিচাপে উপস্থিত থাকি প্ৰশিক্ষণ নিৰীক্ষণ কৰে। প্ৰশিক্ষাৰ্থীৰ অভিভাৱকসকলৰ অনুৰোধ ক্ৰমে বৰাবাপে দুই এটি নৃত্য অনুশীলন কৰি দেখুওৱাৰ লগতে সাহিত্য বিষয়টো এটি সাৰুৱা বক্তব্য ৰাখে। উল্লেখ্য যে, এই আঞ্চলিকৰ পিছপৰা বিভিন্ন সম্প্ৰদায়ৰ প্ৰশিক্ষাৰ্থীসকলৰ উৎসাহ-উদ্দীপনা দেখি তেখেত অভিভূত হয় আৰু ভৱিষ্যতেও এনে কৰ্মশালা আয়োজন কৰিলে উপস্থিত থকাৰ প্ৰতিশ্ৰুতি দিয়ে। এই সুযোগতে আঞ্চলিক শাখাৰ সাংস্কৃতিক সম্পাদক শ্ৰীইন্দ্ৰ টায়েগামে মিচিং জনগোষ্ঠীৰ অতি আদৰৰ 'মিবু গালোক (চোলা)' এটি উপহাৰ দি তেখেতক শ্ৰদ্ধা জনায়।

কৰ্মশালা শেষৰ দিনা ২৬ জুলাই তাৰিখে সামৰণি অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে জিলা শাখাৰ সহকাৰী সম্পাদক আৰু সাংস্কৃতিক শাখাৰ সভাপতি ক্ৰমে শ্ৰীনৃপেন শইকীয়াবাপ আৰু শ্ৰীভদ্ৰেশ্বৰ বৰাবাপে। সহকাৰী সম্পাদক বাপজনাৰ তত্ত্বগধুৰ ভাষণে সভাত উপস্থিত প্ৰত্যেকজনৰ মন চুই যায়। সংস্কৃতি শাখাৰ সভাপতি বাপজনাই গীত, নৃত্য আৰু বাদ্যৰ ওপৰত এটি সুন্দৰ আৰু সাৱলীল ভাষণ আগবঢ়াই প্ৰশিক্ষাৰ্থীসকলক মোহিত কৰে। কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলে বৰগীত, ঝুমুৰা আৰু চালি নৃত্য প্ৰদৰ্শন কৰি দৰ্শকক বিমল আনন্দ দিয়ে। জিলাৰ পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে শ্ৰীনিৰুপমা বুঢ়াগোহাঁই। প্ৰমাণ-পত্ৰ বিতৰণ অনুষ্ঠানটিৰ আঁত ধৰি আঞ্চলিক শাখাৰ সাংস্কৃতিক সম্পাদক শ্ৰীইন্দ্ৰ টায়েগামে প্ৰশিক্ষাৰ্থীসকলৰ লগতে সকলো অভিভাৱকৰ সহাৰি পালে ভৱিষ্যতেও এনে কৰ্মশালাৰ আয়োজন কৰিব বুলি ব্যক্ত কৰে। শেষত কৰ্মশালাৰ পৰিচালনা সমিতিৰ সম্পাদক শ্ৰীভূপেন টায়েই শলাগৰ শৰাই আগবঢ়ায়। ◆

# মুম্বাইত চাৰিদিন

(৫ পৃষ্ঠাৰ পৰা)

Forum, Mumbai) এনাজৰী মহিলা সংগঠন আদি অনুষ্ঠানৰ লোকসকলে উপস্থিত আছিল। তিনি ঘণ্টা ভাগৱত ব্যাখ্যাৰ অন্তত আলোচনা সভা অনুষ্ঠিত হ'ল। 'অসমীয়া বৈষ্ণৱ সমাজ', খাৰঘৰ তৰফৰ পৰা জনালে যে যোৱা কেইবাবছৰে তেওঁলোকে অনুষ্টুপীয়াকৈ হ'লেও গুৰুজনাৰ আৱিৰ্ভাৱ উৎসৱ উদ্‌যাপন কৰি আহিছে। সেইদৰে অসম সাংস্কৃতিক মঞ্চ, মুম্বাইৰ উদ্যোগত যোৱা ২০১১ চনৰ অক্টোবৰ মাহত অলপ বাহুল্যকৈ গুৰুজনাৰ মহোৎসৱ উদ্‌যাপন কৰাৰ কথা জনালে। উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীজনাৰ্দ্দনদেৱ গোস্বামীৰ নেতৃত্বত এটি শিল্পীদলে বিভিন্ন গীত-নৃত্যৰ লগতে এখনি ভাওনাও প্ৰদৰ্শন কৰিছিল। তেনেকৈ মুম্বাইৰ প্ৰবাসী মহিলাসকলে অঞ্চলভেদে লগ হৈ ভাদ মাহত নাম-কীৰ্তন কৰাৰ কথাও জনালে। অৱশেষত সকলোৰে আগন্তুক গুৰু আৱিৰ্ভাৱ মহোৎসৱ উদ্‌যাপনৰ ক্ষেত্ৰত একমত পোষণ কৰে। বিশেষকৈ ভাগৱতৰ অমৃত পান কৰি সকলো পৰম আনন্দিত হয় আৰু আমাক দুই-চাৰি দিন বেছিকৈ থাকি আন আন স্থানসমূহত ভাগৱত ব্যাখ্যা কৰিবলৈ তেওঁলোকে আহ্বান জনাইছিল।

৭ জুলাই তাৰিখে বিয়লি ৫ বজাৰ পৰা ৰাছিত থকা অসম ভৱনত 'অসম এছ'ছিয়েচন'ৰ লগত আমাৰ এখন সভা অনুষ্ঠিত হয়। উক্ত সভাত অসম ভৱনত থকা ডেপুটি ৰেছিডেণ্ট কমিচনাৰ শ্ৰীযুত দেৱাশীষ শৰ্মা উপস্থিত থাকে।

এছ'ছিয়েচনৰ সম্পাদক শ্ৰীযুত দ্বীপেন ৰাজখোৱাদেৱে সভাৰ আৰম্ভণি কৰি উদ্দেশ্যৰ বিষয়ে আমাক অৱগত কৰিবলৈ ক'লে। আমাৰ উদ্দেশ্য জনাৰ পিছত সভাত বহুকেইজন বিষয়ববীয়াই গঠনমূলক দিহা-পৰামৰ্শ আগবঢ়ায়। গুৰু আৱিৰ্ভাৱ মহোৎসৱৰ লগত সঙ্গতি ৰাখি এখন আন্তৰাষ্ট্ৰীয় আলোচনা-চক্ৰ অহা অক্টোবৰ মাহৰ ২৬ আৰু ২৭ তাৰিখে দুদিনীয়াকৈ মুম্বাইত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

৮ জুলাই তাৰিখে মুম্বাই ভ্ৰমণ সামৰি ইণ্ডিগ' বিমানেৰে পুৱা ৯ বজাত ছত্ৰপতি শিৱাজী আন্তৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰা গুৱাহাটীলৈ উভতিলো।□□

# বাৰ্তালোচনীৰ ইতিহাস

(৬ পৃষ্ঠাৰ পৰা)

ব্যৱস্থাপক ঃ গোপাল কলিতা

সদস্য ঃ ড০ মাধৱ দাস, ঘনকান্ত বৰা, উপেন্দ্ৰনাথ বৰা, ভবেন দুৱৰী, হৰিচৰণ ঠাকুৰীয়া, অৰবিন্দ কাকতি

আমন্ত্ৰিত সদস্য ঃ ভোলা গগৈ

কেন্দ্ৰীয় চৰকাৰৰ পঞ্জীয়ণ বিভাগৰ নিৰ্দ্দেশনা মতে 1995 চনৰ ডিচেম্বৰ মাহত 1 তাৰিখত প্ৰকাশহোৱা মণিকাঞ্চনৰ দ্বিতীয় বছৰ একাদশ সংখ্যাৰ ঠাইত প্ৰথম বছৰ প্ৰথম সংখ্যা ৰূপে পঞ্জীয়ন হোৱাত মুঠ 20 টি সংখ্যা প্ৰকাশৰ পিছৰ পৰাহে প্ৰথম বছৰ আৰম্ভ হয়। সেইমতে 21 সংখ্যক সংখ্যাটিক প্ৰথম বছৰ প্ৰথম সংখ্যাৰূপে গণ্য কৰা হ'ল। 1995–1996 বৰ্ষত মণিকাঞ্চনৰ প্ৰকাশন সমিতিৰ বিষয়ববীয়াৰ সাল-সলনি হোৱা নাই।

**১৯৯৬-১৯৯৭ বৰ্ষৰ প্ৰকাশন সমিতি ঃ**

উপদেষ্টা ঃ ভৱপ্ৰসাদ চলিহা, ড০ ধৰ্মেশ্বৰ চুতীয়া

সভাপতি ঃ উপেন্দ্ৰ নাথ বৰা

পৰিচালন সম্পাদক ঃ ঘনশ্যাম দত্ত

প্ৰকাশক ঃ হৰিপ্ৰসাদ হাজৰিকা, (প্ৰধান সম্পাদক)

সম্পাদক মণিকাঞ্চন ঃ ভবেন্দ্ৰনাথ ডেকা

সহঃ সম্পাদক মণিকাঞ্চন ঃ কমলাকান্ত বৰা

সদস্য ঃ ভোলানাথ গগৈ, গোলাপ নাথ, কমলাকান্ত বৰ্মণ, বীৰেন বৰা, ড০ মাধৱ দাস

ব্যৱস্থাপক ঃ গোপাল কলিতা, ঘনকান্ত বৰা, হৰিচৰণ ঠাকুৰীয়া

**১৯৯৭-৯৯ বৰ্ষ ঃ**

উপদেষ্টা ঃ ভৱপ্ৰসাদ চলিহা, ড০ ধৰ্মেশ্বৰ চুতীয়া

সভাপতি ঃ উপেন্দ্ৰনাথ বৰা

পৰিচালন সম্পাদক ঃ ঘনশ্যাম দত্ত

সম্পাদক, মণিকাঞ্চন ঃ ভবেন্দ্ৰনাথ ডেকা

সহঃ সম্পাদক, মণিকাঞ্চন ঃ কমলাকান্ত বৰা

ব্যৱস্থাপক ঃ গোপাল কলিতা

সহঃ ব্যৱস্থাপক ঃ প্ৰভাত কলিতা

প্ৰকাশক ঃ হৰিপ্ৰসাদ হাজৰিকা (প্ৰধান সম্পাদক)

সদস্য ঃ ভোলানাথ গগৈ, গোলাপ নাথ, কমলাকান্ত বৰ্মণ, বীৰেন বৰা, ড০ মাধৱ দাস, ঘনকান্ত বৰা, হৰিচৰণ ঠাকুৰীয়া

**৫৫০-৫১-৫১-৫২ শঙ্কৰাব্দ (১৯৯৯-২০০১)ঃ**

উপদেষ্টা ঃ ড০ ধৰ্মেশ্বৰ চুতীয়া, ঘনকান্ত বৰা

সভাপতি ঃ হৰিচৰণ ঠাকুৰীয়া

পৰিচালন সম্পাদক ঃ গোলাপ নাথ

সম্পাদক, মণিকাঞ্চন ঃ ভবেন্দ্ৰনাথ ডেকা

সহঃ সম্পাদক, মণিকাঞ্চন ঃ কমলাকান্ত বৰা

ব্যৱস্থাপক ঃ গোপাল কলিতা

সহঃ ব্যৱস্থাপক ঃ প্ৰভাত কলিতা

সদস্য ঃ ভূপেন ভৰালী, মোহন শইকীয়া, কমলাকান্ত বৰ্মণ, দীপ্তি মহন্ত, কুশ শইকীয়া, বেণুধৰ নাথ, বিন্দুপ্ৰভা হাজৰিকা, প্ৰদীপ কুমাৰ বৰা

প্ৰকাশক ঃ হৰিপ্ৰসাদ হাজৰিকা (প্ৰধান সম্পাদক)

আমন্ত্ৰিত সদস্য ঃ ঘনশ্যাম দত্ত

**২০০১-২০০৩ বৰ্ষ ঃ**

উপদেষ্টা ঃ ড০ ধৰ্মেশ্বৰ চুতীয়া, গোপাল কলিতা

সভাপতি ঃ অম্বৰীশ কুমাৰ বৈশ্য

পৰিচালন সম্পাদক ঃ মোহন শইকীয়া

সম্পাদক, মণিকাঞ্চন ঃ ভবেন্দ্ৰনাথ ডেকা

সহঃ সম্পাদক, মণিকাঞ্চন ঃ কমলাকান্ত বৰা

সদস্য ঃ ঘনশ্যাম দত্ত, প্ৰদীপ কুমাৰ বৰা, দীপ্তি মহন্ত, কমলাকান্ত বৰ্মন, প্ৰভাত কলিতা, নাৰায়ণ দাস

**২০০৩-২০০৫ বৰ্ষ ঃ**

উপদেষ্টা ঃ ড০ ধৰ্মেশ্বৰ চুতীয়া, গোপাল কলিতা

সভাপতি ঃ যোগেন্দ্ৰ বৰদলৈ

পৰিচালন সম্পাদক ঃ মোহন শইকীয়া

সম্পাদক, মণিকাঞ্চন ঃ ভবেন্দ্ৰনাথ ডেকা

সহঃ সম্পাদক, মণিকাঞ্চন ঃ কমলাকান্ত বৰা

প্ৰকাশক ঃ হৰিপ্ৰসাদ হাজৰিকা (প্ৰধান সম্পাদক)

ব্যৱস্থাপক ঃ গকুল তামুলি

সদস্য ঃ ঘনশ্যাম দত্ত, মুনীন্দ্ৰ মহন্ত, বুবুল হাজৰিকা, ৰুদ্ৰ বৰা।

**২০০৫-২০০৭ বৰ্ষ ঃ**

উপদেষ্টা ঃ ড০ ধৰ্মেশ্বৰ চুতীয়া, গোপাল কলিতা

সভাপতি ঃ কেশব মোহন কলিতা

পৰিচালন সম্পাদক ঃ মোহন শইকীয়া

সম্পাদক, মণিকাঞ্চন ঃ অম্বৰীশ কুমাৰ বৈশ্য

সহঃ সম্পাদক, মণিকাঞ্চন ঃ কমলাকান্ত বৰা

প্ৰকাশক ঃ হৰিপ্ৰসাদ হাজৰিকা (প্ৰধান সম্পাদক)

ব্যৱস্থাপক ঃ মুনীন্দ্ৰ কুমাৰ দাস

সদস্য ঃ জ্যোতিৰ্ময় তামুলি, প্ৰফুল্ল বৰুৱা, পদ্মেশ্বৰ হাজৰিকা, কুলধৰ ডেকা, দীপ্তি মহন্ত, পোনাৰাম চুতীয়া

**২০০৭-২০০৯ বৰ্ষ ঃ**

উপদেষ্টা ঃ ড০ ধৰ্মেশ্বৰ চুতীয়া, ঘনকান্ত বৰুৱা

সভাপতি ঃ প্ৰভাকৰ বৰ্মন

পৰিচালন সম্পাদক ঃ মোহন শইকীয়া

সম্পাদক, মণিকাঞ্চন ঃ অম্বৰীশ কুমাৰ বৈশ্য

প্ৰকাশক ঃ হৰিপ্ৰসাদ হাজৰিকা (প্ৰধান সম্পাদক)

ব্যৱস্থাপক ঃ মুনীন্দ্ৰ কুমাৰ দাস

সদস্য ঃ ভবেন্দ্ৰনাথ ডেকা, ৰাজেন দত্ত, প্ৰফুল্ল গগৈ, ৰবীন্দ্ৰনাথ কলিতা, হলিৰাম বৰা, বীৰেণ নিৰ্মলীয়া, ভোলা কাকতি।

**২০০৯-২০০১১ বৰ্ষ ঃ**

উপদেষ্টা ঃ ভবেন্দ্ৰনাথ ডেকা, ৰাজেন দত্ত

সভাপতি ঃ জ্যোতিৰ্ময় তামুলি

পৰিচালন সম্পাদক ঃ মোহন শইকীয়া

সম্পাদক, মণিকাঞ্চন ঃ অম্বৰীশ কুমাৰ বৈশ্য

প্ৰকাশক ঃ হৰিপ্ৰসাদ হাজৰিকা (প্ৰধান সম্পাদক)

ব্যৱস্থাপক ঃ মুনীন্দ্ৰ কুমাৰ দাস

সদস্য ঃ বীৰেণ নিৰ্মলীয়া, প্ৰফুল্ল গগৈ, সুহাগমণি বৰ্মন, মুনীন্দ্ৰ মহন্ত, জগত কলিতা, শোধন চন্দ্ৰ গগৈ, থানেশ্বৰ লাহন

**২০১১-২০১৩ বৰ্ষ ঃ**

উপদেষ্টা ঃ ড০ ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী, ড০ সুৰেশ চন্দ্ৰ বৰা

সভাপতি ঃ কেশৱ মোহন কলিতা

পৰিচালন সম্পাদক ঃ ভোলানাথ শইকীয়া

সম্পাদক, মণিকাঞ্চন ঃ কমলাকান্ত বৰা

প্ৰকাশক ঃ হৰিপ্ৰসাদ হাজৰিকা (প্ৰধান সম্পাদক)

ব্যৱস্থাপক ঃ গকুল তামুলী

সদস্য ঃ কুশল শইকীয়া, পঙ্কজ দত্ত, প্ৰদীপকুমাৰ বৰা, মোহন শইকীয়া, দীনেশ পাটগিৰি, লোহিত ভুঞা, ভবেশ বৰ্মন

**প্ৰকাশিত বিষয়বস্তু ঃ**

মণিকাঞ্চনৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে ওপৰত উল্লেখ কৰা হৈছে। মহাপুৰুষীয়া ধৰ্ম, দৰ্শন, সাহিত্য সংস্কৃতিৰ ওপৰত আলোক পাত কৰি উদ্বোধনী সংখ্যাৰ পৰা বৰ্তমানলৈকে (2011 চনৰ অক্টোবৰ) প্ৰকাশিত মুঠ 210 টা সংখ্যাত মুঠ 3006 টা প্ৰবন্ধ, 3244 টা কবিতা, 144 টা গল্প প্ৰকাশ হৈছে। প্ৰতি সংখ্যাতে পদাধিকাৰৰ কলম, সম্পাদকীয় আৰু জিলাৰ বা-বাতৰি প্ৰকাশ হৈ আহিছে। মত-অমত, যুৱ চ'ৰা, আইমাতৃ চ'ৰা, শিশু চ'ৰা, শোকবাৰ্তা, কৃতিত্ব, বিভিন্ন দিৱস, যেনে- গুৰুজয়ন্তী, মহাপুৰুষ মাধৱদেৱৰ জন্মোৎসৱ, শিশু কল্যাণ দিৱস, সেৱা বাহিনীৰ প্ৰতিষ্ঠা দিৱস আদি নিয়মীয়াকৈ প্ৰকাশ হৈ আহিছে। বিভিন্ন শাখা সমিতিসমূহৰ (প্ৰচাৰ শাখা, সাহিত্য শাখা, শিক্ষা শাখা, সংস্কৃতি শাখা) দিনপঞ্জী আৰু কৰ্ম আঁচনি, সঙ্ঘৰ মূল কাৰ্যনিৰ্বাহক, শাখা সমিতিসমূহৰ বিষয়ববীয়া, জিলা সভাপতি-সম্পাদকসকলৰ নাম তালিকা, গোহাৰি, বিজ্ঞাপন, সঙ্ঘৰ প্ৰকাশিত পুথিৰ তালিকা, গ্ৰন্থ সমালোচনা, ব্ৰজাৱলী ভাষাৰ শব্দজ্ঞান, ন্যাস পুঁজি, শঙ্কৰী সংস্কৃতি প্ৰকল্প, শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়লৈ আগবঢ়োৱা ধনৰ দাতাসকলৰ তালিকা আদি ধাৰাবাহিকভাৱে প্ৰকাশ কৰি অহা হৈছে।

তদুপৰি প্ৰথম পৃষ্ঠাত গুৰুবাণী আৰু শেষ পৃষ্ঠাত চৰিত পুথিৰ উদ্ধৃতিৰে বাৰ্তালোচনীখনে সৌষ্ঠৱ বৃদ্ধি কৰি আহিছে। সংঘলৈ বিশিষ্ট সেৱা আগবঢ়োৱা বাপ-আইসকলৰ জীৱনীৰ লগতে ধৰ্ম-সংস্কৃতি-সাহিত্য সম্পৰ্কীয় অনুবাদ প্ৰৱন্ধকো স্থান দিয়া হৈছে।

**বিক্ৰী ব্যৱস্থা ঃ**

সাধাৰণতে জিলা শাখা সমূহৰ সম্পাদক সকলৰ লগতে অন্যান্য এজেণ্ট সকললৈ শতকৰা 25 ভাগ ৰেহাই (কমিছন) ভিত্তিত মণিকাঞ্চনৰ যোগান ব্যৱস্থা আৰম্ভণিৰ পৰা বৰ্তমানলৈকে অব্যাহত আছে। মাজে মাজে মণিকাঞ্চনৰ বকেয়া আদায়ৰ বাবে এজেণ্টসকললৈ গোহাৰিও প্ৰকাশ কৰা হৈছে। বৰ্তমান মণিকাঞ্চনৰ প্ৰকাশিত প্ৰতি সংখ্যাত 9000 (ন হেজাৰ) কপি।

**মণিকাঞ্চনলৈ বৰঙণি যোগোৱা বিশিষ্ট লেখকসকল ঃ**

মণিকাঞ্চনত বিভিন্ন প্ৰৱন্ধাদিৰে বৰঙণি যোগোৱা বিশিষ্ট লেখকসকলৰ ভিতৰত সোণাৰাম চুতীয়া, ভৱপ্ৰসাদ চলিহা, নাৰায়ণ চন্দ্ৰ গোস্বামী, বাপ চন্দ্ৰ মহন্ত, ড০ ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী, কৈলাস দাস, ড০ কৰবী ডেকা হাজৰিকা, বদন চন্দ্ৰ শইকীয়া, কৰুণাকান্ত কলিতা, উপেন্দ্ৰ নাথ বৰা, ভবেন্দ্ৰ নাথ ডেকা, জীৱকান্ত নাথ, শোভন চন্দ্ৰ শইকীয়া, মহেন্দ্ৰ নাথ হাজৰিকা, বোধেশ্বৰ কাকতি ড০ প্ৰহ্লাদ কুমাৰ বৰুৱা, মহিম বৰা, ড০ সুৰেশ চন্দ্ৰ বৰা, ড০ ধৰ্মেশ্বৰ চুতীয়া, ড০ পূৰ্ণানন্দ শইকীয়া, অপৰাজিতা বৰকাকতি, ড০ ইন্দিৰা শইকীয়া বৰা, যোগেন্দ্ৰ নাথ ভূঞা, বিপিন চুতীয়া, সুহাগমণি বৰ্মণ, নীলকান্ত বৰা, কমলাকান্ত বৰা, খগেন্দ্ৰ নাথ বৰা, পিজুমণি শইকীয়া, মিলন নেওগ, প্ৰদীপ্ত ডেকা, মুনীন্দ্ৰ মহন্ত, পদ্মৰাম মহন্ত, কমল হাজৰিকা, ড০ ৰাতুল চন্দ্ৰ বৰা, ড০ পৰীক্ষিত হাজৰিকা, ড০ লীলাৱতী শইকীয়া বৰা, ড০ নবেন কলিতা, ভৰেন দুৱৰী, ইছমাইল হুছেইন, চন্দ্ৰ হাজৰিকা, উপেন্দ্ৰ নাথ বৰা, বিন্দুপ্ৰভা হাজৰিকা, চম্পা বৰা আদিৰ লগতে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, ড০ বাণীকান্ত কাকতি, কালিৰাম মেধি, ডিম্বেশ্বৰ নেওগ, ড০ বিৰিঞ্চি কুমাৰ বৰুৱা, ড০ মহেশ্বৰ নেওগ, ড০

(১৮ পৃষ্ঠাত চাওক)

# কবিতা

## মই এজন সেৱক

সেৱক মই
ভকতৰ আশীৰ্ষ ধন্য
গুৰুৰ কৃপাৰে ৰঞ্জিত মোৰ হৃদয়।
মাধৱদেৱৰ সেৱাৰ ৰসেৰে
সিক্ত কৰি ৰিক্ত হৃদয়
ধন্য কৰি মনুষ্য জনম
পণ কৰি সেৱক জীৱন
আগবাঢ়িছোঁ ভকতিৰ পথত।
উচ্চ শিক্ষা উচ্চ পদবী
মোহ হেঙাৰ হোৱা নাই
সেৱাৰ পথত....
ধূপৰ দৰে নিজে জ্বলি
আনৰ বাবে সুগন্ধ বিলোৱাৰ পণ
মমৰ দৰে নিজে গলি
আনক পোহৰ বিলোৱাৰ সংকল্পৰ জীৱন
নতুন সমাজত নতুন প্ৰত্যাশাৰে
মানুহ গঢ়াৰ কমাৰ শালত আমি সেৱাবাহিনী
আগবাঢ়িছোঁ আমি গৌৰৱেৰে...
গৰ্বিত মোৰ পিতৃ-মাতৃ
সেৱকৰ চিনাকিৰে।
হনুমন্তী কাণ্ঠা কৰিছোঁ গ্ৰহণ
শিৰে ধৰি ভকত সেৱা
বৈকুণ্ঠৰ প্ৰেম অমৃতৰ নদী
মৰতত পাই ঢৌত বিঢৌত কৰিম
সমগ্ৰ জীৱন
সেৱক মই ভকতৰ
প্ৰাণৰো প্ৰাণৰ...
শ্ৰীমন্ত শঙ্কৰদেৱ সঞ্জৰ◆

**অঞ্জন সাধনিদাৰ**



## এটি অনুভৱ

কোমল কোমল পলসবোৰত ভৰি থৈ
হাত নাৱত পাৰ হ'লো দিখৌ
পোনামাছ এজাকৰ আদৰণি
গৰাৰ পৰা উঠি দুবৰি বনৰ বাট
শিমলু ফুলৰ থুপি থুপি স্পৰ্শ
দৈ টেকেলি ওলোমাই ৰখা চাৰিআলিটো
আৰু পাৰহৈ গটঙা প্ৰাথমিক নামঘৰ
এক গুৰু গম্ভীৰ পৰিৱেশ
আৰম্ভ হ'ল সেৱাবাহিনীৰ সম্বৰ্দ্ধনা অনুষ্ঠান
মধুৰ মধুৰ সুমধুৰ মৌনতাৰ আহ্বান
ফাগুণৰ শিহৰিত ৰাগমল্লৰে
বিগলিত হয় হৃদয়
উপস্থিত পদাধিকাৰ ৰজনীকান্ত দত্তবাপ
প্ৰধান সম্পাদক বাবুল বৰাবাপ
যুটীয়া সম্পাদক আনন্দ বৰাবাপ
বিশিষ্ট বক্তিসৱৰ সমাহাৰ
অঞ্জন সাধনিদাৰবাপৰ বিশেষণীয়
বিশেষনেৰে অপূৰ্ব এংকৰ
প্ৰাথমিকৰ সভাপতি সম্পাদকবাপ
সকলৰ সেৱা ধৰাৰ সময়
আৱেগিক কিহৰ বাবে সভাসদ
আই-বাপৰ চকুলোৰে আৱেদন
আমাৰ সহযোগী যুগান্তৰ লাহন বাপৰ মন্তব্য
এয়া জীয়াই থকাৰ ভকতি
কাৰুণ্য নহয়—
সঁচাই এটি বিৰল অনুভৱ। ◆

**মহেন কোঁৱৰ**

ফোন- ৯৮৫৪৮-৬৮৪৫৯

## যুগৰ অৱতাৰ

চিন্তাক্লিষ্ট, মলিন বদন অসমী আই
যেন দিক্‌ভ্ৰান্ত
চৌদিশে ব্যাপ্ত কলুষিত পৰিৱেশত
শ্ৰান্ত ক্লান্ত।
ভক্তিৰ আমিয়া ৰসে
মোহাচ্ছন্ন কৰি ৰখা মানৱ সমাজ আজি
চৰিত্ৰৰ অধঃপতন
নৰককুণ্ডলৈ ধাৱিত হৈছে।
মানুহৰ প্ৰতি মানুহৰ আজি
মূল্য নিঃশেষ হৈ গৈছে।
হত্যা, ধৰ্ষণ, লুণ্ঠন, অৱধাৰিতভাৱে গতি কৰিছে।
দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে সোমাই পৰা
এনে মানসিকতা
ঘটিবনে এদিন অৱসান?
তাৰ বাবে লাগিব আধ্যাত্মিক চিন্তা
তেহে উন্মেষ ঘটিব মানৱ প্ৰমূল্যবোধৰ।
হেঃ জীৱ শ্ৰেষ্ঠ মানৱ
আকুল আহ্বান
ঈশ্বৰমুখী হোৱা
মানুহৰ প্ৰতি মানুহৰ দুখত কান্দিবলৈ শিকা
হৃদয়ত দয়া-মমতাৰ বীজ ৰোপণ কৰা
তেতিয়াহে সৃষ্টি হ'ব
এখন মুক্ত নীলাভ আকাশ
এখন কলুষহীন সমাজ
য'ত নিৰবধি বৈ যাব
শান্ত, সমাহিত এখন বহল সমাজ
মানৱতাবাদৰ সমাজ।◆

**শূলধৰ হাজৰিকা**



## ভক্তি-প্ৰদীপ

পৰম ব্ৰহ্মৰূপী তুমি নাৰায়ণ
ধৰিছিলা মনুষ্যৰ ৰূপ
তুমিয়েই গুৰু চৈতন্য স্বৰূপ
হাজাৰ যোজনৰ
আন্ধাৰৰ পৰিধি ভেদি
বিলালা জ্ঞানৰ জেউতি
অসম ভূমিত।
আলান্ধু কলিয়া সমাজ ব্যৱস্থাৰ
উচ্চ-নীচ, জাতিভেদ প্ৰথাৰ
কুসংস্কাৰ দূৰলৈ ঠেলি
কুকুৰ শৃগাল আদি সমস্ত প্ৰাণী
এক অভিন্ন আত্মাৰ
জ্ঞান দিলা মহামন্ত্ৰ
একেশ্বৰবাদৰ। ◆

**ফণীধৰ শইকীয়া**



## অনন্যা

কৃষ্ণ-প্ৰেমত বিভোৰ
এগৰাকী গোপীয়ে
ইগৰাকীক ক'লে
জানা কৃষ্ণ মোৰ
সিগৰাকীয়ে বোলে
কৃষ্ণ মোৰ প্ৰিয়
অন্য এগৰাকীয়ে ক'লে
কৃষ্ণ মোৰ প্ৰিয়তম
কৃষ্ণ ভাবেৰে ভাৱিত
গোপীসৱে কৃষ্ণক
নিজৰ কৰি ল'লে;
ৰাধা কিন্তু ব্যতিক্ৰম
ৰাধাই মনে-প্ৰাণে
আত্ম-তৃপ্তিৰে ক'লে
ৰাধা কেৱল কৃষ্ণৰ
কৃষ্ণ প্ৰিয়া ৰাধা
সঁচাই তুমি অনন্যা।◆

**শ্ৰীভবেন দুৱৰী**



## বান্ধে

শিলে বান্ধা বুকুত বান্ধে মুখত ৰাম নাম
হৃদয়হীন হৃদয় বান্ধে কথাত ৰাম নাম
শিপাহীন গছৰ ছাঁও
বান্ধে আমাৰ জীৱন-প্ৰাণ

নদীৰ বুকুত বালি বান্ধে
মিছাতে ডুবি আছো পানীৰ মায়াত
বান্ধে মিছাতে ডুবি আছো পানীৰ ছাঁত

অজ্ঞানৰ জুইৰ তাপত দহি
জীয়াই আছোঁ বৰফৰ ছবিঘৰত
বান্ধে মিছাতে বৰফৰ ছবিঘৰত

চকুত কলা কাপোৰ বান্ধি বান্ধে
ভক্ত হনুমানৰ বুকু
উৎকট মায়া গৰমত
চুই আছোঁ মৰুৰ বুকু
বান্ধে মৰুৰ বুকু।

আন্ধাৰৰ আন্ধাৰে বৈ আছোঁ
জীৱনৰ দীঘ-বাণী
বান্ধে জীৱনৰ দীঘ-বাণী
মায়াত বন্দী জীৱন
বান্ধে আমি যে মায়াত অজ্ঞানী

শিলে বান্ধা বুকুত বিদীৰ্ণ মায়া শব্দ
কঠিন চিন্তাত চিৎকাৰ বান্ধে সেউজ সপোন

সৰে আহা ওলাই বান্ধে
ঈশ্বৰৰ পোহৰত পোহৰাই তুলো
বান্ধে আমাৰ জীৱন
ভক্তিৰসে আপ্লুত কৰো বান্ধে
আমাৰ জীৱন-দৰ্শন।◆

**হৰেন্দ্ৰ বৰা**

ফোন- ৯৪৩৫০৬৪৫৫৭

# সভাপতিৰ অভিভাষণ

(৯ পৃষ্ঠাৰ পৰা)

যায়। প্ৰাকশঙ্কৰী যুগৰ ওজাপালি অনুষ্ঠান অসমৰ অন্য এক সাংস্কৃতি সম্পদ।

খোলবাদ্য মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ অনুপম সৃষ্টি। ৰামচৰণ ঠাকুৰ কৃত 'গুৰু চৰিত' মতে তাৰাই কপিলী মুখৰ, কুমাৰৰ হতুৱাই খোলৰ ডিমা গঢ়াই শালমৰাৰ মুছিয়াৰৰ হতুৱাই চোৱাই নিজে ঘূণ দি খোলবাদ্য সৃষ্টি কৰিছিল। গুৰুজনাই সৃষ্টি কৰা বাবে খোলবাদ্যক গুৰুবাদ্য বোলা হয়। ভক্তিপৰ গীত, নৃত্যনাটত ব্যৱহাৰ হয় কাৰণে খোলবাদ্যক দেৱবাদ্যও বোলা। অঙ্কীয়া নাট প্ৰদৰ্শনৰ বেলিকা সূত্ৰধাৰে সঙ্গীক সোধে 'আকাশে কি বাদ্য বাজত।' সঙ্গীয়ে 'দেৱ বাদ্য বাজত' বুলি উত্তৰ দিয়ে। গুৰুজনাৰ সময়ত শঙ্কৰী সঙ্গীতত চেৰেংগুা নামৰ বাদ্য এবিধো ব্যৱহাৰ হৈছিল। এই বিধ বাদ্য বড়ো, ৰাভা জনগোষ্ঠীৰ পৰা অহা বুলি কোনো কোনোৱে ক'ব খোজে। সেইদৰে ভোৰতাল, নাগাৰা আৰু দবা ভূটীয়া, তিৱা জনগোষ্ঠীৰ পৰা অহা বুলি পণ্ডিতসকলৰ লিখনিত পোৱা যায়। অন্যান্য সঙ্গীতৰ পৰিভাষাৰ লগত শঙ্কৰী সঙ্গীতৰ পৰিভাষা অমিল দেখা যায়।

সঙ্গীতৰ ৰত্নাকৰৰ মতে— "গীতং বাদ্যং তথা নৃত্যং ত্ৰয়ং সঙ্গীত মুচ্যেতে।"

শ্ৰীমন্ত শঙ্কৰদেৱৰ মতে— "গীতং বাদ্য নৃত্যং তথা নাটং চতুৰ শ্চঃ সঙ্গীত মুচ্যতে।" অকল গীত, বাদ, নৃত্য, নাটেই সংস্কৃতি নহয়; এয়া সংস্কৃতিৰ এক বাহ্যিক ৰূপহে। সংস্কৃতিৰ অন্য এক উপাদান হৈছে কুটীৰ শিল্প। গুৰুজনাই মহাৰাজ নৰনাৰায়ণৰ অনুৰোধত বস্ত্ৰত কৃষ্ণ লীলা অংকন কৰি তাঁতশালত সৰগৰ সুষমা বিলাই সৃষ্টি কৰিছিল বৃন্দাবনী বস্ত্ৰৰ দীঘ-প্ৰস্থৰ বিষয়ে ৰামচৰণকৃত 'গুৰু চৰিত'ত উল্লেখ থকা দেখা যায়।

"বৃন্দাবনী নামে বস্ত্ৰ অতি মনোহৰ।
বোৱাইলা প্ৰবন্ধ তাক শ্ৰীমন্ত শঙ্কৰ।।
বৃন্দাবন মথুৰাৰ যতমান লীলা।
কৰিলন্ত পট তাত চিত্ৰক তুলিলা।।
..............................................
দীঘছয় কুৰি হস্ত প্ৰস্থে কুৰি তিনি।
এই পৰিমাণে বস্ত্ৰ বোৱাইলা আপুনি।।
য'ত পট আছে মানে নিজেই তুলিলা।
এবেগেত পৰিমাণে দৈনিক বোৱাইলা।।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ সৃষ্ট বৃন্দাৱনী বস্ত্ৰ বিশ্বৰ আঠোটা সংগ্ৰহালয়ত সংৰক্ষিত হৈ আছে। বৃন্দাবনী বস্ত্ৰভাগে অসমীয়া সংস্কৃতিৰ মাহাত্ম্যৰ চিৰসেউজ কৰি জীয়াই ৰাখিছে।

জাতিগত সমন্বয়ে সংস্কৃতি বিকাশত বিশেষ অৰিহণা যোগায়। আহোম যুগত চুকে-কোণে বাস কৰা জনজাতিবোৰ গোট খাই জাতিত পৰিণত হ'ল। সকলো জাতিৰ মাজত বিয়া-বাৰুৰ সম্পৰ্ক ঘটাৰ পৰাই এই কাৰ্য সম্ভৱ হ'ল। আহোম যুগতে শাসক-শাসিতে নিজৰ নিজৰ সংস্কৃতিৰ অহমিকা পাহৰি এটা বৃহৎ জাতি গঠন কৰিলে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ গুৰুজনাইও পৰ্বত-পাহাৰ-ভৈয়াম অঞ্চলত সিঁচৰতি হৈ থকা জাতি-উপজাতি আৰু জনজাতিৰ এক ধৰ্মীয় আৰু সাংস্কৃতিক ঐক্য স্থাপনৰ দ্বাৰা এক বৃহৎ অসমীয়া জাতি গঠনত সফল হৈছিল।

কিৰাত কছাৰী খাছি-গাৰো মিৰি
যৱন কঙ্ক গোৱাল।
অসম মূলক ৰজক তুৰুক
কুৱাচ ম্লেচ্ছ চাণ্ডাল।।
আপো পাপী নৰ কৃষ্ণ সেৱকৰ
সঙ্গত পৱিত্ৰ হয়।

গুৰুজনাই কৃষ্ণ দৰ্শনৰ মাহাত্ম্যৰে সাম্যবাদ প্ৰতিষ্ঠা কৰিছিল।

ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি একতুল।।
নীচত সাধুত যাৰ ভৈল একজ্ঞান।
তাহাকেসে পণ্ডিত বুলিয় সৰ্বজন।।"

শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ জাতি গঠনত নাৰীৰ ভূমিকা মন কৰিবলগীয়া। তাৰাই পাঁচশ বছৰৰো অধিক কালৰ আগতেই নাৰীক উচ্চ স্থান দি গৈছে। পুৰুষ তিৰোতা উভয়কে গৃহ, সমাজ, ধৰ্ম কাৰ্যত সম-মৰ্যাদা প্ৰদান কৰিছিল।

"পুৰুষ নাৰীয়ে হৈব একমতি।
তেবেসে সিজিব হৰিত ভকতি।।"

গুৰুজনাৰ উদাৰ দৃষ্টিভঙ্গীৰ কাৰণে খেৰসুতী, কালিন্দী, চন্দৰী, ৰাধিকাশান্তি, ভুৱনেশ্বৰী, বৃন্দাবতী, কনকলতা আদি ধৰ্মপ্ৰাণ প্ৰতিভাশালী নাৰীয়ে সমাজত প্ৰতিষ্ঠা লাভ কৰিছিল। গুৰুজনাই জগতৰ সকলো প্ৰাণীৰ উপৰি পৰ্বত-পাহাৰ বিশ্বব্ৰহ্মাণ্ডৰ গ্ৰহ-নক্ষত্ৰ আদি সমস্ততে সৃষ্টিকৰ্তা ভগৱন্ত পৰমপুৰুষৰ সন্ধান দিছে। এই কথা তাৰাই বৰগীতৰ জৰিয়তে প্ৰকাশ কৰিছে।

"যত জীৱ জঙ্গম কীট পতঙ্গম
অগ নগ জগ তেৰি কায়া।
সবকহু মাৰি পুৰত ওহি উদৰ
নাহি কৰতু ভুত দায়া।।
ঈশ স্বৰূপ হৰি সব ঘটে বৈঠহ
যৈচন গগণ বিয়াপি।।"

চিন্তাবিদ ডিম্বেশ্বৰ নেওগদেৱে তেওঁ 'যুগ নায়ক শঙ্কৰদেৱ' গ্ৰন্থত শ্ৰীমন্ত শঙ্কৰদেৱৰ সুযোগ্য নেতৃত্বত গঢ়ি উঠা নৱবৈষ্ণৱ আন্দোলনক 'ৰেনেচাঁ আন্দোলন' বুলি অভিহিত কৰিছে। মহাপুৰুষৰ সংস্কাৰবাদী, সাম্যবাদী মনোভাৱে সমাজৰ গোষ্ঠী প্ৰৱণতাক নিয়ন্ত্ৰণ কৰি সেতু বন্ধিত ভাৱে গতিশীল পৰিৱেশ প্ৰতিষ্ঠা কৰিছিল। ই আছিল আধ্যাত্মিক, সাংস্কৃতিক সাম্যবাদ। য'ত জাত-কুলৰ প্ৰতি সম-মৰ্যাদা প্ৰকাশ পাইছে।

"সমস্ত ভূতত ব্যাপি আছো মঞি হৰি।
সবাকো মানিবা তুমি বিষ্ণু বুদ্ধি কৰি।।"

আহোম ৰজাসকলে পূবৰ পৰা ক্ৰমাৎ সকলোকে সামৰি ৰাজনৈতিকভাৱে অসমীয়া জাতি গঠন কৰিলে। কোচ ৰজাসকলেও পশ্চিম দিশত সাংস্কৃতিক পৃষ্ঠপোষকতা কৰি আগুৱাই নিলে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ গুৰুজনাই অসম, কামৰূপ, বিহাৰ তিনিও দেশকে সংস্কৃতিৰে এক গোট কৰি বৃহত্তৰ বৰ অসমখন গঢ়িলে। শঙ্কৰী সংস্কৃতিৰ উদাৰতা আৰু গুণগ্ৰাহিতাৰ বাবেই এয়া সম্ভৱ হৈ উঠিছিল।

সংস্কৃতি মানুহে মানুহৰ বাবে সৃষ্টি কৰে। দুষ্ট শ্ৰেণীৰ লোকে আত্মস্বাৰ্থৰ কাৰণে সংস্কৃতিক দুষ্কৃতিলৈ ৰূপান্তৰ ঘটাই সমাজলৈ অস্থিৰতা আনে। বিশ্বব্ৰহ্মাণ্ডত মানুহ শ্ৰেষ্ঠ জীৱ। মানুহৰ প্ৰকৃত ধৰ্ম হৈছে পৰস্পৰে পৰস্পৰক ভালপোৱা। কবি চন্দ্ৰকুমাৰ আগৰৱালাই মানুহক দেৱতা জ্ঞান কৰি পূজা কৰিবলৈ কবিতাৰ মাজেৰে প্ৰকাশ কৰিছে।

"মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ।
কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লই
জয় জয় মানৱ দেৱ।।"

স্বাৰ্থপৰতাৰ কাৰণে মানুহে মানুহৰ কথা নভবা হৈছে। সঙ্গীত সূৰ্য ড° ভূপেন হাজৰিকাদেৱে গীতেৰে প্ৰকাশ কৰিছে—

মানুহে মানুহৰ বাবে
যদিহে অকণো নেভাবে
অকণি সহানুভূতিৰে
ভাবিব কোনেনো কোৱা? সমনীয়া।।

বৰ্তমান মানৱ সমাজত অশান্তিৰ মূল কাৰণ হৈছে ধৰ্ম সংস্কৃতিৰ দুখলগা অৱস্থা। ধৰ্ষণ, হত্যা, লুণ্ঠন, অপহৰণ আদি দুষ্কৃতি হৈ মানৱ সমাজলৈ ভয়াবহ অৱস্থা নমাই আনিছে। আজি আমি যিটো বিচাৰিছোঁ আমাৰ হৃদয়ে আমাৰ আত্মাই অবিশ্ৰাম যিটো বিচাৰিছে সেইটো আমি পোৱা নাই। কোনো ফালে চাব নোৱাৰি। কি ৰাজনীতি, কি সমাজনীতি সকলো দুৰ্নীতিগ্ৰস্ত। কোনেও কাৰোলৈকে মূৰ তুলি চাব নোৱাৰি। 'সকলো মগনীয়া মৰক, মোৰ পেটটো ভৰক', এনে মনোবৃত্তিৰ লোকৰ সংখ্যা বৃদ্ধি পাইছে কাৰণে দিনে দিনে দুৰ্নীতি বাঢ়ি গৈছে। মানৱতা আৰু আধ্যাত্মিক জ্ঞানৰ অভাৱত মানুহে মানুহক হত্যা কৰিব পাৰিছে। নিজৰ ভনী সদৃশ, মাতৃ সদৃশ নাৰীক জন্তুৰ দৰে দলবদ্ধ ধৰ্ষণ কৰিব ধৰিছে। সন্ত্ৰাস, শোষণ, বিশ্বাসহীনতা আদি মূলবোধৰ অৱক্ষয় সমাজ জীৱনৰ পৰা আঁতৰাই শান্তিৰে জীয়াই থাকিবলৈ হ'লে শঙ্কৰী সংস্কৃতিক আদৰি ল'বই লাগিব। আমাৰ বহুতে প্ৰেম, ধৰ্ম আৰু ধন বিচাৰ হাবাথুৰি খাই ফুৰিছে। লক্ষ্মীনাথ বেজবৰুৱাদেৱে সেইসকলক ঘৰতে প্ৰেম আছে বুলি তাহানিতে কৈছে—

"প্ৰেম প্ৰেম বুলি জগতে ঘূৰিলো
ঘৰতে আছিলে প্ৰেম।
ধনে ধনে কৰি ঢাপলি মেলিলো
হিয়াতে পৰম ধন।।"

জাতীয় সংস্কৃতি বিজতৰীয়া কৰিবলৈ এচাম লোক প্ৰয়াস কৰি থকা দেখা গৈছে। বিদেশী নৃত্য পটীয়সীৰ অৰ্ধনগ্ন দেহৰ ভাঁজ চাই নিজক পাহৰি গৈছে। ৩১ ডিচেম্বৰক আদৰি ভোগালীক বিদায় দিছে। লাডু-পিঠাৰ খালী ঠাই মদ, ড্ৰাগছে পূৰ কৰিবলৈ ধৰিছে। বৰ্ণাঢ্য জাতীয় সংস্কৃতিৰ বৰপথাৰ পশ্চিমীয়া সংস্কৃতিয়ে গ্ৰাস কৰি পেলাইছে। যি ধৰণে পৰিৱৰ্তনৰ জোৱাৰ উঠিছে ই অসমীয়া সংস্কৃতিৰ ইতিহাসত প্ৰত্যাহ্বান স্বৰূপে থিয় দিছে।

মানুহক সমান মৰ্যাদা দান কৰা ধৰ্ম উদ্ধাৰক, নামঘৰ নিৰ্মাতা বৰ বায়ন, বৰ গায়ন, সাহিত্যিক, গীতিকাৰ, নাট্যকাৰ, সুৰকাৰ, চিত্ৰশিল্পী, বয়ন শিল্পী, নৃত্য শিল্পী, অভিনেতা, দাৰ্শনিক সমাজ সংস্কাৰক গুৰুজনাক উপেক্ষা কৰাৰ ফলস্বৰূপে দেশৰ সাম্প্ৰতিক অৱস্থা অতি সংকটাপন্ন। এনে অৱস্থাৰ অৱসান ঘটাবলৈ হ'লে শ্ৰীমন্ত শঙ্কৰদেৱক জাতীয় গুৰু হিচাপে ল'বই লাগিব। শঙ্কৰী সংস্কৃতিৰ জৰিয়তেহে জগত পোহৰাব পৰা যাব। শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘ উত্তৰ-পূব ভাৰতৰ এক সৰ্ববৃহৎ ধৰ্মীয়, সাংস্কৃতিক আৰু সামাজিক অনুষ্ঠান। এই মহান অনুষ্ঠানভাগিয়ে সদায় অপ-সংস্কৃতিৰ বিৰুদ্ধে মাত মাতি আহিছে। স্বাৰ্থপৰ লোকসকলে যেতিয়াই গুৰুজনক হেয় প্ৰতিপন্ন কৰিব বিচাৰিছে তেতিয়াই শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ লক্ষ লক্ষ সঙ্গীয়ে প্ৰতিবাদ কৰি আহিছে। শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ সংস্কৃতি শাখাই শঙ্কৰী নৃত্য, গীত, বাদ্য আৰু নাট্য শুদ্ধ ৰূপত প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে অহোপুৰুষাৰ্থ কৰি আহিছে। বছৰত ক্ৰমেও তিনিটা কৰ্মশালা অনুষ্ঠিত কৰি শঙ্কৰী নৃত্য, গীত, বাদ্য আৰু নাটৰ অনুশীলন কৰা হয়। কৰ্মশালাসমূহত শঙ্কৰী নৃত্যৰ উপৰি অসমৰ জনগোষ্ঠীয় নৃত্য, লোকনৃত্যসমূহৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰি আহিছে। কেন্দ্ৰীয় সাংস্কৃতিক দলটিয়ে অসমৰ বিভিন্ন ঠাইত শঙ্কৰী নৃত্য, ভাওনা প্ৰদৰ্শন কৰাৰ উপৰি দূৰদৰ্শন আদিতো প্ৰচাৰ কৰি আহিছে। এইবেলি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কেন্দ্ৰীয় শিল্পী দলটিয়ে সঙ্গীত নাটক অকাডেমীয়ে গুৱাহাটীত অনুষ্ঠিত কৰা নাট সমাৰোহত নাট প্ৰদৰ্শন কৰি দৰ্শকৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰে। নাট পৰিচালক মাননীয় শ্ৰীপৱিত্ৰপ্ৰাণ বৰাবাপক মঞ্চলৈ মাতি নি দিল্লীৰ পৰা অহা পৰ্যবেক্ষকগৰাকীয়ে 'ভাল নাটক এখন দেখুৱালে' বুলি উচ্চস্বৰে ঘোষণা কৰে। মূল সংস্কৃতি শাখাই ওদালগুৰি জিলা শাখাৰ আতিথ্যত কেন্দ্ৰীয় নাট সমাৰোহভাগ অনুষ্ঠিত কৰে। এঘাৰ হাজাৰ খোল বজাই বিশ্ব অভিলেখ সৃষ্টি কৰাৰ উদ্দেশ্যৰে সংস্কৃতি শাখাই এক যুগান্তকাৰী আঁচনি গ্ৰহণ কৰে। মূলসঙ্ঘৰ আপ্ৰাণ চেষ্টাত ২০১৩ চনৰ ৬ জানুৱাৰীত তিতাবৰ জিলা শাখাৰ ব্যৱস্থাপনাত তিতাবৰ সমন্বয় ক্ষেত্ৰত আঁচনিভাগৰ সফল ৰূপায়ণ হ'ল। জিলা শাখাসমূহৰ সন্তোষজনক সঁহাৰিৰ বাবে এঘাৰ হাজাৰৰ ঠাইত পোন্ধৰ হাজাৰ বায়নে খোল বজাই বিশ্বৰ সাংস্কৃতিক ইতিহাসত শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনা, তাৰাই সৃষ্টি খোলবাদ্য আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ নাম খোদিত হ'ল। তদুপৰি পোন্ধৰ হাজাৰ শিল্পীয়ে বগা ধুতি, বগা চোলা, মূৰত পাগুৰি মাৰি 'অ মোৰ আপোনাৰ দেশ' গীতটি একেলগে গাই অন্য এক অভিলেখ সৃষ্টি কৰি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ লগতে অসমৰ গৌৰৱ বৃদ্ধি কৰে। খোলবাদ্যৰ বিশ্ব অভিলেখৰ কাৰ্যসূচী সফল কৰাত সংস্কৃতি শাখা, মূল কাৰ্যনিৰ্বাহক, জিলা শাখা, আঞ্চলিক শাখা, প্ৰাথমিক শাখা, সেৱাবাহিনীৰ সেৱক-সেৱিকা, তিতাবৰ জিলা শাখা, সংবাদ মাধ্যম, পদাধিকাৰ মাননীয় শ্ৰীযুত ৰজনীকান্ত দত্ত, প্ৰধান সম্পাদক শ্ৰীযুত হৰিপ্ৰসাদ হাজৰিকা, সংস্কৃতি শাখাৰ সম্পাদক শ্ৰীপৱিত্ৰপ্ৰাণ বৰা, মাননীয় শ্ৰীঅভিজিৎ বৰুৱা বাপসৱলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আজি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ হেতাওপৰা লাগিছে। হাতে কামে লাগিলেহে গুৰুজনা বিশ্ব দৰবাৰত প্ৰতিষ্ঠা হ'ব। গুৰুজনাৰ অনুপম সৃষ্টি খোলবাদ্যৰ পিছতে শঙ্কৰী সংস্কৃতিৰ অন্যান্য সম্পদসমূহ বিশ্ব দৰবাৰলৈ উলিয়াই নিবৰ কাৰণে সবাৰে সহযোগিতা কামনা কৰিলোঁ। শেষত সংস্কৃতি শাখাৰ সভাপতিৰ অভিভাষণত ৰৈ যোৱা সমস্ত অপৰাধৰ বাবে মহাপুৰুষৰ বাণীৰে সেৱা ধৰিলোঁ—

"অপৰাধ বিনাশন তযু নাম নাৰায়ণ
জানি নামে পৰিশোল শৰণে।
আন গতি নাহিকে মৰণে।।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে।।"❑❑

# ধৰিয়ো কুমাৰ কালে ভাগৱত ধৰ্ম্ম

**খগেন বৰুৱা**

শিশু প্ৰহ্লাদে পাঁচ বছৰ বয়সতে হৰিক আৰাধনা কৰিছিল। পাঁচ বছৰ বয়সতে হৰিক আৰাধনা কৰাটো সৰ্বসাধাৰণ লোকৰ বাবে ভাবিব নোৱাৰা কথা। আমাৰ ল'ৰা-ছোৱালীৰ পাঁচ বছৰ বয়সত ভগৱৎ জ্ঞান বা প্ৰেম হোৱাটো দূৰৰে কথা— অ, আ, ক, খ শিকিবলৈ স্কুললৈ যায়হে। শিশু প্ৰহ্লাদে মাতৃ গৰ্ভত থাকোঁতেই দেৱৰ্ষি নাৰদৰ পৰা হৰি কথা শ্ৰৱণ কৰিছিল। এবা ৰোমাঞ্চকৰ আৰু মৰ্মান্তিক কাহিনী।

দৈত্যৰাজ হিৰণ্যকশিপুৰ কনিষ্ঠ ভাতৃ হিৰণাক্ষক বিষ্ণুৱে বৰাহ ৰূপ ধৰি বধ কৰিছিল। বিষ্ণুৰ ওপৰত প্ৰতিশোধ ল'বৰ বাবে হিৰণ্যকশিপু ঘোৰ তপস্যাত নিমগ্ন হ'ল। দৈত্যেন্দ্ৰৰ তপস্যাৰ মহৎ দেখি ত্ৰৈলোক্যৰ লোক ভয়তে কম্পমান হৈছিল। ইন্দ্ৰকে মুখ্য কৰি স্বৰ্গৰ দেৱতাসকলে স্বৰ্গৰাজ্য অস্ৰাৱতী হিৰণ্যকশিপুৱে অধিকাৰ কৰি ল'ব বুলি ভয়তে থৰহৰি কম্পমান হৈছিল আৰু ব্ৰহ্মাৰ ওচৰলৈ গৈ তেওঁলোকক ৰক্ষা কৰিবৰ কাৰণে তেওঁক প্ৰাৰ্থনা জনাইছিল। ইতিমধ্যে হিৰণ্যকশিপু দুৰ্ঘোৰ তপস্যাত নিমগ্ন হ'ল আৰু তেওঁৰ শৰীৰৰ মাংস উইঁয়ে খাই পেলালে। তেওঁৰ শৰীৰৰ ওপৰত উইঁ হাফলুৰ পাহাৰ গঢ়ি উঠিল তথাপি তাৰ প্ৰতি তেওঁৰ ভ্ৰূক্ষেপ নাই। দৈত্যেন্দ্ৰৰ মৃত্যু নিশ্চিত বুলি ভাবি স্বৰ্গৰ ৰজা ইন্দ্ৰই হিৰণাকশিপুৰ পত্নীক হৰণ কৰি লৈ গ'ল। বাটতে দেৱৰ্ষি নাৰদে পাই ইন্দ্ৰক এনে পাপ কাৰ্য কৰাত বাধা দিলে আৰু ক'লে যে গৰ্ভৱতী নাৰীক হৰণ কৰা মহাপাপ যিহেতু তেওঁৰ গৰ্ভত এটি নিষ্পাপ দেৱশিশু আছে। পাপিষ্ঠ ইন্দ্ৰই দেৱ শিশুটোক নষ্ট কৰিব বিচাৰিছিল। কিন্তু নাৰদৰ হকা-বাধাত মাতৃ আৰু শিশুটো ৰক্ষা পৰিল।

দেৱৰ্ষি নাৰদে হিৰণ্যকশিপু তপস্যাৰ পৰা ঘূৰি নহা পৰ্যন্ত তেওঁৰ গৰ্ভস্থ পত্নীক তেওঁৰ আশ্ৰয়তে লালন-পালন কৰি ৰাখিলে। প্ৰহ্লাদ গৰ্ভস্থ হৈ থাকোঁতে মাতৃয়ে নাৰদ ঋষিৰ পৰা হৰি কথা শ্ৰৱণ কৰিছিল আৰু মাতৃয়ে শুনাৰ লগে লগে পুত্ৰ প্ৰহ্লাদেও শুনিব পাৰিছিল আৰু তেতিয়াই তেওঁৰ হৃদয়ত হৰি ভকতিৰ বীজ অঙ্কুৰিত হৈছিল। গতিকে প্ৰহ্লাদে পাঁচ বছৰ বয়সতে হৰিক আৰাধনা কৰিব জানিছিল। ইয়াতে এটা তাত্ত্বিক বা মহৎ শিক্ষা লুকাই আছে। সন্তান মাতৃ গৰ্ভত থাকোঁতে মাতৃয়ে হৰিকথা বা সৎ কথা, সৎ চিন্ত-সৎ চৰ্চা বা জীৱনক সুন্দৰ কৰা কথা-বাৰ্তাবোৰ একাগ্ৰতাৰে শুনিলে সেইবোৰৰ সন্তানৰ জীৱনত প্ৰতিফলন ঘটে।

বৈষ্ণৱ প্ৰহ্লাদে দিনে-ৰাতি বিষ্ণুক চিন্তা কৰে— কাম, ক্ৰোধ, লোভ, মোহ, মদ-মাৎসৰ্য এই ছয় ৰিপুক দমন কৰি থাকে। জগতৰ প্ৰাণীবোৰক আত্মসম জ্ঞান কৰে। গৰ্ব-অহংকাৰ কেতিয়াও নকৰে। দুঃখতো চিত্ত উদ্বেগ নহয়, সুখতো কিঞ্চিত স্পৃহা নাই। দৈত্য বংশত জন্ম হৈয়ো অসুৰ স্বভাৱ এৰিলে আৰু 'কাম জিনি ভৈল উপশান্ত'। সদায় হৰিকে ধ্যান কৰে, হৰি বিনে আন একো নেদেখে। কৃষ্ণৰ গুণ-নাম-যশ কীৰ্তন কৰে আৰু প্ৰেম ভাৱত মন দ্ৰবি থাকে। কৃষ্ণক চিন্তা কৰি কেতিয়াবা হাঁহে, কান্দে, আনন্দ কৰে, মুঠতে কৃষ্ণতে মন নিমজ্জিত হৈ থাকে। এই ভাবেই প্ৰহ্লাদে হৰিত ভকতি কৰিলে।

দৈত্যৰাজ হিৰণ্যকশিপুৱে পুত্ৰ প্ৰাদক বামানয় শাস্ত্ৰ পঢ়ুৱাবৰ বাবে দৈত্যগুৰু শুক্ৰৰ দুই পুত্ৰ ষণ্ডামৰ্কক নিয়োগ কৰিলে। এই শাস্ত্ৰ বিষ্ণু বিৰোধী। গতিকে প্ৰহ্লাদে বামানয় শাস্ত্ৰৰ কথাবোৰ মনে-প্ৰাণে গ্ৰহণ কৰিব নোৱাৰিলে। বৰং তেওঁ পিতৃক উপদেশ দিলে এই বুলি—

> "শুনা পিতৃ ইটো গৃহ অন্ধকূপ সৰি।
> তপোবনে এক চিত্তে আৰাধিয়ো হৰি।।
> সংসাৰ সাগৰে ভাল নাহি আত পৰে।"
>
> — কীৰ্ত্তন

দৈত্যেশ্বৰে ভাবিলে কোনোবা বৈষ্ণৱে হয়তো শিশুমতি প্ৰহ্লাদৰ বুদ্ধি ভেদ কৰিছে। পুনৰ ষণ্ডামৰ্কক পুত্ৰক ভালমতে পঢ়ুৱাবলৈ নিৰ্দেশ দিলে। কিন্তু কোনো ফল নধৰিলে। প্ৰহ্লাদে লগৰ সমনীয়াবোৰক লগত লৈ হৰি কথাহে চৰ্চা কৰিবলৈ ধৰিলে। বিষ্ণু বৈৰী পিতৃ হিৰণ্যকশিপুৱে হৰিক আৰাধনা কৰা প্ৰহ্লাদৰ ওপৰত ভীষণ খড়গহস্ত হৈ পৰিল। পুত্ৰক প্ৰাণে মাৰিবলৈ তেওঁ ৰাক্ষসগণক আদেশ দিলে। ৰাক্ষসৰূপী সৈন্যবোৰে শূল-যাঠি লৈ প্ৰহ্লাদক আক্ৰমণ কৰিলে। শূল-যাঠি ভোটা হ'ল, প্ৰহ্লাদক একোৱেই কৰিব নোৱাৰিলে। প্ৰহ্লাদে বিষ্ণুক স্মৰি নিৰ্ভয়ে থাকিল। দিগ্‌গজগণক আদেশ কৰিলে, সিহঁতো ব্যৰ্থ হ'ল। পৰ্বতৰ শিখৰৰ পৰা প্ৰহ্লাদক পেলাই দিয়া হ'ল, মাটিত গাত খানি পুথি পেলোৱা হ'ল, হাতে-গলে বান্ধি অগ্নিত পেলাই দিয়া হ'ল, গাত শিল বান্ধি পানীত পেলাই দিয়া হ'ল তথাপি প্ৰহ্লাদৰ নোম এডালো নলৰিল। বিহ খুওৱা হ'ল তথাপি নমৰিল। 'ৰাখে হৰি মাৰে কোনে?' হৰিণকশিপু নিজেহে শঙ্কিত হ'ল আৰু ভাবিবলৈ বাধ্য হ'ল—

> ইহাৰ বিৰোধে জানিলো অৱশ্যে
> মোহোৰ হৈব বিনাশ।।"
>
> — প্ৰহ্লাদ চৰিত

দৈতেন্দ্ৰৰ দুখত দুখী হৈ ষণ্ডামৰ্কই বুজনি দিলে যে তেওঁ ত্ৰৈলোক্য জিনিলে আৰু ত্ৰৈলোক্যৰ অধীশ্বৰ হ'ল তেওঁৰ কোনো চিন্তাৰ কাৰণ নাই আৰু অজৰ-অমৰ হোৱাৰ বৰো তেওঁ ব্ৰহ্মাৰ পৰা লাভ কৰি থৈছে। প্ৰহ্লাদ শিশুমতি, অল্পমতি হৈ আছে। বৰুণৰ পাশে কিমান দিননো বান্ধি থ'ব। শিশু-ছৱালৰ দোষ মৰিষণহে কৰিব লাগে। "আপুনি বয়স হৈলে বুদ্ধি হৈবে ভাল।।" (কীৰ্ত্তন) দৈত্যেন্দ্ৰই গুৰু-পুত্ৰৰ কথাত পতিয়ন গৈ মনত কিছু শান্তনা লভিলে আৰু পুনৰ পুত্ৰক ভালকৈ পঢ়ুৱাবলৈ হুকুম দিলে।

প্ৰহ্লাদে কিন্তু শিক্ষাগুৰুৱে শিকোৱা সকলো শিক্ষা আওকাণ কৰি কৃষ্ণৰ চৰণতহে মন নিৱিষ্ট কৰিলে আৰু দৈত্য শিশুসকলক মানি আনি হৰি কথাহে ক'বলৈ ল'লে। প্ৰহ্লাদে শিশুসকলক উপদেশ দিলে— "এই সংসাৰখন অসাৰ, ইয়াত কোনো বিশ্বাস নাই। জল বুদ বুদৰ দৰে। গতিকে হৰি ভকতি অভ্যাস কৰা। মনুষ্যৰ আয়ুস শত বছৰ যদিও নিদ্ৰাতে অৰ্দ্ধেক বছৰ গুছি যায়। দহ বছৰ যায় ধন উপাৰ্জন কৰোঁতে। বৃদ্ধকালে যায় বিশ বছৰ কোনো কাৰ্য সাধিবলৈ শকতি নাথাকে। ওমলি থাকোঁতে যায় বিশ বছৰ। হেন জানি তোমালোকে আন কাম এৰি "ধৰিয়ো কুমাৰ কালে ভাগৱত ধৰ্ম্ম।" (প্ৰহ্লাদ চৰিত)। দুৰ্লভ মনুষ্য জীৱন বিফলে নপঠিয়াবা কোটি কল্পতো নৰতনু পোৱাৰ আশা নাই। এই কথা মনে জানি মাধৱৰ চৰণ কমল চিন্তি থাকিবা। ধন, জন, পুত্ৰ, পৰিবাৰ সকলো মায়াময়— এই আছে এই নাই। ইয়াৰ অৰ্থে ব্যৰ্থে আয়ুপাত নকৰিবা। হৰিহে সৱাৰো আত্মা বান্ধৱ ঈশ্বৰ। সকলোৰে হৃদয়ত ঈশ্বৰ আছে। গতিকে তোমালোকে অসুৰ স্বভাৱ এৰি সমস্ত প্ৰাণীক বিষ্ণু বুদ্ধি কৰি মানিবা। তেতিয়াহে অল্পতে নাৰায়ণ তুষ্ট হ'ব। হৰি সুপ্ৰসন্ন হ'লে দুৰ্লভ বুলিবলৈ একো নাথাকে। হেন জানি তোমালোকে বিষয়-বাসনাৰ পৰা আঁতৰি থাকিবা, কিয়নো পশু শৰীৰতো পায় বিষয় সুখ। কেৱল নৰতনুহে হৰি সেৱাৰ যোগ্য। এই সংসাৰত তোমালোকৰ কাম কেৱল মাধৱক ধ্যান কৰা। এই জ্ঞান দেৱষি নাৰদৰ পৰা পালো ইয়াত কোনো সংশয় নাই। তোমালোকে মাত্ৰ একমতি হৈ হৰিত একান্ত ভকতি কৰা। এইটোৱেই মাত্ৰ পুৰুষৰ মহাপুৰুষাৰ্থ।

প্ৰহ্লাদৰ একান্ত ভকতি দেখি দৈত্যৰাজ হিৰণ্যকশিপু ক্ৰোধত জ্বলি উঠিল আৰু উগ্ৰমূৰ্তি ধৰি ক'লে— "তোক আজি তৰোৱালে কাটি পেলাম। তোক আজি হৰিয়ে কেনেকৈ ৰক্ষা কৰে চাওঁচোন। তোৰ বিষ্ণু ক'ত আছে ক।" পিতৃৰ ক্ৰোধ আৰু ক্ৰূৰ বাক্যত অকণো বিচলিত নহৈ ভক্ত প্ৰহ্লাদে বিনয়ভাৱে ক'লে— "ব্যাপক বিভু প্ৰভু চক্ৰপাণি। সৱাতো আছন্ত জগত স্বামী।। এই স্ফটিকৰ স্তম্ভতো আমি দেখা পাওঁ।" প্ৰহ্লাদৰ কথা শুনি লগে লগে দৈত্যেন্দ্ৰ আসনৰ পৰা উঠি হাতৰ মুঠি হানি স্তম্ভটো ভাঙি পেলালে। ভঙ্গা স্তম্ভটোৰ পৰা নৰসিংহ ৰূপ ধৰি ভগৱান বিষ্ণু ওলাই আহিল আৰু হিৰণ্যকশিপুৰ পেটৰ পৰা নাই-ভূৰু উলিয়াই বুকু ছিৰাছিৰ কৰি দৈত্যেন্দ্ৰক বধ কৰিলে। ভগৱান যে সৰ্বত্ৰতে বিৰাজমান প্ৰহ্লাদে কোৱা এই কথা সত্যবাণীত পৰিণত হ'ল।❑❑

---

# আলোক সন্ধানী সেৱাবাহিনী

**গদাধৰ ৰাজবংশী**

> অসতো মা সদ্‌গময়।
> তমসো মা জ্যোতিগময়।
> মৃত্যু মা অমৃতম্ গময়।
> ওম শান্তি শান্তি শান্তি।।

একবিংশ শতিকা বিশ্বায়নৰ শতিকা। সমগ্ৰ বিশ্ব বৰ্তমান একাকাৰ হৈ পৰিছে। এফালে বিজ্ঞানৰ ন ন আৱিষ্কাৰে সমগ্ৰ বিশ্বক বিভিন্ন সুবিধা কৰি দিছে আনহাতে এনে সুবিধাই আমাক লৈ গৈছে অতি ভয়ংকৰ আৰু প্ৰচ্ছন্নৰূপলৈ। এনে সময়তে শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ সেৱাবাহিনীয়ে নতুন সংকল্প গ্ৰহণ কৰি জগতগুৰু শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ ওলাই আহিল।

সেৱাবাহিনী যুৱ বাহিনী, তৰুণ বাহিনী, সৎ আদৰ্শত থাকি সত্যক প্ৰতিষ্ঠা কৰা বাহিনী। আন্ধাৰৰ কৰাল গ্ৰাসক নেওচি পোহৰৰ সন্ধান কৰা বাহিনী, অমৃত সাগৰত অৱগাহন কৰা বাহিনী। যদিও সৎ পথত আছে যতি, তথাপি সত পথতে আছে গতি। সৎজনেই কৰে সাধনা, সততাতে থাকে ভগৱন্তৰ ভজনা। সেয়ে কালৰ্হিলে কৈছিল— 'তুমি নিজে সাধু হোৱা, তেতিয়া নিঃসন্দেহে ক'ব পাৰিবা যে এজন অসৎ লোক পৃথিৱীত কমি গৈছে।' চিন্তাবিদ ৰেবি উলফে কৈছিল— 'আমি কৰা প্ৰতিটো সৎ কামৰ বাবে একোজন সৎ দেৱদূতৰ আৰু অসৎ কামৰ বাবে একোজন অসৎ দেৱদূতৰ জন্ম হয়। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই আজিৰ পৰা প্ৰায় ছশ বছৰ আগতে অসম মুলুকত জন্মগ্ৰহণ কৰি সেই সময়ৰ বলি-বিধানৰ জৰিয়তে জীৱ হত্যাৰ প্ৰৱণতাৰ ঠাইত ভগৱন্তক ভজনা কৰিলে পোৱা সুন্দৰ পথৰ সন্ধান দিলে। একশৰণ হৰিনাম ধৰ্ম বৈকুণ্ঠৰ পৰা নমাই আনি জগত সভাত এই সত্য সনাতন ধৰ্ম প্ৰচাৰ কৰিলে আৰু তাৰাৰ সৎ আদৰ্শক সেই সময়ৰ নানা জাতি-জনগোষ্ঠীৰ লোকে গ্ৰহণ কৰি গুৰুজনাৰ একশৰণ হৰিনাম ধৰ্মত দীক্ষিত হ'ল। গুৰুধৰ্মত দীক্ষিত হোৱা এই সন্তসকলে পৰৱৰ্তী সময়ত দেৱদূতৰ জন্ম দিলে। এই দেৱদূতসকল শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ভকত, ভগৱন্তৰ সেৱক সেৱাবাহিনী।

সত্যৰ জয় নিশ্চিত। যি মানুহে সমাজৰ আন লোকৰ পৰা সত্য গোপন কৰে তেওঁলোক হয় কাপুৰুষ নহয় অপৰাধী বা দুয়োটাই। সততা আৰু সত্যতাৰ তেনেই ওচৰ সম্পৰ্ক। সততাই সত্য আৰু সত্যই সততা। সত্যতাৰ বলত এজন লোক ডাঙৰ মানুহ হ'ব নোৱাৰিব পাৰে। কিন্তু যিকোনো মহৎ লোকৰে চৰিত্ৰৰ ই হ'ল আটাইতকৈ গুৰুত্বপূৰ্ণ উপাদান। সদায় সত্যত থকা লোক এজনক নিয়োগ কৰিলে নিয়োগ কৰ্তাজন নিশ্চিত হ'ব পাৰে আৰু সত্যনিষ্ঠ লোক এজনক তলত কাম কৰা মানুহ এজনে তেওঁক বিশ্বাসত ল'ব পাৰে। নীতিনিষ্ঠা, সততা আৰু স্বাৱলম্বনৰ মূল কথা হ'ল সত্যতা। মানৱ ইতিহাসৰ বিগত যিকোনো যুগতকৈ বৰ্তমানৰ যুগটোত একান্ত সত্যনিষ্ঠাৰ অধিক প্ৰয়োজন হৈছে। শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই সত্য-শুদ্ধ একশৰণ হৰিনাম ধৰ্ম প্ৰচাৰৰ দ্বাৰা তাহানিতে সত্যক প্ৰতিষ্ঠা কৰিছিল। সেই সত্য-শুদ্ধ ধৰ্মৰ ছত্ৰছায়াত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই সদাচাৰী ব্যক্তিৰ হাতত ধৰ্ম প্ৰচাৰ-প্ৰসাৰৰ দায়িত্ব অৰ্পণ কৰিছে। সত্য আৰু সততাক বিশ্বাসত লৈয়ে অসংখ্য ভকতে সঙ্ঘৰ সংগীভুক্ত হৈছে। যুৱক-যুৱতীসকলো 'সেৱাবাহিনী' নামেৰে সংগঠিত হৈছে আৰু ব্ৰহ্ম-সত্য জগত মিথ্যা' উপলব্ধি কৰি সততাৰ পূজা কৰিছে। সত্যৰ পূজা কৰিছে, সুন্দৰৰ আৰাধনা কৰিছে।

প্ৰভাতি সুৰুযে যেতিয়া ধৰালৈ পোহৰ বিকিৰণ কৰে জীৱমণ্ডল, প্ৰকৃতি জগতত এক নিভাঁজ আনন্দৰ সূচনা কৰে। পোহৰৰে মানুহে জীৱনৰ সপোন ৰচে, পোহৰে আনি দিয়ে আশাৰ বতৰা, পোহৰে কঢ়িয়াই আনে কৰ্মপ্ৰেৰণা। পোহৰত বৃদ্ধি পায় প্ৰেম, ভালপোৱা মৰম। আন্ধাৰত থাকে কামনা। মানুহেই মানুহক আন্ধাৰৰপৰা পোহৰলৈ আনিব পাৰে। মানুহে মানুহক নতুন জীৱন দিব পাৰে। মানুহে মানুহৰ জীৱন ধ্বংস কৰিব পাৰে। পৃথিৱীত প্ৰেম আৰু মহানুভৱতাই পোহৰ আৰু অপ্ৰেম আৰু অনুভৱহীনতাই আন্ধাৰ নমাই আনে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই সেয়েহে শিশু অৱস্থাৰ পৰা ল'ৰা-ছোৱালীক প্ৰেম আৰু মহানুভৱতাৰ পাঠ শিকাইছে। আধ্যাত্মিক দৰ্শনৰ পাঠ শিকাইছে। ভকতি প্ৰেমেৰে উদ্বুদ্ধ কৰাৰ সংকল্প গ্ৰহণ কৰিছে। শিশু অৱস্থাৰপৰা সাহিত্য জ্ঞান দিয়াৰ চিন্তা-চৰ্চা কৰিছে। বিজতৰীয়া সংস্কৃতিৰ ঠাইত স্ব-সংস্কৃতি ৰক্ষাৰ পাঠ শিকাইছে। পণ্ডিতসকলে কৈ গৈছে— "যিটো জাতিৰ ভাষা, সাহিত্য, সংস্কৃতিত ঘূণে ধৰিছে, সিটো জাতি জাতি হৈ নাথাকে। সেয়েহে শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই অসমীয়া জাতীয় জীৱনলৈ দি থৈ যোৱা নিভাঁজ সাহিত্য-সংস্কৃতি ৰক্ষা কৰিবলৈ শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ সেৱাবাহিনীয়ে আগবাঢ়ি আহিছে। সাহিত্য-সংস্কৃতিক আন্ধাৰৰ পৰা পোহৰলৈ আনিব বিচাৰিছে। এয়া আলোক বিজয়ীযাত্ৰা, অবিৰত যাত্ৰা।

> "পিয়ো পিয়ো অমিয়া মাধুৰী
> হৰি ৰাম ৰাম।

(১৯ পৃষ্ঠাত চাওক)

# অভিধা আৰু অভিব্যঞ্জনা

(২ পৃষ্ঠাৰ পৰা)

বোলক, দুয়ো ধৰণৰ প্ৰয়োগতে ই ব্যঞ্জিত হৈ উঠে। শঙ্কৰদেৱে ডেকাকালতে 'ভুঞা' বাব গ্ৰহণ কৰি কিছুদিনৰ বাবে হ'লেও ভুঞা ৰাজ্যৰ গৰাকী হৈছিল। এইজন শঙ্কৰদেৱৰ শাৰীৰিক, মানসিক, নৈতিক, আধ্যাত্মিক আদি সকলো দিশতে গিৰিৰ দৰেই অৰ্থাৎ পৰ্বতৰ দৰে মহাশক্তিমন্ত আৰু দৃঢ়পৰাক্ৰমী। 'ডেকা'ৰ লগত 'গিৰি' অথবা 'গিৰী' যি অৰ্থতেই প্ৰয়োগ নকৰক, অভিধাটিৰ অৰ্থ অভিব্যঞ্জিত হৈ সহৃদয়ৰ মনত উৎসুক্যতাৰ সৃষ্টি নকৰাকৈ নাথাকিব।

ভক্তসকলে শঙ্কৰদেৱক আতা বা আতৈ সম্বোধনেৰে সন্মান প্ৰদৰ্শন কৰিছিল। আতা বা আতৈ অভিধাটি সংস্কৃত 'আত্মা' শব্দৰ পৰাই উৎপন্ন হোৱা সম্ভৱ। 'আত্মা'ৰ 'ম' বৰ্ণ লোপ হৈ 'আতা' আৰু 'আতৈ' হৈছে বুলি ক'ব পাৰি। জগতৰ সকলো প্ৰকাৰ প্ৰাণীৰে আত্মাৰ স্বৰূপ একেই। সেয়েহে পাৰমাৰ্থিক অৰ্থত ধৰ্ম কাৰ্যত নিযুক্ত লোকক 'আতা' আৰু 'আতৈ' শব্দৰে সম্বোধন কৰাৰ পৰম্পৰা পূৰ্বাপৰ চলি আহিছে। সত্ৰীয়া পৰিৱেশত এই শব্দৰ প্ৰচলন সৰ্বাধিক বুলি ক'ব পাৰি। শঙ্কৰদেৱৰ গুৰুজনাক ধৰ্মৰ কাণ্ডাৰী ৰূপে গণ্য কৰি একান্ত ভক্তসকলে নিজৰ আত্মাসম জ্ঞান কৰি 'আতা' আৰু 'আতৈ' অভিধাৰে তথা সম্বোধনেৰে মৰ্যাদা প্ৰদান কৰিছিল।

শঙ্কৰদেৱক ভক্তসকলে সম্বোধন কৰা এটি সন্মানীয় অভিধা হ'ল 'বাপ'। সংস্কৃত 'বপ্ৰ' শব্দৰ পৰা অসমীয়াত বাপ, বোপাই আদি শব্দ সৃষ্টি হৈছে। যিটোৰ অৰ্থ পিতাই বা দেউতা। 'বাপ' শব্দ সন্মানাৰ্থত গুৰুস্থানীয় লোকক অথবা বয়োজ্যেষ্ঠ আন ব্যক্তিৰ ক্ষেত্ৰতো প্ৰয়োগ কৰা হয়। মহাপুৰুষ শঙ্কৰদেৱক মাধৱদেৱকে প্ৰমুখ্য কৰি ভক্তসকলে উক্ত অভিধাৰে সম্বোধন কৰা অলেখ উদাহৰণ চৰিতপুথিত বিশেষকৈ কথাচৰিতবোৰত পোৱা যায়। এটি উদাহৰণ হ'ল— 'আৰু একদিনা বুৰী লুইতে যায় দুওজনা গুৰু-ভক্তে সমে। নৌকাৰে গৈছে ভটিয়াই। গজিয়াঘাটতে এটা মৰা খৰি দিছে জ্ঞাতি-বংশে। তাৰে স্ত্ৰীটো অন্তৰতে বসি কান্দিব লাগিছে বিনাই ইনাই। দেখি গুৰুজনে বোলে বাপো, মৰা মৈলে, কিয় কান্দিছে? এ বোলে বাপ, যি হে মৰিছে সি জিয়াৰে পৰা মৰা, এই যি কান্দিছেইও প্ৰায় মৰাহে। এ বাপ, পূৰ্বেই জীৱ বাজকৈ প্ৰকৃতি মায়াৰ হাতে দিলা আয়াযাত কৈ, ভু হৰাই অজ্ঞান তুসত পৰি মৰাকে লাগি মৰাই কান্দিছে আপোনাৰ মায়াত।' (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৯৯) নিজ পিতৃ নহৈও মাধৱদেৱ আদি তাৰাৰ ভক্তসকলে 'বাপ' অভিধা প্ৰয়োগ কৰোঁতে অভিব্যঞ্জিত ৰূপতহে প্ৰকাশ পাইছে। অসমীয়া ভাষাত 'বাপ' অভিধাৰে সৃষ্টি হোৱা কেইটামান খণ্ডবাক্য হ'ল— বাপ চাই বেটা, বাপ-জন্ম (উপৰিপুৰুষৰ দিন), বাপতিসাহোন, বাপতীয়া (পৈতৃক সম্পত্তি), বাপ বাপ দেখ (আতুৰত পৰা), বাপৰ ধন, বাপৰে বাপ আদি। হিন্দী ভাষাত 'বাপ্' শব্দ অসমীয়াৰ দৰে একে অৰ্থতে প্ৰয়োগ হয়, বঙলা ভাষাত অৱশ্যে এই শব্দটো 'বাবা' ৰূপতহে প্ৰয়োগ হয়।

শঙ্কৰদেৱক 'হৰি' অভিধাৰেও ভক্তসকলে সম্বোধন কৰিছিল। মধ্যযুগৰ ভাৰতৰ ভক্তি আন্দোলনৰ বৈশিষ্ট্যৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় যে ধৰ্মগুৰুসকলক সাক্ষাৎ ঈশ্বৰৰ অৱতাৰ বুলি অন্তঃকৰণেৰে ভক্তসকলে মানি লৈছিল। শঙ্কৰদেৱকো ঈশ্বৰ আৰতাৰী মহাপুৰুষ ৰূপে ভক্তি কৰিছিল আৰু এতিয়াও অসমৰ অধিক সংখ্যক লোকে মানি লয়। মাধৱদেৱে 'জগজন তাৰণ/ দেৱ নাৰায়ণ/ শঙ্কৰ তাকেৰি অংশ' বুলি গুৰুভটিমাত উল্লেখ কৰি গৈছে। 'হৰি' সংস্কৃত শব্দ। 'হৃ' ধাতুৰ পৰাই হৰি শব্দ সম্পন্ন হৈছে। 'হৃ' ধাতুৰ অৰ্থ হ'ল হৰণ কৰা; যিজনে প্ৰাণীৰ সমস্ত দুখ-যন্ত্ৰণা হৰণ কৰে, সেইজনেই হৰি। 'কৃষ্ণ একদেৱ দুখহাৰী/ কালমায়াদিৰো আধিকাৰী' বুলি মাধৱদেৱে নাম-ঘোষাত উল্লেখ কৰিছে। শঙ্কৰদেৱে নৰহৰি ৰূপত অৱতীৰ্ণ হৈ নামধৰ্মৰ দ্বাৰা পাপী-তাপী সকলোকে পৰিত্ৰাণ পোৱাৰ উপায় প্ৰৱৰ্তন কৰি থোৱাৰ বাবেই তাৰা নৰৰূপী নাৰায়ণ, হৰিস্বৰূপ।

শঙ্কৰদেৱৰ দশ নামৰে আন দুটি নাম হ'ল গোপীনাথ আৰু কিংকৰ। গোপীনাথ সংস্কৃত শব্দ। গোপ অৰ্থাৎ গৰখীয়াসকলৰ ভাৰ্যাই হ'ল গোপী। নাথ মানে স্বামী, গৰাকী, জগতৰ ঈশ্বৰ। গতিকে জগতৰ ঈশ্বৰ কৃষ্ণই গোপীসকলৰ লগত বৃন্দাবনত ক্ৰীড়া কৰাৰ বাবে তেওঁৰ সহস্ৰ গুণনামৰে এটি হ'ল গোপীনাথ। ভক্তসকলে শঙ্কৰদেৱক ঈশ্বৰ ৰূপত ধাৰণা কৰাৰ বাবেই তাৰাৰ নাম দিছে গোপীনাথ। কিংকৰ সংস্কৃত শব্দ। সং কিং মানে কিছু কাম আৰু কৃ ধাতুৰ অৰ্থ কৰ, কৰা। গতিকে ভৃত্য, দাস, চাকৰ, বন্দী আৰু কিংকৰৰূপে ভগৱানৰ তথা জনগণৰ কাম কৰা বাবেই শঙ্কৰদেৱ কিংকৰস্বৰূপ। শঙ্কৰদেৱে তাৰাৰ লেখনিত কিংকৰৰূপে পৰিচয় দাঙি ধৰিছে অনেক ঠাইত, যথাঃ 'কৃষ্ণৰ কিংকৰে কহে সম্প্ৰতি। বোলা হৰি হৰি একান্ত মতি।।৯৬৮।।' (কীৰ্ত্তন-ঘোষা, প্ৰহ্লাদ চৰিত, চতুৰ্দশ কীৰ্ত্তন)। দাস্য ভকতিৰে শঙ্কৰদেৱ গুৰুজনাই আত্ম পৰিচয় দি যোৱাৰ বাবেই তাৰা ভক্তবৃন্দৰ মাজত কিংকৰৰূপে খ্যাত।

শঙ্কৰদেৱৰ সকলো অভিধাতকৈ বক্তা বা লেখকে সৰ্বাধিকভাৱে প্ৰয়োগ কৰা অভিধাটোৱেই হ'ল বোধকৰো 'মহাপুৰুষ'। অৱশ্যে ইয়াৰ লগে লগে 'জগতগুৰু' অভিধাটোও নিশ্চয় কম প্ৰয়োগ নহয়। চৰিতকাৰসকলৰ দিনৰ পৰা আধুনিক যুগৰ বেজবৰুৱা, ভুপেন হাজৰিকালৈকে এই দুয়োটা অভিধাই যথেষ্ট গুৰুত্বপূৰ্ণভাৱে স্থান পাইছে। 'মহাপুৰুষ' অভিধাটো দুটা দৃষ্টিকোণৰ পৰা দ্ব্যৰ্থকভাৱে প্ৰয়োগ হোৱা লক্ষ্য কৰা হয়। এহাতেদি ই পাৰ্থিৱ অৰ্থত আৰু আনহাতেদি ইয়াক অপাৰ্থিৱ অৰ্থাৎ পাৰমাৰ্থিক অৰ্থত লেখকসকলে ব্যৱহাৰ কৰি আহিছে। সংস্কৃত শব্দ 'মহাপুৰুষ'ৰ আক্ষৰিক অৰ্থ বিচাৰিলে দেখা যায় যে 'মহা' মানে শ্ৰেষ্ঠ আৰু 'পুৰুষ' মানে লোক বা ব্যক্তি। গতিকে যিজন জ্ঞানী আৰু ধাৰ্মিক লোক তেৱেঁই মহাপুৰুষ। এই অৰ্থতেই সাধাৰণতে পৃথিৱীৰ ধাৰ্মিক, মহৎ লোকসকলৰ নামৰ আগত মহাপুৰুষ অভিধাটো ব্যৱহাৰ হয়। শঙ্কৰদেৱকো এই অৰ্থতেই এহাতেদি মহাপুৰুষ বুলি স্বীকৃতি দিয়া হয়। আনহাতেদি, 'মহাপুৰুষ' অভিধাটোৰে 'ঈশ্বৰ'ক বুজোৱাৰ কথা শাস্ত্ৰত উল্লেখ পোৱা যায়। কলিকালৰ লোকসকলে ভগৱানক কি উপায়েৰে প্ৰাৰ্থনা কৰিব লাগে, সেই সম্পৰ্কে বাদৰায়ন ব্যাসদেৱ প্ৰণিত শ্ৰীমদ্ভাগৱতত সিদ্ধ কৰভাজনে নিমি ৰজাক এনেদৰে কৈছে—

"ধ্যেয় সদা পৰিভৱঘ্নমভীষ্টদোহং
তীৰ্থাস্পদং শিৱবিৰিঞ্চিনুতং শৰণ্যম্।
ভৃত্যাৰ্তিহং প্ৰণতপাল ভবাব্ধিপোতং
বন্দে মহাপুৰুষ তে চৰণাৰবিন্দম্।
ত্যক্ত্বা সুদুস্ত্যজসুৰেপ্সিত ৰাজ্যলক্ষ্মীং
ধৰ্মিষ্ঠ আৰ্যবচসা যদগাদৰণ্যম্।
মায়ামৃগং দয়িতয়েপ্সিতমন্বধাৱদ্-
ৱন্দে মহাপুৰুষ তে চৰণাৰবিন্দম্।"

— ভাগৱত, ১১/৫/৩৩-৩৪

মহাপুৰুষ শঙ্কৰদেৱে এই শ্লোক দুটি 'নিমিনৱসিদ্ধ সংবাদ'ত তলত দিয়াৰ দৰে অনুবাদ কৰিছে—

"হে মহাপুৰুষ হে প্ৰণতপালক।
সদা বন্দো তোহ্মাৰেসে পদপংকজক।।
সদায়ে চিন্তিবে যোগ্য এহিসে চৰণ।
ভকতৰ কৰে ইসে বাঞ্চিত পূৰণ।।৩৬৮
ভৱ-পৰাভৱক এহিসে কৰে ক্ষয়।
পৰম পবিত্ৰ ইসে তীৰ্থৰো আশ্ৰয়।।
মহা সুখময় ইটো চৰণ দুখানি।
ব্ৰহ্মহৰে আকেসে সেৱন্ত তত্ব জানি।।৩৮৭
ভৃত্য মাত্ৰকতে যত পীড়াক গুচাৱে।
সংসাৰ সাগৰ তৰি ইসে মহানাৱে।
হে কৃষ্ণ বন্দো হেৰা চৰণ তোহ্মাৰ।
শ্ৰীৰাম চন্দ্ৰৰূপে ধৰি অৱতাৰ।।৩৮৮"
..... ইত্যাদি।

শঙ্কৰদেৱৰ এই অনুবাদকৰ্মত 'মহাপুৰুষ' অভিধাটোৰে ঈশ্বৰ কৃষ্ণকে বুজাইছে। মাধৱদেৱৰ নাম-ঘোষাৰ 'মহিমা' শীৰ্ষক পদত 'মহাপুৰুষ' শব্দটোৰে ঈশ্বৰকে বুজাইছে। যথা—

"তোহ্মাত কহিবো সেহি শাস্ত্ৰ/ তুমি আক শুনিবাৰ পাত্ৰ/ মহাপুৰুষৰ সেৱক তুমি সম্প্ৰতি। ই শাস্ত্ৰৰ শ্ৰদ্ধা মাত্ৰকত/ মুকুন্দৰ পাদ পঙ্কজত/ আতি শীঘ্ৰে তাৰ হুইবে জানা সতী মতি।।" ৬৫০,

—মূল শ্লোক, ভাগৱত পুৰাণ, ২.১.১০

মহাপুৰুষৰ সেৱক শঙ্কৰদেৱক 'মহাপুৰুষ' অভিধাৰে প্ৰথমবাৰৰ বাবে সন্মান প্ৰদৰ্শন কৰিছিল এগৰাকী ব্ৰাহ্মণ পণ্ডিত দামোদৰদেৱে। দামোদৰদেৱে ভট্টদেৱক ভাগৱত গ্ৰন্থখন কথাত ৰচনা কৰিবৰ বাবে পৰামৰ্শ দিয়াৰ প্ৰসংগত শঙ্কৰদেৱক মহাপুৰুষ অভিধাৰে বিভুষিত কৰিছিল।

"পূৰ্বে মহাপুৰুষে কৰিলা দশস্কন্ধ।
কীৰ্ত্তন ভটিমা ছবি দুলড়ী সুছন্দ।
তাত কৰি সুগম কৰিয়ো ভাগৱত।
স্ত্ৰী শূদ্ৰ সৰ্বলোক বুজে যেন মত।।"

(ৰামৰায় দ্বিজ, গুৰুলীলা)

গোপালচৰণ দ্বিজেও শঙ্কৰদেৱক মহাপুৰুষ অভিধাৰে তাৰাৰ মহত্বক সন্মান জনাইছে এনেদৰে— "আৰে সভাসদ লোক দেখ, ওহি কামৰূপে ইমত হৰিভক্তি নাছিল। আৰে কৃষ্ণৰ একান্ত দাস, মহন্তসৱৰ অগ্ৰগণী শ্ৰীমন্ত শঙ্কৰ উদিত হৈল যাতো, এতেকেসে লোকত ইমত ভক্তি প্ৰচাৰিল। তেন্তেসে সমস্ত লোকৰ বান্ধৱ। যাৰ পুণ্য-যশে জগত ঢাকিল। সিটো মহাপুৰুষৰ মহিমা কি মহিমা কহিবো অল্প ব্ৰাহ্মণ ছৱাল হৈয়া।" (গোপালচৰণ দ্বিজ, ভক্তি-ৰত্নাকৰ, কথাবন্ধ)

শঙ্কৰদেৱৰ আন এটি অভিধা 'জগতগুৰু'ৰ উল্লেখ চৰিতপুথিৰ পাতত এনেদৰে পোৱা যায়।

"জগতগুৰু হেন নাম খ্যাত ভৈলা যাৰ।
ভক্তিপন্থ দেখাই লোক কৰিলা উদ্ধাৰ।।"

— ৰামৰায় দ্বিজ, গুৰুলীলা

'জগতৰে গুৰু ঘৰতে আছিলে অন্ধলাই নিচিনিলো' বুলি সুধাকণ্ঠ ভূপেন হাজৰিকাই সুৰেৰে জগতক জাননী দিছে। বৰ্তমান কিছু লেখক-চিন্তাবিদ কিন্তু 'জগতগুৰু' বুলি শঙ্কৰদেৱক ক'লে উচপ খাই উঠে। তেখেতলোকৰ মতে জগতৰ সকলো লোক শঙ্কৰদেৱৰ শিষ্য হ'লেহে জগতগুৰু বুলি কোৱাৰ অধিকাৰ আছে। কিন্তু এনে অভিধা প্ৰদান কৰোঁতাসকলে এনে স্থুল দৃষ্টিভংগীৰে কথাটো কোৱা নাছিল। মহাপুৰুষ শঙ্কৰদেৱৰ সমগ্ৰ জগতখনৰেই গুৰু হ'ব পৰা নাই সঁচা, এজন গুৰু হ'বৰ কাৰণে যিখিনি গুণৰ প্ৰয়োজন, সেই সকলো খিনিয়েই শঙ্কৰদেৱৰ আছিল। শঙ্কৰদেৱৰ ধৰ্মত নাই ধনী-নিৰ্ধনী, নাই ক'লা-বগা, নাই পুৰুষ-স্ত্ৰীৰ ব্যৱধান, নাই জাত-পাত আৰু উচ্চ-নীচৰ ভেদাভেদ। বৰ্তমানলৈকে জগতত যিসকল ধৰ্মপ্ৰচাৰক গুৰুৱে জন্মলাভ কৰিছে, সেইসকলৰ ভিতৰত শঙ্কৰদেৱৰ দৰে 'সৰ্বগুণাকৰ' মহাপুৰুষ কোনোৱা আছে বুলি কোৱাৰ সাহস আছেনে আৰু যুক্তি দিব পাৰিবনে? গুৰুজনক জগতত প্ৰচাৰ কৰিব নোৱৰাৰ বাবে দায়ী অসমীয়া জাতি আৰু গুৰুজনাৰ অনুগামী তথা অনুৰাগী ভক্তবৃন্দ। গতিকে 'মহাপুৰুষ' আৰু 'জগতগুৰু' অভিধা দুটিৰ অভিব্যঞ্জনা অতি ব্যাপক। বেজবৰুৱাই ক'ব দৰে 'ওপৰ চকুৰা'সকলে সকলো কথাৰ মৰ্মাৰ্থ অনুধাৱন কৰিব নোৱাৰে।

সত্যদ্ৰষ্টা ব্ৰাহ্মণ পণ্ডিত শিক্ষাগুৰু মহেন্দ্ৰ কন্দলিয়ে পিতৃদত্ত নাম 'শঙ্কৰ'ক 'দেৱ' অভিধাৰে বিভুষিত কৰি সামাজিকভৰে স্বীকৃতি প্ৰদান কৰিছিল। শঙ্কৰদেৱৰ দেৱত্ব গুণৰ প্ৰথম উমান পাইছিল শিক্ষাগুৰু মহেন্দ্ৰ কন্দলিয়ে। চৰিতপুথিৰ পাতত ইয়াৰ উমান পোৱা যায় এনেদৰে— ".. তেহে পাঠশাল মচিৰৰ নিবাৰ কৰি ওজা ছাত্ৰ পাতিলে। তাৰে পৰা ঈশ্বৰবোধে মানে। সবাকে পাঠ দিয়াই, দেউ বোলায়। তাকৈ নসে ছাত্ৰ ভাগি মাধৱ কন্দলিৰ শিষ্য ৰাঘ আচাৰ্য্যক ক'লেগৈ। পাচে তেওঁ আহি মহিন্দ্ৰ কন্দলিক ধৰিলেহি, বোলে শূদ্ৰক হে ওজা কৈ বামুণক পাঠ দিওআ, দেউ বোলোৱা কিয়?"...

(কথা গুৰুচৰিত, সম্পাঃ উপেন্দ্ৰচন্দ্ৰ লেখাৰু, প্ৰথম প্ৰকাশ, ১৯৫২, পৃ. ২৬)

এই সকলো অভিধাৰ সাৰাংশ আনি মাধৱদেৱে—

'জয় গুৰু শঙ্কৰ সৰ্ব গুণাকৰ
যাকেৰি নাহিকে উপাম।'

বুলি শেষ সিদ্ধান্ত দিলে গুৰু ভটিমাত। সঁচাকৈয়ে সৰ্ব গুণাকৰৰূপী এইজন সত্যদ্ৰষ্টা যুগনায়কৰ অভিধাৰ সীমা নাই। বিশেষ অভিধাৰে জুখিবলৈ যোৱা মানে সাগৰ বান্ধি সিঁচিবলৈ যোৱা। সেয়েহে, প্ৰতিটো অভিধাৰ অভিব্যঞ্জিত ৰূপতহে শঙ্কৰদেৱক সহৃদয়জনে বিচাৰি পাইছে আৰু ভৱিষ্যতলৈও বিচাৰি পাব। ■■

## বা-বাতৰি

## কেন্দ্ৰীয় শিশু দিৱস

**গহপুৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ 'কেন্দ্ৰীয় শিশু দিৱস' উৎসৱভাগি শ্ৰীশ্ৰীকৃষ্ণ জন্মাষ্টমীৰ দিনা অৰ্থাৎ ২৮ আগষ্ট, ২০১৩ তাৰিখে আয়োজন কৰা হৈছে। এইবাৰ অনুষ্ঠানভাগি গহপুৰ জিলা শাখাৰ উদ্যোগত আৰু ডুবিয়া আঞ্চলিক শাখাৰ অন্তৰ্গত সোণালীবড়ি আৰু বৰডোপৰ ছয়খন প্ৰাথমিকৰ আতিথ্যত সম্পন্ন হ'ব। গহপুৰ জিলা শাখাৰ অন্তৰ্গত কলাবাৰী, ডুবিয়া, গহপুৰ আৰু মধ্য ছয়দুৱাৰ আঞ্চলিক শাখাৰ শিশু, যুৱ আৰু আই-মাতৃ কল্যাণ শাখাৰ সাহিত্য-সংস্কৃতিৰ প্ৰতিযোগিতাসমূহ ২৭আগষ্ট তাৰিখে অনুষ্ঠিত হ'ব বুলি উদ্যোক্তসকলে জনাইছে। উক্ত দুয়োদিনৰ কাৰ্যসূচীসমূহ পৰিচালনাৰ বাবে শ্ৰীহৰি লিগিৰাক সভাপতি আৰু শ্ৰীইন্দ্ৰেশ্বৰ বৰাক সম্পাদক হিচাপে লৈ এখনি সবল আদৰণি সমিতি গঠন কৰা হৈছে। উল্লেখনীয় যে উক্ত কেন্দ্ৰীয় উৎসৱভাগত শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ পদাধিকাৰ, প্ৰধান সম্পাদক, শিশু আই-মাতৃ কল্যাণ শাখাৰ সভানেত্ৰীস সম্পাদিকা উপস্থিত থাকিব। ২৭, ২৮ তাৰিখৰ দুয়োদিনৰ কাৰ্যসূচী গহপুৰ জিলাৰ সকলো বাপ-আই-যুৱ-শিশু আৰু শুভাকাঙ্খী ৰাইজৰ একান্ত উপস্থিতি কামনা কৰা হ'ল।■

# ভাওনাৰ স্বৰূপ

(২ পৃষ্ঠাৰ পৰা)

**অভিনয়ৰ মাহাত্ম্য ঃ** প্ৰথম ভাওনাৰ প্ৰচলন কৰিছিল গুৰুজনে চিত্ৰপটৰ দ্বাৰা। তাৰ নাম চিহ্ন যাত্ৰা। অভিনয়ত উদ্দেশ্য ফলৱতী হৈছিল। এই অভিনয় সাত দিন সাত ৰাতি অবিচ্ছেদ্যভাৱে চলিছিল। দৰ্শকে যি অভিনয়ত মোহিত হৈ সমস্ত পাহৰি যাবলৈ বাধ্য হৈছিল।

"নাৰীসবে নিচিনয় কোনজন স্বামী।
সবেহন্তে যেহ্নে ভৈলন্ত মোক্ষগামী।।
বালকে নিচিনে কোনজন মাৰ বাপ।
সমস্তৰে শৰীৰৰে অন্তৰিল পাপ।।
স্বামীয়ে নিচিন্তে এহি মোৰ ভাৰ্য্যা বুলি।
শঙ্কৰৰ মায়ায়ে সবাকো থৈলা ভুলি।।"

— গুৰুচৰিত

আৰু পাহৰিছিল ক্ষুধা-তৃষ্ণা, ৰোগ-শোক ত্ৰিতাপ। গতিকে দৰ্শকক সাৰ্থক অভিনয়হে এনে সুকীয়া এখন কল্পনা ৰাজ্যলৈ লৈ যাবলৈ সমৰ্থ হয়।

**তেতিয়া আৰু এতিয়া ঃ** প্ৰথম অৱস্থাত ভাওনাত ভাওৰীয়াৰ মুখত ঘঁহিবলৈ নিজেই ৰং তৈয়াৰ কৰি লৈছিল। আজিকালি ৰেডিমেইড্ পেইণ্ট, মাইকা, কাজল, স্নো, পাউডাৰ, আলটা আদি কিনিবলৈ পোৱা হ'ল। দেশৰ অন্যান্য উন্নতিৰ লগে লগেই এইখিনিৰো উন্নত সঁজুলি তৈয়াৰ হ'ল। আগৰ ভাওনাত ভাওৰীয়াই চাবমৰা চাপকন চোলা, ঘৰত বৈ-কাটি উলিওৱা টঙালি পিন্ধিছিল। আজিকালি ৰং বিৰং দি কলিকতাত তৈয়াৰ কৰা কলিকতীয়া পোছাক পিন্ধি ভাও দিয়ে। গায়ন-বায়নৰ আৰম্ভণিৰ পৰিৱেশন কৰা আঁৰিয়া, অগ্নিগড় আদি আজিকালি নাইকিয়াই হ'ল। ভাওৰীয়াৰ যুদ্ধৰ সঁজুলি তৰোৱাল, ধনু-শৰ, গদা আদি তৈয়াৰ কৰি লয়। নাইবা আজিকালি ভাড়ালৈয়ো পায়। নৰসিংহ, ৰাৱণ, কুম্ভকৰ্ণ, বকাসুৰ, কালি, সৰ্প, বান্দৰ আদিৰ মুখা তৈয়াৰ কৰা শিল্পীৰ অভাৱ নাছিল।

গুৰুজনাৰ প্ৰচাৰিত মূলবস্তুৰ পৰা আঁতৰি আজিৰ ভাওনাই ৰাজসংহৰ খোজ ধৰিবলৈ গৈ ঘৰচিৰিকাই নিজৰ খোজ পাহৰাৰ দৰে কৈ কিম্ভূত ৰূপ লোৱাটো প্ৰকৃতপক্ষে দুখজনক কথা। গুৰুজনাৰ ভাওনাৰ নাটক ৰচিত হৈছিল শ্ৰীকৃষ্ণ ভক্তিক কেন্দ্ৰ কৰি। আজিকালি দুৰ্গা-কালি আদিক কেন্দ্ৰ কৰিও স্বেচ্ছাকৃত কাল্পনিক নাটক ৰচনা তথা ঠায়ে ঠায়ে অভিনয় হোৱাও দেখা পোৱা যায়। ভাগৱত থাপনা কৰি গুৰুজনাৰ আহিৰ্ত থাপনালৈ শিৰ দোঁৱাই পূজাত দেৱী মূৰ্তিৰ আগত ঠাই পোৱাটো প্ৰকৃত মহাপুৰুষীয়া পন্থীলোকৰ বাবে পৰিতাপৰ অথবা লজ্জাজনক কথাই নহয়, ই মহা অপৰাধৰ কথাও। আজিকালি অঙ্কীয়া গীত-মাততো হেৰালেই, কোনোবাই জনাই-নজনাই অঙ্কীয়া ভাওনা এখন পাতিলেও তাক আদৰ কৰোঁতাৰ অভাৱ। অভাৱ নাই অঙ্কীয়া নাটৰ বচন শুনি উপহাস কৰোঁতাসকলৰ। গীত ৰাগৰ কথাই নাই— খোলৰ বাজনাও তালত বিতাল, সুৰত অসুৰ, ৰাগত বিৰাগ হ'ল।

ক'বলৈ দুখ লাগে— কোনো কোনো অভিনয়ত ভাও দিওঁতাসকলে প্ৰকৃত ভাওটোৰ গৰাকীজন অৰ্থাৎ সেই নামৰ লোকজনক তেওঁৰ ভাও দিবলৈ গৈ তেওঁক 'ভুচুংপন্থ' সাজি লাজ দিয়া বা চিএগ্ৰাহে হৈছে। এনে শিল্পী ভাৱৰীয়া বহুতৰে নিম্নলিখিত দোষসমূহ দৃষ্টি হয় পোছাকৰ বিপৰ্যায়, বৰণৰ বিপৰ্যয়, বচন মুখস্থ নহয়; ভীমৰ দৰে বলী সাহসীৰ ভাও লৈ, সমাজ দেখি বেঙেমুতা গৰুৰ দৰে কঁপনি জ্বৰ উঠা, অঙ্গি-ভঙ্গি নজনা, তথা মুদ্ৰা দোষ আদিয়েই প্ৰধান। অন্যহাতে আকৌ কোনো কোনো লোকে দুজনা ৰচিত অঙ্কীয়া নাটৰ অভিনয় কৰিবলৈ অক্ষম হেতু ৰুক্মিণী হৰণৰ দৰে মূল বাৰ অঙ্কীৰ নাটককো কথিত অসমীয়ালৈ অনুবাদ কৰি নীৰস আৰু সৌন্দৰ্যবিহীন অভিনয় কৰিছে। এনেবোৰ কাৰণত অসমীয়া শঙ্কৰী-সংস্কৃতিৰ মান আজি নিম্নগামী হ'বলৈ ধৰিছে।

বৰ্তমান যুগৰ পৰিৱৰ্তনলৈ লক্ষ্য ৰাখি আৰু ভাওনাৰ স্বৰূপাৰ্থলৈ লক্ষ্য ৰাখি গাঁৱৰ ভাওনাবিলাক সংস্কাৰ কৰাৰ দিন আহিল। শঙ্কৰী সংস্কৃতিৰ তাৎপৰ্য কি, বৈজ্ঞানিক দৃষ্টিৰে আজি উপলব্ধি কৰিবৰ হ'ল। সেয়ে আজি কেনেকৈ শঙ্কৰী সংস্কৃতিৰ স্বৰূপ অক্ষুণ্ণ ৰাখি অসমীয়া জাতিক নকৈ প্ৰতিষ্ঠা কৰা হ'ব; এই গুৰু দায়িত্ব নিশ্চয় শিক্ষিত শ্ৰেণীৰ ওপৰত।❑❑

# বিপৰ্যয় আৰু বিভাজনৰ ইতিহাস

(৩ পৃষ্ঠাৰ পৰা)

জনামতে সত্ৰখনৰ নামত ৬৮ হাজাৰ বিঘা মাটি দান কৰে। যাৰ কাৰণে এই সত্ৰখন পৰম ঐশ্বৰ্য্যশালী হৈ পৰে।

সত্ৰ বুলিলে ৰাইজে শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্ম-সংস্কৃতিৰ কেন্দ্ৰ বুলি ভাৱে যদিও সকলো সত্ৰ শঙ্কৰদেৱৰ নহয়। বিশেষকৈ আহোম ৰাজত্বকালত প্ৰতিষ্ঠা হোৱা আউনিআটী, দক্ষিণপাট, গড়মূঢ় আৰু কুৰুৱাবাগী এই ৰাজসত্ৰ কেইখন মহাপুৰুষীয়া নহয়। এই চাৰিখন সত্ৰ মহাপুৰুষীয়া ধৰ্মাদৰ্শ নীতিবৰ্জিত সত্ৰ। ইয়াৰ কাৰণসমূহ এনে ধৰণৰ—

(১) মহাপুৰুষীয়া ধৰ্মত উপাস্য স্থানত এখন মহাপুৰুষীয়া শাস্ত্ৰ বিশেষকৈ গুণমালা প্ৰতিষ্ঠা কৰি সেই থাপনাকে ঈশ্বৰৰ বাস্তৱ মূৰ্তি হিচাপে লৈ হৰিনাম শ্ৰৱণ-কীৰ্তন কৰা হয়। কিন্তু উক্ত চাৰিসত্ৰত এই ব্যৱস্থাৰ বিপৰীতে মূৰ্তিহে স্থাপন কৰা হ'ল।

গড়মূঢ় সত্ৰৰ মূল উপাস্য দেৱতা শ্ৰীশ্ৰীবংশীগোপাল মহাপ্ৰভুৰ মূৰ্তি। এই মূৰ্তিপুৰীৰ জগন্নাথ ক্ষেত্ৰৰ পৰা আৰু কাণ্যকুব্জৰ পৰা অনা বুলি কোৱা হয়। গোপাল মহাপ্ৰভুসহ অচ্যুতানন্দ মোহন মুৰাৰি আৰু কেশৱ ৰায় মূৰ্তিক প্ৰতিদিনে দুজন পূজাৰী আৰু চাৰিজন পালি দেউৰীয়ে পূজা কৰে। সত্ৰাধিকাৰে পৃথক পূজাঘৰত এজনা বৈকুণ্ঠনাথ নামৰ বিগ্ৰহত লক্ষ্মী-জনাৰ্দনৰ শালগ্ৰাম সহিত পূজা কৰে।

আউনিআটী সত্ৰৰ উপাস্য দেৱতা শ্ৰীশ্ৰীগোবিন্দ মহাপ্ৰভুৰ মূৰ্তি। এই সত্ৰত মূল বিগ্ৰহৰ সৈতে আৰু চাৰিটা বিগ্ৰহ আছে। পাঁচখন আসনত পাঁচজন পূজাৰীয়ে দৈনিক পৃথকে পৃথকে পূজা কৰে।

দক্ষিণপাট সত্ৰৰ উপাস্য দেৱতাৰ মূৰ্তি হৈছে শ্ৰীশ্ৰীযাদৱৰায় মহাপ্ৰভুৰ মূৰ্তি আৰু কুৰুৱাবাহী সত্ৰৰ উপাস্য দেৱতাৰ মূৰ্তি হ'ল শ্ৰীশ্ৰীমদনগোপাল মহাপ্ৰভুৰ দাৰুময় মূৰ্তি।

আউনিআটী আৰু গড়মূঢ় সত্ৰত বৈদিক পাঞ্চৰাত্ৰ বিধিৰে আৰু দক্ষিণপাট সত্ৰত তান্ত্ৰিক পদ্ধতিৰে পূজা কৰা হয়। এই সত্ৰকেইখনত মহাপ্ৰভুৰ আসনৰ সন্মুখতে শৰণকাৰ্য সম্পাদন কৰে।

(২) এই চাৰি ৰাজসত্ৰ ব্ৰহ্মসংহতিৰ সত্ৰ হোৱা বাবে শ্ৰীমন্ত শঙ্কৰদেৱক গুৰু বুলি স্বীকৃতি নিদিয়ে। ইয়াৰ মূল কাৰণ হৈছে যিহেতু ব্ৰহ্মসংহতিৰ সত্ৰ ব্ৰাহ্মণ্য বা বামুণীয়া সত্ৰ। সেয়েহে শূদ্ৰ শঙ্কৰদেৱক স্থান নিদিয়ে।

(৩) ব্ৰহ্মসংহতিৰ সত্ৰৰ যেনে আউনিআটী সত্ৰত শঙ্কৰদেৱ-মাধৱদেৱৰ বিৰচিত চাৰি শাস্ত্ৰ যেনে দশম (ভাগৱত), কীৰ্ত্তন-ঘোষা, ৰত্নাৱলী পাঠ-প্ৰসঙ্গত নিষিদ্ধ। আনকি তাৰাসৰৰ গীত-পদ আদিও দৈনন্দিন কাৰ্যত ব্যৱহাৰ নকৰে। আউনিআটী সত্ৰত অসমীয়া ভাগৱতৰ ঠাইত সংস্কৃত ভাগৱতহে পাঠ কৰে। আনহাতে শিৱৰাত্ৰি, অম্বুবাচী, মহালয়া লক্ষ্মীপূজা এই উৎসৱসমূহ পালন কৰে।

গদাধৰ সিংহৰ বৈষ্ণৱ নিৰ্যাতনে তীব্ৰ আকাৰ ধাৰণ কৰিলে। দোষী-নিৰ্দোষী সকলোৱে এই নিৰ্যাতন ভোগ কৰিবলগা হ'ল। এই কথা উপলব্ধি কৰি অৱশেষত গদাধৰ সিংহই বৈষ্ণৱ নিৰ্যাতন নীতি বন্ধ কৰে আৰু মৃত্যুৰ আগমুহূৰ্তত বৰপুত্ৰ লাই কোঁৱৰক বৈষ্ণৱ গোসাঁইসকলক পুনৰ সংস্থাপন কৰিবলৈ নিৰ্দেশ দি যায়।

গদাধৰ সিংহৰ মৃত্যুৰ পাছত বৰপুত্ৰ লাই কোঁৱৰ ৰুদ্ৰসিংহ নাম লৈ ৰাজপাটত উঠে। পিতৃৰ নিৰ্দেশ মতে গদাধৰ সিংহৰ ভয়ত পলাই যোৱা আউনিআটী সত্ৰৰ সত্ৰাধিকাৰ কেশৱ গোসাঁইক শদিয়াৰ পৰা আনাই নিজ সত্ৰ পুনৰ ওভতাই দিয়ে। সেইদৰে অন্যান্য নিৰ্যাতিত গোসাঁই-মহন্তসকলকো মাজুলীত সংস্থাপন কৰে।

ৰুদ্ৰসিংহই বৈষ্ণৱ নিৰ্যাতন নীতি বন্ধ কৰি পুনৰ সংস্থাপন কৰিলে যদিও আহোম ৰাজতন্ত্ৰৰ বিৰুদ্ধে সত্ৰসমূহ একত্ৰিত হৈ ভৱিষ্যতে যাতে ঠিয় দিব নোৱাৰে তাৰ কাৰণে শূদ্ৰ মহন্তসকলে ব্ৰাহ্মণক শৰণ দিয়াতো নিষেধ কৰি সত্ৰসমূহৰ মাজত বিভাজন ঘটালে। যাৰ ফলত মহাপুৰুষীয়া সমাজখন দ্বিখণ্ডিত হ'ল। শূদ্ৰ মোৱামৰীয়া মহন্তই এই কথাত প্ৰতিবাদ কৰাত তেওঁক অপমান কৰি ৰাজসভাৰ পৰা খেদি পঠালে। কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰে মূৰ্তি পূজাৰ বিৰোধিতা কৰাৰ কাৰণে ৰাজহুৱাভাৱে বেত্ৰাঘাত হ'ল।

স্বৰ্গদেউ ৰুদ্ৰসিংহৰ এনে কাৰ্যত ব্ৰহ্ম সংহতিৰ সত্ৰসমূহ বিশেষকৈ চাৰি ৰাজসত্ৰ ৰজাৰ অনুগামী সত্ৰহৈ পৰিল। আনহাতে শূদ্ৰ মহন্তসকলৰ আহোম ৰাজতন্ত্ৰৰ লগত সংঘাত সৃষ্টি হ'ল। যাৰ কাৰণে পৰৱৰ্তী সময়ত আহোম ৰাজতন্ত্ৰৰ দ্বাৰা নিৰ্যাতিত হ'বলগাত পৰিল।

স্বৰ্গদেউ ৰুদ্ৰসিংহৰ শাক্তধৰ্মৰ প্ৰতি অধিক অনুৰাগ আছিল। সেয়েহে বঙ্গদেশৰ নদীয়া শান্তিপুৰ নিবাসী কৃষ্ণৰাম ন্যায় বাগীশ নামৰ এজন শাক্ত পণ্ডিতক দীক্ষা ল'বৰ কাৰণে মতাই আনিছিল। কিন্তু কিবা কাৰণত তেওঁ মত পৰিৱৰ্তন কৰি দীক্ষা নল'লে। ৰুদ্ৰসিংহই মৃত্যুৰ আগমুহূৰ্তক তেওঁৰ পুত্ৰসকলক একাদিক্ৰমে ৰজা হ'বলৈ আৰু কৃষ্ণৰামৰ ওচৰত দীক্ষা ল'বলৈ কৈ যায়। লগতে কৃষ্ণৰামক কামাখ্যাত সংস্থাপন কৰিবলৈও পৰামৰ্শ দিয়ে।

ৰুদ্ৰসিংহৰ মৃত্যুৰ পিছত শিৱসিংহ ১৭১৪ খ্ৰীষ্টাব্দত ৰাজপাটত উঠে। ৰুদ্ৰসিংহৰ নিৰ্দেশমতে তেওঁ কৃষ্ণৰামৰ ওচৰত দীক্ষা গ্ৰহণ কৰে আৰু কৃষ্ণৰামক কামাখ্যাত মাটি-বাৰি দি সংস্থাপন কৰে। তেতিয়াৰ পৰা এইজনা শাক্তগুৰু ৰাজগুৰু হিচাপে পৰিগণিত হ'ল।

ৰাজগুৰু হৈ কৃষ্ণৰামৰ প্ৰতিপত্তি বাঢ়িল আৰু বঙ্গদেশৰ ৰঘুনন্দন ভট্টাচাৰ্যৰ স্মৃতিশাস্ত্ৰৰ বিধি-বিধান মতে নীতি প্ৰৱৰ্তন কৰিবলৈ ধৰিলে। লগতে ৰজাক শাক্তধৰ্মক ৰাজধৰ্ম কৰিবলৈ পৰামৰ্শ দিলে। স্বৰ্গদেউ শিৱসিংহৰ ৰাজত্বকালতে শাক্তধৰ্মই ৰাজকীয় পৃষ্ঠপোষকতা লাভ কৰি বিশেষভাৱে প্ৰভাৱশালী হৈ পৰিল। আনহাতে বৈষ্ণৱ ধৰ্মৰ ওপৰত পুনৰ আঘাত হানিলে।

স্বৰ্গদেউ শিৱসিংহ ৰজা হোৱাৰ ৮ বছৰৰ পাছতে এজন জ্যোতিষীয়ে ৰজাৰ ছত্ৰভঙ্গ যোগ পৰা বুলি কোৱাত আতঙ্কিত হয় আৰু গুৰু কৃষ্ণৰামৰ পৰমাৰ্শমত বৰকুঁৱৰী ফুলেশ্বৰীক বৰৰজা উপাধি দি শাসনভাৰ গতাই নিজে ৰাণীৰ উপদেষ্টা হিচাপে থাকিল।

ৰাজদণ্ড হাতত লৈ বৰৰজা ফুলেশ্বৰী কুঁৱৰীয়ে কৃষ্ণৰামৰ ওচৰত দীক্ষা গ্ৰহণ কৰিলে আৰু শাক্তধৰ্মক ৰাজধৰ্ম কৰিবলৈ উঠি-পৰি লাগিল। গুৰু কৃষ্ণৰামৰ পৰামৰ্শমতে ৰজাঘৰত মহাসমাৰোহেৰে দুৰ্গা পূজা পাতি তালৈ বৈষ্ণৱ সত্ৰাধিকাৰসকলক মাতি আনি তেওঁলোকক বলেৰে দুৰ্গামূৰ্তিক সেৱা কৰাই প্ৰসাদ খুৱাই বলিকটা তেজৰ ফোঁট দিয়ালে। ৰাণীৰ এনে কাৰ্যত বৈষ্ণৱ মহন্তসকল অতিশয় অপমানিত হ'ল। বিশেষকৈ শক্তিশালী মোৱামৰীয়া মহন্ত আৰু তেওঁৰ শিষ্যসকলে এই অপমানৰ প্ৰতিশোধ ল'বলৈ দৃঢ় সংকল্প হ'ল।

শিৱসিংহৰ মৃত্যুৰ পিছত ভায়েক প্ৰমত্তসিংহ ১৭৪৪ খ্ৰীষ্টাব্দত ৰাজপাটত উঠে আৰু কুলগুৰু কৃষ্ণৰামৰ ওচৰত দীক্ষা গ্ৰহণ কৰে। প্ৰমত্তসিংহৰ মৃত্যুৰ পাছত ৰুদ্ৰসিংহৰ চতুৰ্থ পুত্ৰ ৰাজেশ্বৰ সিংহ ৰাজপাটত উঠে ১৭৫১ খ্ৰীষ্টাব্দত। ৰাজেশ্বৰ সিংহই কৃষ্ণৰামৰ ওচৰত দীক্ষা লয়।

ৰাজেশ্বৰ সিংহৰ মৃত্যুৰ পিছত ৰুদ্ৰসিংহৰ পঞ্চম পুত্ৰ শ্ৰীশ্ৰীলক্ষ্মীসিংহই সিংহাসন আৰোহণ কৰে। ১৭৬৯ খ্ৰীষ্টাব্দত ৫৫ বছৰ বয়সত। কিবা কাৰণত কৃষ্ণৰামে এওঁক দীক্ষা দিবলৈ অস্বীকাৰ কৰাত বঙ্গদেশৰ পৰা অনা ৰমানন্দ ভট্টাচাৰ্য নামে আন এজন শাক্ত পণ্ডিতৰ ওচৰত দীক্ষা গ্ৰহণ কৰে। এই নতুন গোসাঁইজনক পৰ্ব্বতীয়া নগোসাঁই বোলে।

স্বৰ্গদেউ লক্ষ্মীসিংহৰ ৰাজত্বকালৰ আৰম্ভণিতে প্ৰথম মোৱামৰীয়া বিদ্ৰোহ হৈ ৰজাক জয়দৌলত বন্দী কৰি থয়।

লক্ষ্মীসিংহৰ মৃত্যুৰ পিছত বৰপুত্ৰ গৌৰীনাথ সিংহ ১৭৮০ খ্ৰীষ্টাব্দত ৰাজপাটত উঠে। এওঁ ৰমানন্দ ভট্টাচাৰ্যৰ ওচৰত দীক্ষা গ্ৰহণ কৰে। গৌৰীনাথ সিংহ ৰাজপাটত উঠিয়েই মোৱামৰীয়াসকলক দমন কৰিবলৈ দৃঢ় সংকল্প লয় আৰু মোৱামৰীয়াসকলৰ ওপৰত প্ৰবল অত্যাচাৰ আৰম্ভ কৰি ৰাজকীয় সৈন্যক পৰাজয় কৰে। স্বৰ্গদেউ গৌৰীনাথ সিংহ ৰাজধানী এৰি গুৱাহাটীলৈ পলাই যায়। মোৱামৰীয়াসকলে ৰাজধানী অধিকাৰ কৰে। অৱশেষত মোৱামৰীয়াৰ হাতৰ পৰা ৰাজ্য উদ্ধাৰৰ কাৰণে কলিকতাত থকা বৃটিছ গৰ্ণৰ জেনেৰেল লৰ্ড কৰ্ণৱালিছৰ সহায় ভিক্ষা কৰিবলগা হয়। ১৭৯৫ খ্ৰীষ্টাব্দত গৌৰীনাথ সিংহৰ মৃত্যু হয়।

আগতে উল্লেখ কৰা হৈছে যে নৱ-বৈষ্ণৱ আন্দোলনে আহোম ৰাজত্বকালত সামগ্ৰিকভাৱে অনুকুল পৰিৱেশ পোৱা নাছিল। সত্ৰাধিকাৰসকলে আহোম প্ৰশাসনৰ দ্বাৰা নিৰ্যাতন ভোগ কৰিবলগা হৈছিল। বিশেষকৈ ১৬০৩ খ্ৰীষ্টাব্দত সিংহাসন আৰোহণ কৰা স্বৰ্গদেউ প্ৰতাপসিংহৰ পৰা ১৭৯৫ খ্ৰীষ্টাব্দত

(১৮ পৃষ্ঠাত চাওক)

## বিপৰ্যয় আৰু বিভাজনৰ ইতিহাস

(১৭ পৃষ্ঠাৰ পৰা)

মৃত্যু হোৱা স্বৰ্গদেউ গৌৰীনাথ সিংহৰ ৰাজত্বকাললৈকে সুদীৰ্ঘ ১৭৭ বছৰ কাল সামগ্ৰিকভাৱে বৈষ্ণৱ সত্ৰসমূহৰ ওপৰত এই উৎপীড়ন চলিছিল। অৱশ্যে তাৰ মাজতে ১৬৪৮ খ্ৰীষ্টাব্দত সিংহসান আৰোহণ কৰা স্বৰ্গদেউ জয়ধ্বজ সিংহই বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰাত আৰু তাৰ পাছত ১৬৮০ খ্ৰীষ্টাব্দলৈকে এই বৈষ্ণৱ উৎপীড়ন বন্ধ আছিল মাত্ৰ ৩৩ বছৰ কাল। উল্লেখযোগ্য যে স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজত্বকালত চাৰিসত্ৰ আদি কৰি ব্ৰহ্মসংহতিৰ সত্ৰসমূহ ৰজাৰ অনুগামী হোৱা হেতুকে পৰৱৰ্তী সময়ছোৱাত এই সত্ৰসমূহৰ ওপৰত উৎপীড়ন হোৱা নাছিল। মোৱামৰীয়া মহন্ত আৰু তেওঁৰ শিষ্যসকলৰ ওপৰত চলা ৰজাঘৰীয়া নিৰ্যাতনৰ অন্তৰালত এই ৰাজ অনুগামী সত্ৰসমূহৰ পৰোক্ষ প্ৰভাৱ আছিল বুলি বহুতে কয়।

**কোচ ৰাজত্বকালত ঃ** কোচ ৰাজ্যতো শঙ্কৰদেৱে প্ৰথম অৱস্থাত শান্তিৰে ধৰ্ম প্ৰচাৰ কৰিব পৰা নাছিল। বিৰুদ্ধবাদী তান্ত্ৰিক ব্ৰাহ্মণসকলৰ উচটনিত মহাৰাজ নৰনাৰায়ণ শঙ্কৰদেৱৰ প্ৰতি কোপিত হৈছিল। চিলাৰায়ৰ হস্তক্ষেপত ৰক্ষা পৰিল যদিও ৰাজ দৰবাৰত জবাবদিহি হ'ব লগাত পৰিছিল। শঙ্কৰদেৱে নিজ প্ৰতিভাৰ বলত বিৰুদ্ধবাদী ব্ৰাহ্মণ পণ্ডিতসকলক তৰ্কত ঘটুৱাই ৰাজদণ্ডৰ পৰা অব্যাহতি পাইছিল আৰু ৰজাৰ পৰা সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। শেষ অৱস্থাত নৰনাৰায়ণ ৰজাৰ পৃষ্ঠপোষকতাতে শঙ্কৰদেৱে নৱবৈষ্ণৱ ধৰ্মৰ আন্দোলনৰ জাগৰণ সৃষ্টি কৰিব পাৰিছিল যদিও বেছি দিন স্থায়ী নহ'ল। কোচৰজা নৰনাৰায়ণৰ ৰাজত্বকালতে শঙ্কৰদেৱৰ বৈকুণ্ঠী হোৱাৰ পাছত ১৫৭০ খ্ৰীষ্টাব্দত চিলাৰায়ে গৌড় ৰাজ্যৰ পৰা অনা শাক্ত পণ্ডিত পীতাম্বৰ সিদ্ধান্ত বাগীশ আৰু বিদ্যাবাগীশ আহি ৰাজ পুৰোহিত হৈ বঙ্গদেশৰ শাক্ত পণ্ডিত ৰঘুনন্দন ভট্টাচাৰ্যৰ বিধি-বিধান মতে ১৮খন কৌমুদী শাস্ত্ৰ লিখি ধৰ্ম প্ৰচাৰত ব্ৰতী হ'ল আৰু ৰাজপৃষ্ঠপোষকতাত তাক ৰাজধৰ্ম কৰি তুলিলে আৰু বাগীশৰ মতে সকলো প্ৰজাকে এই ধৰ্ম মানি চলিবলৈ নিৰ্দেশ দিলে। যদি কোনো লোকে ইয়াৰ বিৰুদ্ধাচৰণ কৰে, তেনেহ'লে ৰজাই শাস্তি প্ৰদান কৰা হ'ল।

উদাহৰণ স্বৰূপে চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱৰ ৰাজত্বকালত শঙ্কৰদেৱৰ প্ৰপন্ন পাটবাউসী সত্ৰৰ সত্ৰাধিকাৰ দামোদৰদেৱ ৰাজ দৰবাৰত হাজিৰ হৈ জবাবদিহি হ'বলগাত পৰিছিল।

উপৰিউক্ত আলোচনাৰ পৰা দেখা গ'ল যে আহোম ৰাজত্বকালত শঙ্কৰদেৱৰ মহাপুৰুষীয়া ধৰ্মৰ বিপৰ্যয়ৰ কাৰণ হ'ল বিশেষকৈ স্বৰ্গদেউ ৰুদ্ৰসিংহ আৰু স্বৰ্গদেউ শিৱসিংহৰ দিনত বঙ্গদেশৰ কৃষ্ণৰাম ন্যায়বাগীশৰ আগমন আৰু অসমত শাক্তধৰ্ম ৰাজধৰ্ম হিচাপে প্ৰতিষ্ঠা লাভ। সেইদৰে কোচৰাজ্যত নৰনাৰায়ণৰ ৰাজত্বকালত গৌড়দেশৰ শাক্ত পণ্ডিত পীতাম্বৰ সিদ্ধান্ত বাগীশ আৰু বিদ্যাবাগীশৰ আগমন আৰু কোচৰাজ্যত শাক্তধৰ্ম ৰাজধৰ্ম হিচাপে প্ৰতিষ্ঠা লাভ আৰু বঙ্গদেশৰ শাক্ত পণ্ডিত ৰঘুনন্দন ভট্টাচাৰ্য বিধি-বিধান প্ৰৱৰ্তন। এই বিধি-বিধানসমূহৰ বলি হ'ল উভয় ৰাজ্যত থকা মহাপুৰুষীয়া সত্ৰসমূহ। শঙ্কৰদেৱ আৰু মাধৱদেৱৰ বৈকুণ্ঠী হোৱাৰ পাছত প্ৰায়বিলাক সত্ৰতে কৰ্মকাণ্ডৰ প্ৰৱেশ ঘটিল।

বুৰঞ্জীবিদ ড° সূৰ্য কুমাৰ ভূঞাই কৈছে যে বৰ্তমান অসমৰ মহাপুৰুষীয়া সমাজত চলি থকা শ্ৰাদ্ধাধি কৰ্ম মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ মত নহয়; ই কোচ ৰজা নৰনাৰায়ণৰ দিনত অহা গৌড়দেশৰ শাক্ত পণ্ডিত পীতাম্বৰ সিদ্ধান্ত বাগীশৰ কৌমুদী শাস্ত্ৰৰ মতহে। তেখেতে আকৌ কৈছে আহোম স্বৰ্গদেউ শিৱসিংহ মহাৰাজে বঙ্গদেশৰ নদীয়া শান্তিপুৰ নিবাসী শাক্ত পণ্ডিত কৃষ্ণৰাম ন্যায়বাগীশৰ ওচৰত দীক্ষা গ্ৰহণ কৰাত আৰু তেখেতেৰ পৰমাৰ্শমতে তাক ৰাজধৰ্ম কৰি তোলাত অসমৰ মহাপুৰুষীয়া সত্ৰসমূহৰ মাজত কৰ্মকাণ্ডৰ প্ৰৱেশ ঘটিল।

**সংহতি বিভাজন ঃ**

**ব্ৰহ্ম সংহতি ঃ** মহাপুৰুষীয়া ধৰ্মৰ বিপৰ্যয়ৰ অন্যতম কাৰণ হ'ল সত্ৰসমূহৰ মাজত হোৱা সংহতি বিভাজন। শঙ্কৰদেৱ বৈকুণ্ঠী হোৱাৰ পাছতেই মাধৱদেৱ আৰু দামোদৰদেৱৰ মাজত মনোমালিন্য ঘটে। ইয়াৰ পাছতে দামোদৰদেৱে ফালৰি কাটি যায় আৰু পৰৱৰ্তী সময়ত দামোদৰদেৱৰ পন্থী নামেৰে এক সুকীয়া পন্থ জন্ম হয়। সেইদৰে হৰিদেৱ পন্থীসকলে দামোদৰী পন্থৰ লগলাগি ব্ৰহ্ম সংহতি নামেৰে এক সুকীয়া পন্থৰ জন্ম দিয়ে। এই ব্ৰহ্ম সংহতি ব্ৰাহ্মণ প্ৰধান। এই ব্ৰহ্ম সংহতিৰ সত্ৰসমূহত শঙ্কৰদেৱৰ ধৰ্ম আদৰ্শৰ বিভ্ৰাট ঘটে। এই সংহতিত শঙ্কৰদেৱক গুৰু বুলি স্বীকাৰ নকৰে। এই সংহতিত গুৰু হ'ল দামোদৰদেৱ আৰু হৰিদেৱ। দক্ষিণপাট সত্ৰই এই সংহতিৰ প্ৰধান সত্ৰ।

**পুৰুষ সংহতি ঃ** শঙ্কৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰ আৰু চতুৰ্ভুজ ঠাকুৰ। এই দুই ভাই-ককায়ে প্ৰত্যেকেই ১২খনকৈ সত্ৰ স্থাপন কৰিছিল। ডাঙৰজন পুৰুষোত্তম ঠাকুৰে স্থাপন কৰা সত্ৰসমূহক বৰ বাৰজনীয়া আৰু সৰুজন চতুৰ্ভুজ ঠাকুৰে পতা সত্ৰসমূহক সৰু বাৰজনীয়া বোলে। কালক্ৰমত এই ২৪খন সত্ৰক লৈ গঠিত সংহতিক পুৰুষ সংহতি বোলা হয়। এই সংহতিৰ গুৰু হ'ল শ্ৰীমন্ত শঙ্কৰদেৱ। বৰদোৱা এই সংহতিৰ প্ৰধান সত্ৰ।

**নিকা সংহতি ঃ** পৰৱৰ্তী সময়ত মথুৰাদাস আতা আৰু পদ্ম আতা ওৰফে বদুলা আতাই নিকা সংহতি নামে আন এক সংহতি প্ৰতিষ্ঠা কৰে। এই সংহতিৰ গুৰু হ'ল মাধৱদেৱ। অৱশ্যে শঙ্কৰদেৱক পৰমগুৰু বুলি মানে। বৰপেটা সত্ৰই এই সংহতিৰ প্ৰধান সত্ৰ।

**কাল সংহতি ঃ** মাধৱদেৱৰ নিৰ্দেশত গোপাল আতাই উজনি অসমত ১২খন সত্ৰ স্থাপন কৰিছিল। পৰৱৰ্তী সময়ত এই ১২খন সত্ৰক লৈ হোৱা সংহতিৰক কাল সংহতি বোলা হয়। গোপাল আতাৰ স্থাপিত মুখ্য সত্ৰখন কালঝাৰত থকা বাবে এই সংহতিক কাল সংহতি বোলে। ১৬০১ খ্ৰীষ্টাব্দত অনিৰুদ্ধদেৱে এই সংহতিৰ মাজত মোৱামৰীয়া নামে আন এক উপপন্থৰ জন্ম দিয়ে। এই সংহতিৰ গুৰু গোপাল আতা আৰু অনিৰুদ্ধদেৱ।

ইয়াৰ বাহিৰেও পৰৱৰ্তী সময়ত এই চাৰি সংহতিৰ অধীনত অসমৰ বিভিন্ন ঠাইত অনেক সত্ৰ স্থাপন হ'বলৈ ধৰিলে। তদুপৰি অসমত শ্ৰীচৈতন্য পন্থী আৰু আহোম ৰাজত্বকালত ৰজাঘৰৰ পৃষ্ঠপোষকতাত বঙ্গদেশৰ পৰা অহা পৰ্বতীয়া গোসাঁই, পহুমৰীয়া ন-গোসাঁই, মুকলিমুৰীয়া গোসাঁই আদি সত্ৰসমূহ প্ৰতিষ্ঠা হ'ল।

গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ প্ৰয়াত পূজ্যপাদ পীতাম্বৰ দেৱগোস্বামীদেৱৰ 'ধৰ্ম নীতি আৰু সমাজ নীতিৰ বাটত হোৱা গুৰুসকলৰ ভুল' শীৰ্ষক প্ৰবন্ধত লিখিছে যে— "আমাৰ গুৰুসকলৰ প্ৰথম ভুল হ'ল সংহতি বিভাজন কৰাটো। শঙ্কৰদেৱৰ ধৰ্মত সংহতি বুলি কোনো কথা নাছিল। কিন্তু আমি গুৰুসকলে সংহতি বিভাজন কৰি একেটা ধৰ্মকে টুকুৰা-টুকুৰ কৰি মহাপুৰুষীয়া সমাজখনক ছেদেলি-ভেদেলি কৰি পেলালোহঁক।" তেখেত আকৌ কৈছে— "আমি গুৰুসকলে মুখেৰেহে শঙ্কৰ-মাধৱদেৱ-দামোদৰদেৱ-বংশীগোপালদেৱ আদি গুৰুসকলৰ নাম লওঁহঁক। কিন্তু কাৰ্যক্ষেত্ৰত সেইসকল গুৰুৰ কোনো ধৰ্ম আৰু নীতি-আদৰ্শ মানি নচলোহঁক।"

ইয়াৰ পৰা দেখা গ'ল যে যি উদ্দেশ্য লৈ শঙ্কৰদেৱে বৰদোৱাত দেৱগৃহ বা কীৰ্তন গৃহ নিৰ্মাণ কৰিছিল আৰু পৰৱৰ্তী সময়ত তাৰাৰ প্ৰপন্ন শিষ্য মাধৱদেৱে সুন্দৰীদিয়াত আৰু দামোদৰদেৱে বাটবাউসীত সত্ৰ স্থাপন কৰিছিল সেই উদ্দেশ্য ফলৱতী নহ'ল। আহোম আৰু কোচ ৰাজত্বকালত মহাপুৰুষীয়া ধৰ্মৰ বিপৰ্যয় ঘটিল। তাৰাসবৰ অনুগামী পৰৱৰ্তী ধৰ্মচাৰ্যসকলে (অধিকাংশই) পবিত্ৰ মহাপুৰুষীয়া ধৰ্মৰ মাজত কৰ্মকাণ্ডক স্থান দি মহাপুৰুষীয়া ধৰ্মক কলুষিত কৰিলে। তদুপৰি সংহতি বিভাজনেৰে মহাপুৰুষীয়া সমাজখন খণ্ড-বিখণ্ড কৰি ব্ৰাহ্মণ্যবাদ আৰু অস্পৃশ্যতাক স্থান দিয়া হ'ল। শিষ্যসকলে পৰম্পৰা অনুযায়ী আৰু পিতৃ-পিতামহসকলৰ পদাঙ্ক অনুসৰ কৰি তাৰাসৰে যি ভাৱে চলাই আছে তাকে শোকোতাকে মুকুতা বুলি পূৰ্বাপৰ নীতি মানি আছে।

এনে এখন বহুধাভিক্ত মহাপুৰুষীয়া সমাজ দীৰ্ঘদিন বৰ্তি থকা অসম্ভৱ। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে বেদ-বেদান্তৰ সাৰ কাঢ়ি আনি একশৰণ নাম-ধৰ্ম প্ৰৱৰ্তন কৰি জাতি-বৰ্ণ নিৰ্বিশেষে ধৰ্মত দীক্ষিত কৰাই সমগ্ৰ অসমীয়া জাতিক একতাৰ ডোলেৰে বান্ধি থৈ যোৱাৰ নিদৰ্শন দেখুৱাই গৈছে। আমি সেইমতে প্ৰৱৰ্তন হ'লেহে মহাপুৰুষীয়া সমাজ তথা অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষা হ'ব। অসমৰ মহিলা কবি স্বনামধন্য নলিনীবালা দেৱীয়ে কৈ গৈছে— "অসম মানে শঙ্কৰ আৰু শঙ্কৰ মানে অসম। শঙ্কৰবিহীন অসমৰ কোনো অস্তিত্ব নাই।"□□

**সহায়ক গ্ৰন্থ ঃ**
১. অসম বুৰঞ্জী ঃ গুণাভিৰাম বৰুৱা
২. অসম বুৰঞ্জী, চতুৰ্থ সংস্কৰণ ঃ ড° তচদ্দুক আমানুল হুছেইন, মুৰৰী অধ্যাপক, বুৰঞ্জী বিভাগ, ডি.আৰ. কলেজ, গোলাঘাট।
৩. স্মৃতিগ্ৰন্থ ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ অশীতিতম বাৰ্ষিক অধিৱেশন, ড° ৰাতুল চন্দ্ৰ বৰাৰ প্ৰবন্ধৰ পৰা।

**নিকা সংহতিৰ সত্ৰ ঃ** বৰপেটা, বেহেৰা, সুন্দৰীদিয়া, মধুপুৰ, কমলাবাৰী।

**ব্ৰহ্ম সংহতিৰ সত্ৰ ঃ** কুৰুৱাবাহী, গড়মূঢ়, দক্ষিণপাট, আউনিআটী, পাটবাউসী।

**কাল সংহতিৰ সত্ৰ ঃ** লোহিত পাৰ, আঁহতগুৰি, গজলা, বাংশবাৰী, নগৰীয়া, চৰাইবাহী, মোৱামৰীয়া, কলাকটা।

**পুৰুষ সংহতিৰ সত্ৰ ঃ** বৰদোৱা, এলেঙী, বেঙেনাআটী, চুপহা, হালধিআটী, ফুলবাৰী, লক্ষ্মীপুৰ, কোৱামৰা।

## বাৰ্তালোচনীৰ ইতিহাস

(১২ পৃষ্ঠাৰ পৰা)

সত্যেন্দ্ৰনাথ শৰ্মা আদি বিশিষ্ট পণ্ডিত-গৱেষকসকলৰ পূৰ্ব-প্ৰকাশিত মূল্যৱান প্ৰবন্ধও মাজে সময়ে প্ৰকাশ কৰি অহা হৈছে।

**মণিকাঞ্চনৰ পুঁজি আৰু আয়-ব্যয় ঃ**

মণিকাঞ্চন প্ৰকাশৰ বাবে কৰিবলগা যাৱতীয় খৰচ মূল সঙ্ঘৰ পুঁজিৰ লগত সংলগ্ন। ইয়াৰ বাবে হোৱা খৰচ আৰু ৰাহি সম্পৰ্কীয় হিচাপ বাৰ্ষিক প্ৰতিবেদনত প্ৰতিবছৰ প্ৰকাশক তথা সঙ্ঘৰ প্ৰধান সম্পাদকে লিখিত ৰূপত দাঙি ধৰি আহিছে। মূল ছপা প্ৰতিবেদনত মণিকাঞ্চনৰ হিচাপ প্ৰতিবছৰ অধিবেশনস্থলীৰ প্ৰতিনিধিসভাসমূহত দাঙি ধৰা হৈছে। গতিকে প্ৰধান সম্পাদকৰ প্ৰতিবেদনত স্থান পোৱাৰ বাবে ইয়াত পৃথকে দেখুওৱা নাই।

**মণিকাঞ্চনৰ বৰঙণি (অৰিহণা) ঃ**

আৰম্ভণিতে মণিকাঞ্চনৰ প্ৰতি সংখ্যাৰ মূল্য 3.00 [তিনি] টকা ধাৰ্য কৰা হৈছিল। 1996 চনৰ পৰা ইয়াৰ মূল্য 4.00 (চাৰি) টকা কৰা হয়। সেই সময়চোৱাত বাৰ্তালোচনীখনৰ পৃষ্ঠাৰ সংখ্যা আছিল 16 (যোল্ল)। পৃষ্ঠাৰ সংখ্যা বৰ্ধিত কৰি 20 (বিশ) পৃষ্ঠা কৰাৰ পৰা বৰ্তমানলৈকে ইয়াৰ মূল্য 5.00 (পাঁচ) টকা হৈয়ে আছে। কেতিয়াবা বিশেষ সংখ্যা আৰু দুটা সংখ্যা একত্ৰৰূপত প্ৰকাশ কৰিব লগা হোৱাত মূল্য 10.00 (দহ) টকা কৰা হৈছে।

**সামৰণি ঃ**

পৰিশেষত এটা কথাই ক'ব লাগিব, অসম তথা উত্তৰ-পূৰ ভাৰতত এনে কোনো অনুষ্ঠান নাই যিয়ে 'মণিকাঞ্চন'ৰ নিচিনা এখন বাৰ্তালোচনীৰ জৰিয়তে জাতীয় ঐক্য আৰু সংহতিত অৰিহণা যোগাই, জনসাধাৰণৰ ওচৰ চাপি যাব পাৰিছে। ভৱিষ্যতে ওলাব লগা সংখ্যাবিলাকত ধৰ্ম-সাহিত্য-সংস্কৃতিৰ ন ন সম্ভাৰেৰে বিগত বছৰবোৰতকৈয়ো অধিক মনোগ্ৰাহীৰূপে পাঠকৰ হাতত তুলি দিব পাৰিলে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ইঙ্গিত উদ্দেশ্য পূৰণ হ'ব। তেনে শুভক্ষণলৈ আমি সকলোৱে আশাৰে বাট চাই ৰ'লো।■

*(প্ৰাক্তন পদাধিকাৰ মুখেশ্বৰ শইকীয়া আৰু লেখকৰ সংগৃহীত 'মণিকাঞ্চন'ৰ তথ্যৰ ভিত্তিত যুগুত কৰা হ'ল।)*

## সঠিক পথৰ সন্ধান

(৮ পৃষ্ঠাৰ পৰা)

আলচি থাকোতেই বসুন্ধৰাই উলিয়ালে। পষ্ঠীও যেন আগৰ পৰাই উত্তৰৰ বাবে সাজু হৈ আছিল। তাইৰ উত্তৰৰ পৰা সিহঁতে বুজিলে যে সিহঁতৰ পচগুই তাইৰো পচণ্ড। লগতে তাই নিজৰ স্থিতি সবল কৰিবলৈ কথাৰ লগত যোগ দি ক'লে, "ভীষ্মৰ লগত তাইৰ কেবাবছৰৰ পৰা ভাবৰ আদান-প্ৰদান হৈ আছে।

দৰা পচন্দৰ। ঘৰৰ পৰা নাতিদূৰত। সুন্দৰ স্বাস্থ্যবান। ৰাজবিষয়া। সকলোখিনি পোৱাৰ পাচতো দয়ালৰ মনটো কিবা এটা ভাবত গধুৰ হৈ পৰিল। স্বামীৰ গতিবিধি গম পাই গুৱা বিচনাত বসুন্ধৰাই তাক সুধি পেলালে, "তুমি আনন্দ কৰাৰ পৰিবৰ্তে গধুৰ হৈ পৰিলা যে, কাৰণ কি জনাবানে? 'নহয় মানে তোমাক কথাটো কবৰ মন আছে। তোমাক নকৈ কম কাক? পিছে শুনি যদি তুমি জাণ্ডুৰ খাই উঠা।

(১৯ পৃষ্ঠাত চাওক)

# সঠিক পথৰ সন্ধান

(১৮ পৃষ্ঠাৰ পৰা)

তাকেহে ভাবি আছো। তাইফালে বাগৰ সলাই দয়ালে ক'লে। সি আকৌ কৈ গ'ল 'জানা মানে আমি কলিতা মানুহ তাতে সঙ্ঘৰ আজন্ম সঙ্গী। লৰাটো হ'ল আহোম-বামুণীয়া। সেয়েহে অলপ চিন্তাত পৰিছো। কথাখিনি কওঁতে দয়ালৰ প্ৰয়োজনতকৈ অধিক সময় লাগিল আৰু এটি শঙ্কাৰ ভাৱ পৰিস্ফুট হ'ল তাৰ মুখমণ্ডলত। স্বধৰ্ম ৰক্ষা আৰু অন্যহাতে পঞ্জীৰ ভৱিষ্যত জীৱনৰ সুখ শান্তি। দুয়োটা একেলগে তুলাচালনীত তুলিব নোৱাৰিম যেন পাওঁ। কি কৰা যায় একো ওৱাদিহ পোৱা নাই বুলি সি এটি হুমুনিয়াহ কাঢ়িলে। তলকা মাৰি থকা বসুন্ধৰাই এইবাৰ এক নিৰ্ণায়ক সিদ্ধান্তৰ বাবে আৰু অলপ তাৰ কাষ চাপিল ক'লে, 'ভয় নাখাবা। পঞ্জী আমাৰ ছোৱালী তাই আমাৰ সুখ-দুখৰ সমভাগী হ'বই। তাইৰ যি যুক্তিনিষ্ঠ মন। যি আত্ম বিশ্বাস। যি দৃঢ়তা। তাৰে তাই ভীষ্মক সৈমান কৰাব পাৰিব।' বসুন্ধৰাই প্ৰবল আত্ম প্ৰত্যয়েৰে আকৌ ক'লে, 'চাব বিয়াখন সঙঘৰ বিবাহ পদ্ধতি মতেই হ'ব। এতিয়া শুই থাকক। হোম যজ্ঞ বিবাহৰ পৰা হ'ব পৰা বিপৰ্যৰ কথা তাইক বুজাম। বসুন্ধৰাই আকৌ তাক মনত পেলাই দিলে, 'আমি সঙ্গী পদ লোৱাৰ পূৰ্বে বৰা বাপে কৈছিল নহয়, বোলে, সঙঘৰ সঙ্গী ব্ৰাহ্মণ্যবাদৰ হাতুৰাৰ পৰা মুক্ত। আচাৰ-বিচাৰ বিয়া বাৰু আদিত কেৱল একশৰণীয়া হয়নে নহয়, সেইটোহে চাব লাগে। বহু দেৱতাৰ উপাসনা ত্যাগিব। ঘৰত কোনো ক্ষুদ্ৰদেৱতাৰ ছবি বা মৃন্ময় মূৰ্তি নাৰাখিব। কাকতি আৰু বৰাক কব পঞ্জীক যাতে সঙঘৰ একশৰণ তত্ত্বৰ বিষয়ে জ্ঞান দিয়ে।' এইবাৰ সি নিজৰ দুৰ্ভাগ্যৰ বাবে নিজকে প্ৰবোধ দি ক'লে, 'ডাঙৰজনী দিলো এবেলাৰ বাটলৈ, মাজুজনী দিলো এদিনৰ বাটলৈ। দিলৈ এতিয়া পস্তাইছো। ভাবিলো সৰুজনী ওচৰতে দিম। তায়ে আমাৰ পুত্ৰৰ কৰ্তব্যখিনি কৰিব। পিছে বসুন্ধৰাই তাৰ মুখৰ কথা কাঢ়ি দুখ পাতলাবলৈ ৰগৰ কৰি ক'লে, 'আপুনি মই যিমানে জল্পনা-কল্পনা নকৰো কিয় তেৰাৰ ইচ্ছা মতেহে কামবোৰ হ'ব। আমাৰ আশা নিৰাশা এইবোৰ পাৰ্থিব কথা। কোনে জানে মই ক'ত কেতিয়া কেনেকৈ মৰিম। এইবোৰ আপদীয়া চিন্তা দূৰ কৰা। পঞ্জীৰ ভৱিষ্যতৰ সুখ-শান্তিৰ বাবে যদি আমি এইকনো ত্যাগ স্বীকাৰ কৰিব নোৱাৰো, তেন্তে কিহৰ একশৰণীয়া হ'লোহে। তেওঁত বিশ্বাস নেহেৰুৱাব।' এইবাৰ সি মূৰ সলাই ক'লে, শুনিছা বিয়াখন যদি হোমযজ্ঞৰে হ'বলগা হ'ল, তেন্তে আমি এবছৰলৈ সঙ্ঘৰ পৰা এঘৰীয়া হম। বিয়াখন আমাৰ ভকতে নচলাব। নাযাব। আমাৰ একশৰণ ভ্ৰষ্ট হ'ব। তাকে ভাবি ভাবি চকুৰ টোপনি হাৰিছে।' বসুন্ধৰাই অলপ ঠাট্টাৰ সুৰত ক'লে 'আপোনাৰ লগৰ সেই যে হুতা মাতৰ মানুহজন' কোন সেইজন নাম কোৱা দয়ালে ৰূঢতাৰে ক'লে। তাই মনত পেলাবলৈ চেষ্টা কৰি ক'লে, 'পাহৰিছো অ' কিবা কথাই কথাই যে ভাববাদী, বস্তুবাদী বুদ্ধিজীৱী বুলি কয় তেওঁৰ কথা কৈছো। তেওঁ উপযাচি কৈছিল, 'বিয়াখনত সমস্যাই দেখা দিছে যেতিয়া 'মোমায়েকৰ ঘৰৰ পৰা, নহ'লে খুৰাকৰ ঘৰ পৰা যদি তাকো নহয় কেবাদিন আগতে প্ৰাথমিকৰ ভকতৰ হতুৱাই নামপ্ৰসঙ্গ কৰি দিলেই সমস্যা শেষ। এনেবোৰ অঘটন হেনু হৈছে আছে ঠায়ে ঠায়ে।' মই হ'লে তেখেতৰ এনে টুলুঙা সস্তীয়া কথাক পাট্টা নিদিলো। এনেবোৰ দুষ্টালি বুদ্ধি দিয়ে কিয় আমাক। মানুহজন ভাল নহয় দেই।'

মাক-বাপেকৰ কথোপকথনখিনি পঞ্জীয়ে নিজ বিচনালৈ যোৱাৰ সময়ত কাণ পাতি শুনিলে। তাই মনলৈ কিবা অমঙ্গলীয়া সংলগ্নহীন চিন্তাবোৰ আহিব ধৰিলে। তাইৰ বিয়াখনক লৈ অদূৰ ভৱিষ্যতে কিবা অশান্তি হ'ব নেকি? যিখন সমাজক লৈ ধৰ্মীয় অনুষ্ঠানসমূহ আনন্দৰে কৰি আছে। যাৰ লগত থাকি মাক-বাপেক আৰু তাই প্ৰকৃত ধৰ্মজ্ঞান পাইছে; যিসকলে সঠিক পথৰ সন্ধান দিছে। যিসকলে ভাগৱত অমৃতৰস পান কৰাইছে, সেই কাকতি আৰু বৰা খুড়াহঁত মোৰ বিয়াৰ সৰ্বোতম আনন্দৰ পৰা বঞ্চিত হ'ব। আমি একশৰণ তত্ত্বৰ পৰা স্খলিত হোৱাটো এটা ধৰ্মীয় কলঙ্ক নহয় জানো? তাৰ মানে এক বিৰাট বিপৰ্যয়ৰ মাজেৰে বিয়াখন হবলৈ আগবাঢ়িছে। সঙ্ঘৰ ভকত ভকতনীটো বাদেই নিজ পৰিয়ালৰ সঙ্ঘৰ অন্তৰ্ভুক্ত কেইঘৰো নাহিব। এনে কথা তাই কেনেকৈ ভাবিব বাৰু। বিয়াখন নহবগৈ। এইবাৰ তাই নিজৰ মন বান্ধিলে। তাই সকলো কথা ভীষ্মক কব। সি তাইৰ দামী চাকৰি দেখি; নে তাইৰ লোভনীয় সৌন্দৰ্য দেখি; নে তাইৰ গুণ দেখি বিয়া কৰিব ওলাইছে সুধিব তাক। তাৰ পৰা দৃঢ় প্ৰতিশ্ৰুতি লৈহে তাই বিয়াত বহিব। তাই জানে ভীষ্মহঁতে বিয়াত হোম যজ্ঞ কৰে। চকলং বিয়া পাতে। এবাৰ তাই ভীষ্মৰ হাতত ধৰি কৈয়ে পেলালে, "তোমাৰ হাতত বান্ধি থোৱা দোল-ফুহটিবোৰ স্বাস্থ্যসন্মত নে? যদি হয় পিন্ধা আৰু যদি নহয় এতিয়াই...। তাইৰ কথাৰ শিপাডাল ক'ত আছে বুজি পাই, সি তাৰ হাতৰ ৰঙীণ ফটাকানি দলিয়াই দিলে। আৰু তাইলৈ সহাঁৰি বিচাৰি ক'লে, 'হয় পঞ্জী দুৰ্বল মনৰ মানুহেহে এইবোৰত আশ্ৰয় লয়। তোমাৰ যুক্তিবাদী ধৰ্মাদৰ্শবোৰ মোৰ বৰ ভাল লাগে। বেছি কৈছো বুলি নাভাবিবা। বৰং মোক সহায়হে কৰিব লাগিব। ভীষ্মৰ সংস্কাৰমুখী প্ৰগতিশীল চিন্তাধাৰাটোৰ কথা তাই জানে। সঙঘৰ সংস্কাৰকামী কাৰ্যসূচী সমূহৰ প্ৰসঙ্গত যি মন্তব্য দিয়ে তাইৰ মনত আছে-- 'জানা পঞ্জী পৰম্পৰাবোৰ পৰিবৰ্তনৰ অধীন। তাক যুগানুসাৰে সংযোগ বিয়োগ বা একেবাৰে বাদ দিব পাৰি। কেৱল সাহিত্য কলা-সংস্কৃতিসমূহ অপৰিৱৰ্তিত অৱস্থাত ৰাখিব লাগে। অন্যৰ সংস্কৃতি আদৰিবলৈ গৈ নিজৰ কলাসংস্কৃতি ত্যাগ কৰাটো জাতিটোৰ বিপদৰ অশনি সংকেত মাত্ৰ।

পংখীৰ প্ৰচেষ্টাই সুফল দিবলৈ ধৰিলে যদিও তাতে কিছু সৰুসুৰা বিধিপথালিয়ে দেখা দিলে। তাই ভবা মতে সহজে কাম আগনাবাঢ়িল। ভীষ্মৰ ঘৰৰ পৰা চৰ্ত দিলে যে বিয়া ক'ত কেনেকৈ হয় হওক। তাত বৰ পক্ষৰ পিতৃ বা অন্য জ্যেষ্ঠ সকল উপস্থিত নাথাকিব। বহু জল্পনা-কল্পনা আৰু ভাব বিনিময়ৰ ফলশ্ৰুতিত বিয়াখন সঙ্ঘৰ জিলা নামঘৰত দিনতে হোৱাটোত দুয়োপক্ষ সন্মত হ'ল। সৰু চহৰখনত এক ব্যতিক্ৰমী বিয়াৰ আয়োজন হ'ল। বিবাহ ভৱন, হোটেল বা নিজ ঘৰৰ পৰিবৰ্তে শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ জিলা নাম ঘৰত হ'ব লগা এইখনেই প্ৰথম বিবাহ হ'ব। চহৰখনত সঙঘৰ মতে বৰ বা কন্যাপক্ষৰ এজন অভিভাৱক হলেই বিবাহ কাৰ্য সম্পাদন হোৱাত একো অসুবিধা নাই। কথাবোৰ শুনি কাকতিহঁত আশ্বস্ত হ'ল। যাহওক এক সাত্বিক ব্যৱস্থাপনাৰে বিবাহ কাৰ্য সম্পূৰ্ণ কৰাৰ বাট সুগম হ'ল। সঙ্ঘৰ নামঘৰত অভক্ষ ভক্ষণ আৰু আসুৰিক দ্ৰব্য গ্ৰহণ কৰাটো নিষিদ্ধ। প্ৰভুৱে যি কৰে ভালেই কৰে। ভকতৰ পক্ষপাত তেৰাই কৰেই বুলি কাকতিয়ে সঘনাই কোৱা কথাষাৰ ফলিয়ালে। এয়ে নহয় বৰায়ো পঙ্গু ছোৱালীক বিয়া দিলে। নাতিৰ মুখ দেখিলে। অশিক্ষিত তুলনীয়া ল'ৰাৰ চৰকাৰী চাকৰি দিলে। আৰু চহৰৰ মাজমজিয়াত এটুকুৰা অতি মূল্যবান বাসস্থান যোগাৰ কৰিলে। প্ৰভুৰ এনে কাৰ্যবোৰক ভক্তৰ প্ৰতি কৰা চমৎকাৰ বুলি নকৈ নো কি বুলি ক'ব।

বিয়াখনত দেখা দিয়া বিধি পথালিবোৰৰ সুবিধালৈ বামুণীয়া বন্ধুহতে কৈয়ে পেলালে, 'আমাক এৰি সঙ্ঘ পালিগৈ। তাত কি পালি। ছোৱালীজনী বিয়া দিয়াত সহায় কৰাতকৈ বাধাহে দিব বিচাৰিছে। ঘৰৰ ল'ৰা ঘৰলৈ ঘূৰি আহ। আমাৰ একো ধৰা-বন্ধা নীতি নিয়ম নাই। দয়াল-দৃঢ়মনা। তাৰ ভকতি থুনুকা নহয়। প্ৰভুৱে তাক কৃপা কৰাটো ইমান ডাঙৰ কথা নহয়। ডাঙৰ কথাটো হ'ল সি মৃত্যু সময়লৈকে এক কৃষ্ণদেৱত অচলা ভকতি অটুট ৰখাটোহে মূল কথা। বিয়া তাইৰ কপালত যেনেকৈ আছে, তেনেকৈয়ে হ'ব। তুমি মই কলেই হ'বনে? সৱ তেৰাৰ ইচ্ছা। আপুনি আমি নিমিত্ত মাত্ৰ। আজিকালি দয়াল আৰু বসুন্ধৰাই দম্ভ অহংকাৰ শূন্য ভকতিয়াল শব্দ আৰু প্ৰদূষণমুক্ত বাক্য প্ৰয়োগ প্ৰায়ে কৰে।

এখন ব্যতিক্ৰমী বিবাহ হৈ গ'ল চহৰখনত। পিছদিনা স্থানীয় বাতৰি কাকতটো প্ৰকাশ পালে বিয়াৰ খবৰটো। বিয়াখনে মানুহৰ মুখে মুখে প্ৰশংসা বুটলিবলৈ সক্ষম হ'ল। নিৰামিষ আহাৰ পৰিবেশন কৰি এক নৱজাগৰণৰ সূত্ৰপাত কৰিলে দয়ালহঁতে। সকলোৱে তৃপ্তিৰে আহাৰ গ্ৰহণ কৰা দেখি বৰা আৰু কাকতি উল্লাসত নাচি উঠিল। এয়া যেন এক জয় যাত্ৰাৰ আৰম্ভণী।

বিয়াখনত দুই এজন অঘাইটং চেঙেলীয়া ল'ৰাই ঠাট্টা মস্কৰা কৰাৰ কথা বৰাহঁতৰ কাণত নপৰা নহয়। পৰিছিল। ভাত খাবলৈ বহি ভাজিত পোৱা তেজপাতটিত বৰালী মাছৰ টুকুৰা আৰু মাটিদাইলৰ খাৰৰ আঞ্জাত পোৱা বগা কোমোৰাৰ টুকুৰাক ৰৌমাছৰ পিচ্ বুলি দাঙি লগৰ মখাক দেখুৱাই অট্টহাস্য কৰা কথাত বৰাহঁতে গুৰুত্ব নিদিলে। বিয়াসবাহত অলপ অনিয়ম হয়ে তাক ধৰি থকা বেয়া কথা বুলি কাকতিহঁতে এৰি দিলে। দয়ালৰ কাষ চাপি এটি আত্মসন্তুষ্টিৰ হাঁহি মাৰি কাকতি আৰু বৰা দুয়োজনে একেলগে অতৰ্কিতে ক'লে, এক কৃষ্ণদেৱত অচলা ভক্তিযুক্ত দৃঢ় মনৰ জনৰ বাবেহে এনে হোৱাটো সম্ভৱ। লক্ষ্য আৰু উদ্দেশ্য ঠিক হ'লে আমি সঠিক পথৰ সন্ধান পামেই বুলি কাকতিয়ে দয়ালক সাৱটি ধৰি অন্নপ্ৰসাদ লবৰ বাবে ভোজনালয়লৈ আগবঢ়াই নিলে।❑❑

ফোন ঃ ৯৭০৬১৮১৩২৩

# সন্ধানী সেৱাবাহিনী

(১৫ পৃষ্ঠাৰ পৰা)

দূৰতে তেজিয়ো থৈয়ো আন যত
মনকাম ৰাম ৰাম।।"

মৃত্যুৰ আগমুহূৰ্তত হৰিনাম ল'ব পাৰিলেহে পৰম গতি লাভ কৰিব পাৰিমহঁক। সেই পৰ্যায়টো পাবলৈ হ'লে আমি সাধু সঙ্গ অনুসৰণ কৰিব লাগিব। সাধু সঙ্গৰ লগত নাম লোৱাৰ অনুশীলন কৰিব লাগিব। হৰিনাম অমৃতেই মোক্ষপ্ৰাপ্তিৰ প্ৰধান উপায়। তাকে নকৰি কলিত শাস্ত্ৰই নিষিদ্ধ কৰি থোৱা তপ, জপ, যাগ, যজ্ঞ, পূজা-পাতালেৰে মোক্ষ প্ৰাপ্তিৰ সপোন দেখাসকলে বৃথা চেষ্টা কৰিছে। বিপৰীকে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সেৱাবাহিনীয়ে 'কৰিয়ো কুমাৰ কালে হৰিনাম ধৰ্ম্ম' আপ্ত বাক্যশাৰীকে মনে প্ৰাণে গ্ৰহণ কৰিছে। সাম্প্ৰতিক সময়ত হত্যা-হিংসা, দুৰ্নীতি-ভ্ৰষ্টাচাৰ, উশৃঙ্খল, অপসংস্কৃতিয়ে চৌদিশে ক'লা কৰাৰ সময়ত; ড্ৰাগছ, চাদা, বিড়ি, চিগাৰেট, মদ, মাংস আদি বৰবিহে যুৱ মানসিকতাক উদাত্ত কৰি তোলাৰ সময়ত, হৰিনাম ধৰ্মৰ প্ৰতি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ যুৱক-যুৱতী ওলাই অহাটো সু-শৃঙ্খল সমাজ গঠনৰ এক ইতিবাচক পদক্ষেপ বুলি বিনা দ্বিধাই ক'ব পৰা হৈছে। গুৰুজনাক প্ৰতিষ্ঠা কৰিবলৈ সংকল্প গ্ৰহণ কৰিছে। হৰি ভকতিৰে সেৱাবাহিনীৰ যুৱক-যুৱতীয়ে সুন্দৰৰ আৰাধনা কৰিছে। পাশ্চাত্যৰ বস্তুবাদী আদৰ্শক বিনা-দ্বিধাই নাকচ কৰিছে। মনৰ শুদ্ধ, সত্য, চিন্তাৰ ফলত যুৱক-যুৱতীৰ মুখত মাৰ্জিত, শান্ত, সমাহিত শব্দ ফুটিছে। নৈতিক, আধ্যাত্মিক, মূল্যবোধ শিক্ষা গ্ৰহণৰ জৰিয়তে শাৰীৰিক, মানসিক, বৌদ্ধিক, নৈতিক আৰু সাংস্কৃতিক সকলো দিশতে বিকাশ হৈছে। মুঠৰ ওপৰত অমৃতৰ সন্ধান কৰিছে। এই অমৃত সাধু-সন্ত সৃষ্টি কৰিব পৰা অমৃত। আহক, আমি সকলোৱে জীৱনক বুজি ইয়াৰ গুৰুত্ব আৰু মহত্ব উপলব্ধি কৰাৰ লগতে জীৱন-যৌৱনক সফলতাৰে উপভোগ কৰোঁহঁক।■■

# অসম ভিত্তিত প্ৰাইজমানি প্ৰবন্ধ প্ৰতিযোগিতাৰ আয়োজন

**হোজাই ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ হোজাই জিলা সাহিত্য শাখাই এই বছৰৰ পৰা অসম ভিত্তিত এলানি প্ৰাইজমানি মৌলিক প্ৰবন্ধ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। অহা ১৫ অক্টোবৰ ২০১৩ তাৰিখৰ ভিতৰত লিখনিসমূহ জমা দিবলগা এই প্ৰবন্ধ প্ৰতিযোগিতা মুঠ তিনিটা শাখাত অনুষ্ঠিত হ'ব। ক শাখাত ষষ্ঠ মানৰ পৰা দশম মানৰ ছাত্ৰ-ছাত্ৰীৰ মাজত। বিষয় ঃ **'শিশুৰ সুস্থ শাৰীৰিক-মানসিক বিকাশ সাধনত শ্ৰীমন্ত শঙ্কৰদেৱৰ শৈশৱ কাল অধ্যয়ন'**। খ শাখাত একাদশৰ পৰা স্নাতোকোত্তৰ ছাত্ৰ-ছাত্ৰীৰ মাজত। বিষয় ঃ **'নৈতিক-আধ্যাত্মিকবাদৰ চৰ্চাই হ'ল নৱপ্ৰজন্মই যুৱ উচ্ছৃঙ্খলতাৰ পৰা হাত সৰাৰ একমাত্ৰ উপায়'**। গ শাখাত সকলোৰে বাবে মুকলি থাকিব। বিষয় ঃ **'গাৰোৰ গোবিন্দৰ পৰা... মুছলমানৰ চান্দ খাঁলৈ— সম্প্ৰীতিৰ পটভূমিতত এয়া কালজয়ী চৰিত্ৰ ঃ এক সৰস আলোচনা'**। লিখনিসমূহ পোন্ধৰশ শব্দৰ ভিতৰত হ'ব লাগিব। এই প্ৰবন্ধ প্ৰতিযোগিতাত প্ৰথম আৰু দ্বিতীয় স্থান দখল কৰা প্ৰতিযোগীক ক্ৰমে— ক শাখাত ৩০০০/- আৰু ১৫০০/-, খ শাখাত ৪০০০/ আৰু ২০০০/- আৰু গ শাখাত ৫০০০/ আৰু ২৫০০০/ নগদ টকাৰ লগতে মানপত্ৰ, গামোচা-চেলেং চাদৰেৰে পুৰস্কৃত কৰা হ'ব।

অন্যহাতে প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ লিখনিসমূহ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ হোজাই জিলা শাখাৰ বছেৰেকীয়া আলোচনী 'সুদৰ্শন'ত প্ৰকাশ কৰা হ'ব বুলি সাহিত্য শাখাৰ সম্পাদক শ্ৰীমুকুল পাটৰে এক বিজ্ঞপ্তিত জনাইছে। লিখনিসমূহ 'প্ৰবন্ধ প্ৰতিযোগিতাৰ বাবে' লিখি শ্ৰীমুকুট পাটৰ, সম্পাদক, হোজাই জিলা সাহিত্য শাখা, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ডাকঘৰ ঃ কাকী, জিলা ঃ নগাঁও (অসম), পিন ঃ ৭৮২৪৪২ ঠিকনাত পঠাব লাগিব আৰু প্ৰাপ্তি নিশ্চিতৰ বাবে ৯৭০৭১২৮০২৪ বা ৭৩৯৯৭৬৭৪০ নম্বৰত যোগাযোগ কৰিব পাৰিব।◆

# কেন্দ্ৰীয় লোক-কৃষ্টি সমাৰোহ

**নাজিৰা ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ নাজিৰা জিলা শাখাৰ ব্যৱস্থাপনাত যোৱা ১০ জুলাই তাৰিখৰ পৰা ১৬ জুলাই'১৩ তাৰিখলৈ লোক-কৃষ্টি (বৰ নাগাৰা, থিয়নাম, বিয়ানাম, ভোৰতাল, ওজাপালি)ৰ কৰ্মশালা অনুষ্ঠিত কৰা হয়। প্ৰায় ২০খন জিলা শাখাৰ ১০০গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ লোৱা কৰ্মশালাটি ১০ জুলাইৰ পুৱা ৯ বজাত পদাধিকাৰ শ্ৰীযুত ৰজনীকান্ত দত্তবাপে ধৰ্মধ্বজা উত্তোলন কাৰ্যসূচীৰে পাতনি মেলা হয়। সন্ধিয়া ৫ বজাত এখনি সংবাদ মেল অনুষ্ঠিত কৰা হয়। পদাধিকাৰ, প্ৰধান সম্পাদক শ্ৰীযুত বাবুল বৰা, যুটীয়া সম্পাদক শ্ৰীআনন্দ বৰা, সংস্কৃতি শাখাৰ সভাপতি শ্ৰীবসুন্ধৰ ডেকা, সম্পাদক শ্ৰীপৱিত্ৰপ্ৰাণ বৰা আৰু শিশু আৰু আই-মাতৃ কল্যাণ সমিতিৰ সভানেত্ৰী সম্পাদিকাৰ লগতে নাজিৰা জিলা শাখাৰ বিষয়ববীয়াসকল উপস্থিত থাকে। ৭ বজাৰ পৰা কেন্দ্ৰীয় শিশু আৰু আই-মাতৃ কল্যাণ সমিতিৰ সভানেত্ৰী মামনি চলিহা আইৰ সঞ্চালনাত অনুষ্ঠিত হোৱা উদ্বোধনী অনুষ্ঠানৰ শুভাৰম্ভ কৰে প্ৰধান সম্পাদক শ্ৰীবাবুল বৰাবাপে কৰ্মশালাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। পদাধিকাৰ শ্ৰীযুত ৰজনীকান্ত দত্তবাপে ভাষণ ৰাখি কয় যে জিলা শাখাসমূহে এই কৰ্মশালা অনুষ্ঠিত কৰি বিভিন্ন দিশত উপকৃত হ'ব পাৰে। ১১ তাৰিখৰ পুৱাৰ পৰা কৰ্মশালা সংস্কৃতি শাখাৰ সম্পাদক শ্ৰীপৱিত্ৰপ্ৰাণ বৰাবাপৰ প্ৰত্যক্ষ পৰিচালনাত আৰম্ভ হয় লোককৃষ্টি কৰ্মশালা। বিভিন্ন শাখাত প্ৰশিক্ষক হিচাপে প্ৰশিক্ষণ প্ৰদান কৰে বৰ নাবাৰাত শ্ৰীনৰেশ্বৰ কলিতা আৰু শ্ৰীভদ্ৰ কলিতা; বিয়ানামত শ্ৰীমামনি চলিহা; থিয়নাম আৰু ভোৰতালত শ্ৰীৰবীন্দ্ৰ ৰাভা, দিহানামত শ্ৰীঅমিয়া নেওগ কলিতা; ওজাপালিৰ প্ৰশিক্ষক হিচাপে শ্ৰীচুৰেণ ডেকা, লোহিত বৈশ্য, হেম ডেকা বাপজনাই। ১৪ জুলাইত অনুষ্ঠিত হয় ডিব্ৰুগড় মণ্ডলৰ জিলাসমূহৰ সংস্কৃতি শাখাৰ সভাপতি সম্পাদক সন্মিলনভাগি। সংস্কৃতি শাখাৰ বিভিন্ন কৰ্ম-আঁচনিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত শঙ্কৰী সংগীত মহাবিদ্যালয়ৰ বিষয়ত সংস্কৃতি শাখাৰ সম্পাদক বৰাবাপে বিতং আলোচনা আগবঢ়ায়। ১৬ জুলাই তাৰিখে পুৱা ৯ বজাত প্ৰশিক্ষাৰ্থী আৰু নাজিৰাৰ ভকত-বৈষ্ণৱ-সেৱক-সেৱিকাসকলৰ সহযোগত এটি সাংস্কৃতিক শোভাযাত্ৰাই সমগ্ৰ নাজিৰা নগৰ পৰিভ্ৰমণ কৰি সকলোৰে মন জয় কৰিবলৈ সমৰ্থ হয়। ১২ বজাৰ পৰা সংস্কৃতি শাখাৰ সভাপতি শ্ৰীবসুন্ধৰ ডেকাবাপৰ সঞ্চালনাত অনুষ্ঠিত প্ৰশিক্ষণ সত্ৰৰ সামৰণি অনুষ্ঠানভাগি নাজিৰা মহকুমাৰ মহকুমাধিপতি শ্ৰীযুত পূৰবী কোঁৱৰ আইয়ে উদ্বোধন কৰা সভাভাগিত মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰে পদাধিকাৰ শ্ৰীযুত ৰজনীকান্ত দত্তবাপে কৰ্মশালাৰ সফল সমাপ্তিত সকলোলৈকে কৃতজ্ঞতা প্ৰদান কৰে। বিশিষ্ট অতিথি হিচাপে কেন্দ্ৰীয় সেৱাবাহিনীৰ মুখ্য অধিনায়ক শ্ৰীঅঞ্জন সাধনিদাৰ বাপ আৰু কেন্দ্ৰীয় শিশু আৰু আই-মাতৃ কল্যাণ সমিতিৰ সম্পাদিকা শ্ৰীৰূপা চুতীয়া আইয়ে বক্তব্য প্ৰদান কৰে। সভাত শ্ৰীৰবীন্দ্ৰ ৰাভাবাপ, আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতিৰ লগতে সংস্কৃতি শাখাৰ সম্পাদক পৱিত্ৰপ্ৰাণ বৰাবাপে বক্তব্য ৰাখে। নাজিৰা জিলা শাখাৰ সংস্কৃতি শাখাৰ সম্পাদক শ্ৰীধ্ৰুৱজ্যোতি খনিকৰবাপ, সেৱাবাহিনীৰ জিলাধিনায়ক শ্ৰীদেৱবৰণ্য গগৈ, সঞ্চালনা সমিতিৰ সদস্য প্ৰতাপ লাহনবাপ আৰু সেৱক-সেৱিকাসকলৰ যোগেদি কৰ্মশালাভাগি সফল কৰি তোলাত মুখ্য ভূমিকা গ্ৰহণ কৰে।◆

# ‘ভকতি প্ৰৱাহ’ৰ বাবে লেখা আহ্বান

**তিনিচুকীয়া ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ৮৩সংখ্যক বাৰ্ষিক অধিৱেশনভাগি অহা ২০১৪ চনৰ ফেব্ৰুৱাৰী মাহৰ ৬, ৭, ৮ আৰু ৯ তাৰিখে বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ সমন্বয় ক্ষেত্ৰ, মাকুম জংচন, তিনিচুকীয়াত অনুষ্ঠিত কৰিবলৈ প্ৰয়াস কৰা হৈছে। উক্ত অধিৱেশনৰ লগত সংগতি ৰাখি অসমীয়া জাতিৰ ত্ৰাণকৰ্তা শ্ৰীমন্ত শঙ্কৰদেৱৰ অনুপম সৃষ্টি ধম, সাহিত্য, সংস্কৃতিৰ বৰপথাৰখনক মূল ভেটি হিচাপে লৈ বৈজ্ঞানিক বিশ্লেষণাত্মক গৱেষণাধৰ্মী প্ৰবন্ধ-পাতিৰে **‘ভকতি প্ৰৱাহ’** নামেৰে এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ কাম হাতত লোৱা হৈছে।

আশা কৰোঁ উক্ত স্মৃতিগ্ৰন্থত প্ৰকাশৰ বাবে সংশ্লিষ্ট বিষয় সন্নিৱিষ্ট অসমীয়া, ইংৰাজী বা হিন্দী ভাষাত প্ৰবন্ধ গল্প, কবিতাকে ধৰি আপোনাৰ এটি বহুমূলীয়া লেখা অহা ৩০ অক্টোবৰ, ২০১৩ তাৰিখৰ ভিতৰত নিম্নলিখিত ঠিকনাত পোৱাকৈ প্ৰেৰণ কৰি স্মৃতিগ্ৰন্থখনিৰ সৌষ্ঠৱ বৃদ্ধিত অৰিহণা যোগাই অধিৱেশনভাগি সাফল্যমণ্ডিত কৰি তুলিবলৈ কৰপুতে বিনম্ৰ নিবেদন জনালো।

ঠিকনা ঃ

শ্ৰীলীলাসেন তামুলী, সম্পাদক, ভকতি প্ৰৱাহ, সহযোগী অধ্যাপক, তিনিচুকীয়া মহাবিদ্যালয়, তিনিচুকীয়া-৭৮৬১২৫, ই-মেইঃ tamulys@gmail,com

# শঙ্কৰী সঙ্গীতৰ কেন্দ্ৰীয় প্ৰশিক্ষণ সত্ৰৰ সফল সামৰণি



উত্তৰ-পূব ভাৰতৰ ধৰ্মীয়, সাহিত্য, সংস্কৃতি, সামাজিক আৰু আধ্যাত্মিক অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ সংস্কৃতি শাখাৰ উদ্যোগত ধেমাজি জিলা শাখাৰ ব্যৱস্থাপনাত ঘিলামৰা আঞ্চলিক শাখাৰ আতিথ্যত ধেমাজি জিলা শাখাৰ নামঘৰ (ঘিলামৰা)ত যোৱা ২ৰ পৰা ৯জুলাই, ২০১৩ তাৰিখলৈকে শঙ্কৰী সঙ্গীতৰ কেন্দ্ৰীয় প্ৰশিক্ষণ সত্ৰ অনুষ্ঠিত হৈ যায়। পুৱা প্ৰাত-প্ৰসঙ্গ, ৮.৩০ বজাত ধৰ্মধ্বজা উত্তোলন কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ শ্ৰীযুত ৰজনীকান্ত দত্ত বাপে। ১১ বজাত ভাগৱত পাঠ আৰু ব্যাখ্যা আগবঢ়াই পদাধিকাৰেবাপে। সন্ধিয়া ৭ সংস্কৃতি শাখাৰ সভাপতি শ্ৰীবসুন্ধৰ ডেকাবাপৰ সভাপতিত্বত শঙ্কৰী সঙ্গীতৰ আৰু নাট্য কেন্দ্ৰীয় প্ৰশিক্ষণ সত্ৰ শুভাৰম্ভণি সভা আয়োজন কৰা হয়। প্ৰশিক্ষণ সত্ৰভাগি উদ্বোধন কৰে প্ৰধান সম্পাদক শ্ৰীযুত বাবুল বৰাবাপে। মুখ্য অতিথি ভাষণত পদাধিকাৰবাপে কয় যে শঙ্কৰী সঙ্গীতৰ সাধনা জৰিয়তে ঈশ্বৰৰ উপাসনা কৰা লগতে সামাজিকভাৱে আগবাঢ়ি গ'লেহে গুৰুজনা মহান সংস্কৃতি ৰক্ষা কৰা হ'ব। বিশিষ্ট অতিথি ভাষণ প্ৰদান কৰে ধেমাজি জিলা শাখাৰ সভাপতি শ্ৰীৰোহিতেশ্বৰ ভঁৰালীবাপে। ঘিলামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক শ্ৰীকেশৱ হাজৰিকাবাপে। ৬ জুলাই তাৰিখে ধেমাজি, জোনাই, ঢকুৱাখনা, লখিমপুৰ আৰু গহপুৰ জিলা, আঞ্চলিক শাখাৰ সংস্কৃতি শাখাৰ সভাপতি/সম্পাদক বাপসকলৰ এখন সভা অনুষ্ঠিত কৰা হয়।

সাতদিনীয়া আয়োজন কৰা শঙ্কৰী সঙ্গীতৰ কেন্দ্ৰীয় প্ৰশিক্ষণত সত্ৰ পাঠদান আগবঢ়াই যথাক্ৰমে বৰগীতত শ্ৰীৰঞ্জিত বৰা, শ্ৰীক্ষীৰোদ বৰা, বায়ন বিষয়ত শ্ৰীভৱেন বৰা, নৰ্তন বিষয়ত শ্ৰীত্ৰৈলোক্য নাথ, শ্ৰীবালিৰাম নাথ, নাট্য বিষয়ত শ্ৰীপৱিত্ৰপ্ৰাণ বৰাবাপে।

৯ জুলাই তাৰিখে পুৱা নাম-প্ৰসঙ্গ, সংস্কৃতি শোভাযাত্ৰা আৰু ১২ বজাত শঙ্কৰী সঙ্গীতৰ কেন্দ্ৰীয় প্ৰশিক্ষণ সত্ৰ সামৰণি সভাভাগি আয়োজন কৰা হয়। ধেমাজি জিলা শাখাৰ সভাপতি শ্ৰীৰোহিতেশ্বৰ ভৰালীবাপৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাভাগি উদ্বোধন কৰে নৰ্থ বেংক মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক শ্ৰীকুসুম্বৰ ফুকনবাপে। বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে প্ৰাক্তন উপ-পদাধিকাৰ শ্ৰীযুত প্ৰমোদ শইকীয়াবাপে। জিলা শাখাৰ সম্পাদক শ্ৰীদেৱ চুতীয়া, মূলৰ সদস্য, জিলা শাখা আৰু আঞ্চলিক শাখাৰ বিষয়ববীয়া বাপ-আইসকলে ভাষণ প্ৰদান কৰে।

সন্ধিয়া ৭ বজাত প্ৰশিক্ষক-প্ৰশিক্ষাৰ্থীসকলৰ সহযোগত সাংস্কৃতিক সন্ধিয়া আয়োজন কৰা হয়। সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে জিলা শাখাৰ সদস্য শ্ৰীমোহন দাসবাপে। শিল্পীসকলে বৰগীত, খোলবাদ্য, শঙ্কৰী নৃত্য আৰু শ্ৰীমন্ত শঙ্কৰদেৱ অপূৰ্ব সৃষ্টি ‘পাৰিজাত হৰণ’ নাটভাগি মঞ্চায়ন কৰি ভূয়সী প্ৰশংসা লাভ কৰে।

মাজুলী, বঙাইগাঁও, নলবাৰী, বজালী, ৰঙিয়া, দৰং, তেজপুৰ, বিশ্বনাথ, মৰিগাঁও, নগাঁও, হামৰেণ, বোকাখাট, ধনশিৰি, গোলাঘাট, তিতাবৰ, কলিয়াবৰ, শিৱসাগৰ, ডিব্ৰুগড়, তিনিচুকীয়া, জোনাই, ঢকুৱাখনা, ধেমাজি, লখিমপুৰ, দক্ষিণ-পশ্চিম কামৰূপ আদিৰ পৰা ২০০ গৰাকী শিল্পীয়ে অংশগ্ৰহণ কৰে।

প্ৰশিক্ষণ সত্ৰভাগি সংস্কৃতি শাখাৰ সম্পাদক আৰু সেৱাবাহিনীৰ সংস্কৃতি সচিব শ্ৰীপ্ৰাঞ্জল ফুকনে পৰিচালনা কৰে। জিলা, আঞ্চলিক আৰু আদৰণি সমিতি সভাপতি- শ্ৰীপদ্ম বৰা, উপসভাপতি- শ্ৰীগোবিন নাথ, সম্পাদক-শ্ৰীদেৱেশ্বৰ শইকীয়াবাপ, জিলাধিনায়ক-শ্ৰীবিশ্বজিৎ শইকীয়া আৰু সেৱক-সেৱিকা, জিলাৰ সংস্কৃতি শাখাৰ সভাপতি শ্ৰীখগেন বৰুৱা আৰু সম্পাদক শ্ৰীমনোজ দত্তবাপ লগতে যি যিসকলে এই কৰ্মশালাটি সুন্দৰভাৱে পৰিচালনা কৰাত সহায়-সহযোগিতা আগবঢ়ালে সকলোলৈ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সংস্কৃতি শাখাৰ তৰফৰ পৰা ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰা হয়।◆

# গৱেষণামূলক প্ৰবন্ধ প্ৰতিযোগিতা

**যোৰহাটঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ যোৰহাট জিলা শাখাৰ অন্তৰ্গত ‘শঙ্কৰী সাহিত্য গৱেষণা নিধি'ৰ পৰিচালনা সমিতিয়ে সদৌ অসম ভিত্তিত গৱেষণামূলক প্ৰবন্ধ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা ডেৰশ বছৰীয়া জয়ন্তীৰ লগত সামঞ্জস্য ৰাখি এইবাৰৰ প্ৰতিযোগিতাৰ বিষয়— **“ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যত শঙ্কৰদেৱৰ মূল্যায়ন”** শীৰ্ষক ৰখা হৈছে।

ইচ্ছুক প্ৰতিযোগীসকলে নিজৰ নাম, ঠিকনা, বয়স, পেছা আদি উল্লেখ কৰি হৰেশ দত্ত, সম্পাদক, শঙ্কৰী সাহিত্য গৱেষণা নিধি, যোৰহাট জিলা শাখাৰ নামঘৰ (চন্দ্ৰ কমল বেজবৰুৱা বাণিজ্য মহাবিদ্যালয়ৰ সমীপত) পিন ঃ ৭৮৫০০১ (ফোন- ৯৪৩৫৯-২২৩৪৪) ঠিকনাত অহা ১/১০/২০১৩ তাৰিখৰ ভিতৰত পোৱাকৈ প্ৰেৰণ কৰিব পাৰিব। প্ৰতিযোগিতাত প্ৰথম আৰু দ্বিতীয় স্থান প্ৰাপ্তসকলক নিধিৰ তৰফৰ পৰা নগদ ধন আৰু মানপত্ৰৰে অহা গুৰু আৱিৰ্ভাৱ মহোৎসৱত সন্মানিত কৰা হ'ব। অসমৰ সকলো জাতি, ধৰ্ম, বৰ্ণ, অনুষ্ঠান, প্ৰতিষ্ঠান নিৰ্বিশেষে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব।◆

বাৰ্তালোচনী প্ৰকাশন শাখা সমিতি ঃ উপদেষ্টা— ভবেন্দ্ৰনাথ ডেকা, হৰিপ্ৰসাদ হাজৰিকা, কেশৱমোহন কলিতা ঃ সভাপতি— গোলাপ বৰুৱা ঃ পৰিচালন সম্পাদক— খগেন্দ্ৰ মহেলা (ফোন নং-৯৪৩৫০৬৩২৫০) ঃ প্ৰকাশক— বাবুল বৰা, প্ৰধান সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ ঃ সদস্যসকল— শোধন গগৈ, বাবুল বৰা, বীৰেশ হাজৰিকা, জ্যোতিপ্ৰসাদ চুতীয়া, ড° যতীন চুতীয়া, প্ৰহ্লাদ শইকীয়া, প্ৰদীপ কুমাৰ বৰা, ৰামকৃষ্ণ পাটগিৰি ঃ সম্পাদক —ভবেন দুৱৰী (ফোন নং— ৯৪৩৫৪০৩০১১), সহযোগী সম্পাদক— দীপজ্যোতি চহৰীয়া (ফোন নং- ৯৮৬৪০-৭০৩৭৯)

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ হৈ প্ৰধান সম্পাদক বাবুল বৰাৰ দ্বাৰা প্ৰকাশিত। গুৱাহাটীৰ শৰাইঘাট ফটো টাইপছ প্ৰাঃ লিঃ, ইণ্ডাষ্ট্ৰিয়েল ইষ্টেট, বামুণীমৈদাম, গুৱাহাটী ৭৮১০২১ত মুদ্ৰিত। সম্পাদক ঃ ভবেন দুৱৰী, শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী ৭৮১০৩২ ফোন ঃ ৯৪৩৫৪-০৩০১১